# Assam

# Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

## VOL. III

## NO. 7

The 12th August, 1986

सत्यमेव जयते

1990

PRINTED AT GUPTA PRINTERS, GUWAHATI-781006

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## ( AUGUST SESSION )

## VOLUME—III

## NO—7

Dated, the 12th August, 1986

**Contents** **Page**


| | | |
|---|---|---|
| 1. | Questions | 1—152 |
| 2. | Miscellaneous | 153—157 |
| 3. | Announcement from the chair | 157 |
| 4. | Laying of Reports and Rules | 157—158 |
| 5. | Government Bills | 159 —219 |
| 6. | Ruling from the Chair | 219—222 |
| 7. | Adjournment | 222 |

Proceedings of the August Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Guwahati On Tuesday, the 12th August, 1986 with the Hon'ble Speaker in the Chair, 17 (Seventeen) Ministers, 13 (Thirteen) Ministers of State, and 85 (Eighty Five) Members present.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral replies were given )

বি ঃ অসামৰিক চিকিৎসালয়

কুমাৰ দীপক দাসে সুধিছে ঃ

*১৪২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) বৰপেটাত এখন দুশ বিচনাযুক্ত অসামৰিক চিকিৎসালয়ৰ প্রয়োজনৰ কথাত চৰকাৰ অবগতনে ?

(খ) যদি হয়, এই ক্ষেত্রত বিত্তীয় বছৰতে ইয়াক বান্ধিবৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লোৱা নাই, কিয় লোৱা নাই ?

(ঘ) এই চিকিৎসালয় কেতিয়া নির্মাণ কৰিব পৰা যাব ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪২। (ক)—হয়।

(খ)—নাই লোৱা।

(গ) আৱশ্যকীয় পুঁজিৰ অভাব হোৱাৰ হেতুকে।

(ঘ)—সঠিক এতিয়া কোৱা টান।

কুমাৰ দীপক দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য মন্ত্ৰী গৰাকী যেতিয়া বৰপেটালৈ গৈছিল তেতিয়া ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিছিল যে তাত এখন হস্পিটেল নিৰ্মাণ কৰা হব। এইখন সোনকালে কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বৰপেটাক জিলালৈ উন্নীত কৰাৰ তাত এখন ২০০খন বিচনাযুক্ত চিকিৎসালয় স্থাপন কৰাৰ কথাটো চৰকাৰে নীতিগতভাবে গ্ৰহণ কৰিছে। কিন্তু ধনৰ নাটনিৰ কাৰণে এইটো সদ্যহতে কৰিব পৰা নাই। কিন্তু ইয়াত এখন হস্পিটেল নিৰ্মাণ কৰিব লাগিব এই কথাটো চৰকাৰে নীতিগত ভাবে গ্ৰহণ কৰিছে।

বি ঃ নিভিয়াত হস্পিটেল

কুমাৰী ৰবি দাসে সুধিছে ঃ

*১৪৩ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাতাবাৰী সমষ্টিৰ নিভিয়া গাওঁত এখন ত্ৰিশখন বিছনাযুক্ত হস্পিতেল খোলাৰ কিবা প্ৰস্তাব চৰকাৰৰ হাতত আছে নেকি ?

(খ) যদি নাই চৰকাৰে অনুগ্ৰহ কৰি অতি সোনকালে ত্ৰিশখন বিছনা-যুক্ত এখন হস্পিটাল পতাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩। (ক)—হয়, আছে।

(খ)—বৰ্ত্তমানলৈকে কোনো সিদ্ধান্ত লোৱা নাই।

कमारी रवि दास : माननीय अध्यक्ष महोदय, क्या मंत्री महोदय यह बताने की कृपा करेंगे कि निबियाँ गाँव मे इस हास्पीटल के बनाने के लिए कितना रुपया सैंक्शन हुआ हैं और यह कब तक बनकर पूर्ण होगा ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কওঁ যে নিভিয়া গাওঁত এখন হস্পিটেল খোলাৰ কাৰণে চৰকাৰৰ আঁচনি আছে। মাননীয় অধ্যক্ষই অনুমতি সাপেক্ষে এই ক্ষেত্ৰত মই দুটামান শাৰী পঢ়ি দিব বিচাৰিছো।

নিভিয়াত ৩০ খন বিছনাযুক্ত হস্পিটেল খোলাৰ দাবী আছে। কিন্তু যিহেতু ৬ষ্ঠ ৫ বছৰীয়া পৰিকল্পনা সময়লৈ ৩০ খন বিছনাযুক্ত হস্পিটেল কেন্দ্ৰ স্থলত অৱস্থিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ উন্নতি কৰিছে, স্থাপন কৰাৰ ব্যৱস্থা আছিল, গতিকে তাত তেনে হস্পিটেল পতাৰ কোনো সিদ্ধান্ত লব পৰা নগল। কিন্তু ১৯৮৫ চনত নৰৱে চুইদেনৰ সাহাৰ্য্যত অনুন্নত সম্প্ৰদায়ৰ উন্নতিৰ কল্পে বিচৰা আচনিত নিভিয়াত এটা ৩০ খন বিচনাযুক্ত হস্পিটেল স্থাপনৰ প্ৰস্তাৱ এই সঞ্চালকালয়ৰ চিঠি নং এইচ-এন-ডি—৮৫।১০২।৩৩২৯ তাং ১৩-৯-৮৫ ডাইৰেক্টৰ, ট্ৰাইবেল ৰিচাৰ্চ ইনষ্টিটিউট, অসমলৈ আগবঢ়োৱা হৈছিল। কিন্তু এই বিষয়ে এতিয়ালৈকে একো সবিশেষ জনা নাই। ৭ম ৫ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত নিভিয়াত এখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে।

ট্ৰাইবেল ৰিচাৰ্চ ইন্সষ্টিটিউটলৈ পঠোৱা আঁচনিমতে এই হস্পিতেলখনৰ গৃহ নিৰ্মাণৰ বাবে ২৫ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু অন্যান্য বয়বস্তুৰ বাবদ ১০০ লাখ টকা ধৰা হৈছে। আৰু এচেচৰীজৰ বাবে ১০লাখ টকা ধৰা হৈছে। এইখন হস্পিটেলৰ বাবে মুঠ ১৩৫ লাখ টকাৰ আঁচনি প্ৰস্তুত কৰি পঠোৱা হৈছে।

कुमारी रवि दास : मैं असमीयाँ समझ लेती हुँ किन्तु बोल नहीं सकती । आप असमीयाँ में ही बोले ।

Re : Duties of Registrar of Co-operative Societies

Shri BINAI KHUNGUR BASUMATARI asked :

*144. Will the Minister, Co-operation be pleased to state –

(a) The duties and responsibilities of the Assistant Registrar

of Co-operative Societies, posted at various Sub-divisional head quarters in the State?

(b) Whether the Assistant Registrar of Co-operative Societies are monitored by superior officers?

Shri LALIT CHANDRA RAJKHOWA (Minister, Co-operation) replied :

144. (a)—A list of duties and responsibilities of Assistant Registrar of Co-operative Societies are placed in the table of the House.

(b)—Yes.

Shri Binai Khungur Basumatari : Sir, is it the duty of the ARCS to release funds for the Annual General Meeting every year?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এনুৱেল জেনেৰেল মিটিং পতাৰ দায়িত্ব সমবায় বিভাগৰ সহকাৰী পঞ্জীয়কৰ হাতত আছে।

Shri Binai Khungur Basumatari : Sir, whether the Government is aware of the fact that the ARCS, Udalguri has not released funds for Annual General Meeting as well as impending General Meeting this year? If so, what action Government will take against such officer?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মোৰ দৃষ্টিগোচৰ হোৱা নাই। মাননীয় সদস্য গৰাকীয়ে দৃষ্টিগোচৰ কৰিছে যেতিয়া ইয়াৰ বিহিত ব্যৱস্থা লোৱা হব।

বি ঃ বিশ্বনাথ চাৰি আলিত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে ঃ

*১৪৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শোণিতপুৰ জিলাৰ বিশ্বনাথ মহকুমা এতিয়া এটি সম্পুৰ্ণ পৰ্য্যায়ৰ

মহকুমাত পৰিণত হোৱা স্বত্বেও এই মহকুমাত অগ্নি নিৰ্ব্বাপক ব্যৱস্থা কৰা হোৱা নাই, এই কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে অনুগ্ৰহ কৰি বিশ্বনাথ মহকুমাত অনতি পলমে অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৪৫ । (ক)—হয় ।

(খ)—প্ৰয়োজনীয় পুঁজি আৰু সা-সৰঞ্জামৰ সাপেক্ষে বিভিন্ন ঠাইত প্ৰত্যেক ঠাইৰ আৱশ্যকতা চাই, অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপনৰ বিষয়ে চৰকাৰে বিবেচনা কৰি আছে আৰু বিশ্বনাথ চাৰিআলিত তাৰ ভিতৰত বিবেচনাৰ কাৰণে আহিব ।

শ্ৰীপদ্ম নাথ কৈৰী ঃ—মাননীয় অধ্যক্ষ মহোদয়, বিশ্বনাথ চাৰিআলী মহকুমা হোৱা বহুত দিন হল। কিন্তু ইয়াত অগ্নি নিৰ্ব্বাপক বাহিনী নাই। মোৰ নিজৰো ঘৰ পুৰিলে মাজতে। তাত জুই লাগিলে ৭১ কিলোমিটাৰ দূৰৈৰ তেজপুৰৰ পৰা অগ্নি নিৰ্ব্বাপক বাহিনী আহি জুই নুমাব লাগে। এইটো ভেকো ভাওনাহে হয়। ইয়াত অতি সোনকালে অগ্নি নিৰ্ব্বাপক বাহিনী এটা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী)—অধ্যক্ষ মহোদয় এই কথাটো বিবেচনা কৰি থকা হৈছে। কিন্তু মাননীয় সদস্য গৰাকীয়ে যে কৈছে ৭১ কিলোমিটাৰ দূৰৈৰ তেজপুৰৰ পৰা অগ্নি নিৰ্ব্বাপক গাড়ী আনিব লাগে সেইটো সত্য নহয়। কিয়নো বিশ্বনাথ চাৰিআলিৰ কিছু আতৰৰ জামুগুৰীত অগ্নি নিৰ্ব্বাপক বাহিনীৰ কেন্দ্ৰ আছে।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, সীমান্তৱৰ্ত্তী এলেকা সৰুপথাৰত এটা অগ্নি নিৰ্ব্বাপক বাহিনীৰ কেন্দ্ৰ দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা লবনে ? কিয়নো এই অঞ্চলত অগ্নিকাণ্ড হলে সুদূৰ ২০০ কিঃ মিঃ দূৰৈৰ গোলাঘাটৰ পৰা অগ্নি নিৰ্ব্বাপক বাহিনীৰ গাড়ী আহি জুই নুমাব লাগে।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ প্ৰায়বোৰ প্ৰয়োজনীয় স্থানতে অগ্নি নিৰ্ব্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰ আগ্ৰহী, কিন্তু পূজীৰ নাটনিৰ বাবে অসুবিধাই দেখা দিছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ—অধ্যক্ষ মহোদয়, সম্পূৰ্ণ কাৰিকৰী জ্ঞান লাভ কৰা এই বাহিনীৰ লোক সকলক পুলিচৰ পৰা পৃথক ভাৱে কিয় ৰখা হোৱা নাই জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী ঃ—অধ্যক্ষ মহোদয়, ইয়াৰ বাবে সুকীয়া প্ৰশ্ন হব লাগে।

বি ঃ তামুলপুৰত জলসিঞ্চন আঁচনি

শ্ৰীভবেন নাৰ্জীয়ে সুধিছে ঃ

*১৪৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) তামুলপুৰ সমষ্টিৰ ভিতৰত সৰু ডাঙৰ কিমানটা অৰ্দ্ধ নিৰ্মিত জলসিঞ্চনৰ আঁচনি আছে ?

(খ) এই বছৰ বতৰত উক্ত আঁচনিবোৰ ততাতয়াকৈ সম্পূৰ্ণ কৰিব নেকি ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৪৬। (ক)—তামুলপুৰ সমষ্টিৰ ভিতৰত নিৰ্মিত অৱস্থাত থকা চৰকাৰী আঁচনি কেইটা হল ঃ—

১। বৃহৎ আঁচনি নাই।
২। মজলীয়া আঁচনি এটা।
৩। ক্ষুদ্ৰ আঁচনি তিনিটা।

(খ)—উল্লেখিত ক্ষুদ্ৰ আঁচনিৰ ভিতৰত গান্ধীবাৰী বৈদ্যুতিক উত্তোলিত

জলসিঞ্চন আঁচনি সাম্প্ৰাতিক খৰ বতৰৰ পৰিস্থিতিত ততাতয়াকৈ বৈদ্যুতি-কৰণৰ দ্বাৰা ২০০ হেক্টাৰ মাটিত পানী দি থকা হৈছে। বাকী দুটা গভীৰ নলীনাদ আঁচনিৰ কাম ১৯৮৭-৮৮ চনত সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰা হব।

মজলীয়া আঁচনিখনৰ পৰা সম্প্ৰতি পানী যোগান ধৰিব পৰা অৱস্থালৈ সম্পূৰ্ণ কৰাৰ থল নাই।

শ্ৰীভবেন নাৰ্জি : মাননীয় অধ্যক্ষ মহোদয়, তামুলপুৰত খৰাং বতৰৰ কাৰণে এনে পৰিস্থিতি হৈছে যেন তাত মৰুভূমিহে হৈছে। ইফালে মেলেৰী-য়াটো তাত আছেই। মোৰ অনুৰোধ, মাননীয় মন্ত্ৰী মহোদয়ে যাতে তামুল পুৰত এই খৰাং বতৰৰ কাৰণে পানী যোগান ধৰাৰ ব্যৱস্থা কৰে?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, খৰাং পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ ইতিমধ্যে কেতবোৰ ব্যৱস্থা লোৱা হৈছে আৰু সেইবোৰ ব্যৱস্থা তামুলপুৰতো লোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্মা :—মাননীয় অধ্যক্ষ মহোদয়, তামুলপুৰকে আদি কৰি যিবোৰ সমষ্টিত জলসিঞ্চনৰ মিডিয়াম আৰু মেজৰ কোনো আচনি নাই আৰু এই জলসিঞ্চন আচনিত অধিক ফলপ্ৰসু নোহোৱাকে ধৰি পৰি আছে এই বছৰ বছৰকীয়া পৰিকল্পনাত সেইবোৰৰ বাবে অসম চৰকাৰে কিমান টকা ধাৰ্য্য কৰিছে?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন হব। তথাপিতো মই তেখেতক জনাই থও যে এই বছৰত আমি নতুনকৈ জলসিঞ্চন আচনি তৈয়াৰ কৰাৰ কাৰণে প্ৰায় ৪৫ কোটি টকাৰ আচনি যুগুত কৰিছে আৰু সেই আচনি যুগুত কৰি তাৰ এপ্ৰোভেলৰ কাৰণে বৈ থকা হৈছে।

### Re : Arrest of Inspector of Excise

Shri GAUTAM ROY (Tulsi) asked :

★147. Will the Minister, Excise be pleased to state—

(a) Whether it is a fact that Shri Nilangshu Das, Inspector

of Excise was arrested in rape case at Hailakandi Police Station before 2(two) years back ?

(b) Whether it is a fact that Court has given the verdict against the officer for moral turpitude ?

(c) Whether it is fact that without taken legal advice after the verdict of Court moral turpitude against the Gazetted Officer is re-instated by the new A.G.P. Government ?

(d) If so, how ?

শ্ৰীভৃগু কুমাৰ ফুকন (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৪৭। (ক)—শ্ৰীনিলাংচু দাস নামৰ কোনো আৱকাৰী পৰিদৰ্শক এই বিভাগত নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—প্ৰশ্ন নুঠে।

শ্ৰীগৌতম ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই শ্ৰীনিলাংচু দাস নামৰ আবকাৰী পৰিদৰ্শক জনৰ বিষয়টো চাব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকণ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় মই আগতে কৈছো যে নিলাংচু দাস নামৰ কোনো আবকাৰী পৰিদৰ্শক এই বিভাগত নাই।

শ্ৰীগৌতম ৰয় ঃ নিলাংচু দাস নহলেও অন্য কোনোবা হব পাৰে।

শ্ৰীভৃগু কুমাৰ ফুকণ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় আমি পোৱা তথ্য মতে নিলাংচু দাস নামৰ এ, এচ, আই এজন হে আমাৰ বিভাগত আছে।

শ্ৰীগৌতম ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, থাকিব পাৰে। কিন্তু এই সম্পৰ্কে কি ব্যৱস্থা লব ?

মাননীয় অধ্যক্ষ ঃ ইয়াৰ পাচৰ প্ৰশ্ন।

শ্ৰীগৌতম ৰয় ঃ এইটো কি হব ?

শ্ৰীভৃগু কুমাৰ ফুকণ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে, নিলংচু দাস নামৰ কোনো আবকাৰী পৰিদৰ্শক নাই। নিলাংচু দাস নামৰ এজন এ, এচ, আই হে আছে।

Starred Question No. 148 was not put and answered, Questioner being absent.

Re : Deep Tubewell in Nilbagan

Shri ABDUL JALIL RAGILEI asked :

*149. Will the Minister, Irrigation be pleased to state –

(a) Is it a fact that a deep tube well was bored at Nilbagan under Hojai Sub-division of Nagaon District few years back?

(b) Is it also a fact that not a single drop of water could be made available for cultivation ?

(c) Is it also a fact that a sub-stantial amount is being spent annually towards its repairs ?

(d) If so, why the tube well is not functioning ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪৯। (ক)—হয়, ১৯৭৯ চনৰ চেণ্ট্ৰেল গ্ৰাউণ্ড ওৱাটাৰ বোৰ্ডে নীলবাগান অঞ্চলত পৰীক্ষামূলক ভাৱে এটা গভীৰ নলী,নাদ বহুৱায়।

(খ)—হয়, এই গভীৰ নলী নাদটো এতিয়াও জলসিঞ্চনৰ বাবে উপযোগী হোৱা নাই।

(গ)—নহয়, মেৰামতিৰ বাবে এই আঁচনিত এতিয়ালৈকে কোনো ধন ব্যয় কৰা হোৱা নাই।

(ঘ)—আচনিটো জলসিঞ্চনৰ উপযোগীকৈ কাৰ্য্যকৰী কৰিবৰ কাৰণে অসম ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগমক ন্যস্ত কৰা হৈছে কিন্তু নিগমে বৰ্ত্তমানলৈকে আচনিখন সম্পূৰ্ণ কৰি উঠিব নোৱাৰাৰ বাবে, ইয়াৰ দ্বাৰা জলসিঞ্চন কৰিব পৰা নাই।

শ্ৰীআব্দুল জলিল ৰাগিলেই : মাননীয় অধ্যক্ষ মহোদয়, আমি জানিব বিচাৰিছো যে এই গভীৰ নলী নাদ মেৰামতি কৰাৰ কাৰণে বছৰেকীয়া কিছুমান ধন খৰচ কৰা হয় বুলি জানিব পাৰিছো। যিহেতু এই নলি-নাদ মোৰ ঘৰৰ একেবাৰে সন্মূখত গতিকে মন্ত্ৰী মহোদয়ে এটা তদন্ত কৰিবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি ইয়াত কৈছো যে, মেৰামতিৰ কাৰণে এতিয়ালৈকে কোনো ধন ব্যয় কৰা হোৱা নাই। যদি তেনে-কুৱা মেৰামতিৰ কাম কৰা হৈছে তেতিয়াহলে তেখেতে আমাৰ দৃষ্টি গোচৰ কৰি এটা নিৰ্দিষ্ট অভিযোগ ডাঙি ধৰে যেন। তেতিয়া তদন্তৰ ব্যৱস্থা কৰিব পৰা যাব।

Re : Gumra Paikan Lift Irrigation Scheme

Shri ABDUL HAMID MAZUMDAR asked :

* 150. Will the Minister, Irrigation be pleased to state—

(a) Whether Gumra Paikan lift Irrigation scheme under Silchar Irrigation Division has been commissioned ?

(b) Whether electric Motor has been installed and operator has been posted ?

(c) Whether it is a fact that the Motor House and the channel has been constructed on periodic patta land affecting three homesteads ?

(d) If so, whether the pertinent land has been acquired and compensation paid ?

(e) If not why not ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৫০। (ক)—এতিয়ালৈকে চলোৱা হোৱা নাই ।

(খ)—হয়, এটা ইলেকট্ৰিক মটৰ স্থাপন কৰা হৈছে আৰু এজন অপা-বেটৰ নিযুক্তি দিয়া হৈছে ।

(গ)—হয়, মটৰ ৰখা ঘৰ আৰু নলা তিনিজন মানুহৰ ম্যাদি পট্টাৰ মাটি ওপৰত বনোৱা হৈছে ।

(ঘ)—কাছাৰ জিলাৰ উপায়ুক্তলৈ মাটি অধিগ্ৰহণ আৰু ক্ষতিপূৰণৰ বাবে প্ৰস্তাৱ দিয়া হৈছে ।

ক্ষতিপূৰণৰ টকা এতিয়ালৈকে একো দিয়া হোৱা নাই ।

(ঙ)—মাটি ক্ষতিপূৰণৰ প্ৰাক্‌কলন আনুমোদন হোৱাৰ পিছত টকা দিয়া হব ।

Shri Abdul Hamid Mazumdar : Mr. Speaker, Sir, may I know from the Hon. Minister what is the amount expended upto date for this Scheme ?

Shri Probin Chandra Deka, (Minister) : Speaker, Sir, I would like to inform the Hon. Member that the amount that has been spent uptill now is Rs. 14 crores 14 lakhs and 20 thousand.

Shri Abdul Hamid Mazumdar : How long will it require to receive payment for the acquired land ?

Shri Pobin Chandra Deka (Minister) : Sir, I have already informed the Hon, Member that the land has been requisitioned by the D. C. and we have already communicated with the D.C. concerned and we will be requesting him to expedite the matter so that we can give the money to the parties,

Shri Binai Khungur Basumatari : Will the Hon, Minister kindly clarify whether he has spent 14 crores 14 lakhs and 20 thousand for this scheme ?

Shri Pobin Chandra Deka, (Minister) : Yes,

Re : Registration of cases in different Police station

Shri GOLOK RAJBANSHI asked :

★151. Will the Minister, Home be pleased to state—

The number of cases under Section 302 & 307 of IPC registered in different Police Stations in the State have been withdrawn during this year ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৫১। প্ৰাপ্ত তথ্য অনুসাৰে ভাৰতীয় দণ্ডবিধিৰ ৩০২ আৰু ৩০৭ ধাৰাৰ অধীনত াজ্যৰ ভিন ভিন আদালতৰ পৰা ৪৬১ টা গোচৰ উঠাই লোৱা হৈছে ।

শ্ৰীগোলোক ৰাজবংশী ঃ মাননীয় অধ্যক্ষ মহোদয়, আন্দোলনটো আছিল অহিংস । গতিকে অহিংস আন্দোলনৰ লগত হত্যাকাণ্ডৰ লগত জড়িত ঘটনাৰ কেনেকৈ সম্পৰ্ক থাকে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা অহিংস আৰু গণতান্ত্ৰিক আন্দোলন আছিল সচা কথা। কিন্তু এই গোচৰ বোৰ কেনেকৈ দিয়া হৈছিল সেই কথা তেখেতে আমাতকৈ ভালদৰে জানে । সেই দিনত আমাৰ ওপৰত কিছুমান মিছা গোচৰ দিয়া হৈছিল আৰু মিছা গোচৰৰ লগত আমাক জড়িত কৰা হৈছিল ।

শ্ৰীগোলোক ৰাজবংশী ঃ ভাৰতীয় দণ্ডবিধি আইন মতে মিছা গোচৰ হলে আদালতে মিছা গোছৰ বুলি ৰায় দিব পাৰে। এই ক্ষেত্ৰত পুলিচ বা আদালতৰ তৰফৰ পৰা মিছা গোচৰ বুলি ৰায় দিয়া হৈছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, পুলিচে তেনে গোচৰ বিলাকৰ ডায়েৰী আৰু চাৰ্জচিত দিব পৰা নাই। এইটো কথা অসম চুক্তিৰ ১৪ নং দফাৰ (খ) অংশত আছে যে এই গোচৰ সমূহ প্ৰত্যাহাৰ কৰিব লাগে।

শ্ৰীগোলোক ৰাজবংশী ঃ— মাননীয় অধ্যক্ষ মহোদয়, চুক্তি মতে গোচৰ বিলাক উঠাই দিয়াৰ কথা আছে কিন্তু যি বিলাক গোচৰ হেইনাচ ক্ৰাইমৰ সেইবিলাক উঠাই দিয়াৰ প্ৰথা নাই এতিয়া কথা হ'ল পুলিচৰ মিছা গোচৰ বা যিবিলাক মিছা অভিযোগ আছিল বুলি কৈছে তেনে গোচৰ কিমান আছে আৰু উঠোৱা হৈছে।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, আন্দোলনৰ সময়ত পুলিচে কিছুমান মনে সজা গোচৰ তৈয়াৰ কৰি হাজোতত ভৰাইছিল! মই যেতিয়া গুৱাহাটী বিশ্ব বিদ্যালয়ৰ হোষ্টেলত আছিলো তেতিয়া মোক ৰাতি মাজ নিশা ধৰি লৈ গৈছিল আৰু মিছাকৈয়ে হত্যাকাৰী বুলি অভিযুক্ত কৰিছিল।

শ্ৰীগোলোক ৰাজবংশী ঃ— মাননীয় অধ্যক্ষ মহোদয়, গোচৰ মিছা বুলি কৰৰ কাৰণে ভাৰতীয় দণ্ডবিধি আইনত ব্যৱস্থা আছে। সেইমতে আদালতে ৰায় দিব।

শ্ৰীদুৰ্গাদাস বড়ো ঃ— মাননীয় অধ্যক্ষ মহোদয়, পানেৰী সমষ্টিত আন্দোলনৰ সময়ত ঘৰত বহি ঢেকী থুৰা বনাই থাকোতে এজন বুঢ়া মানুহক মিছাকৈয়ে বন্দুকৰ কুণ্ডা বনোৱা বুলি অভিযোগ আনি গ্ৰেপ্তাৰ কৰাৰ কথা মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীভৃগুকুমাৰ ফুকন (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, আইনৰ গণ্ডীৰ ভিতৰৰ পৰা গোচৰ সমূহ উঠাই লোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈকে অৰ্থাৎ আন্দোলন চলি থকা সময় লৈকে, থানাত যিমানবিলাক একুইজদ নামা আছিল সেই বিলাকৰ নামৰ

বিপৰীতে মিছা অভিযোগ তুলি তেওঁলোকৰ ঠাইত আন্দোলনকাৰীৰ নাম সুমুৱাই দিয়া হৈছিল ? মাননীয় সদস্য ৰাজবংশীৰ পুতেক এজনে পুলিচ ইনফৰমাৰ হৈ থাকি পুলিচক খৱৰ দিছিল, এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে ?

বিঃ সীমান্তত পহৰাচকী

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

* ১৫২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে সীমান্তত পহৰাচকী দিয়াৰ ব্যৱস্থাৰ কথা ঘোষণা কৰাটো সঁচানে ?

(খ) যদি হয়, এই ব্যৱস্থা কেতিয়াৰ পৰা লোৱা হব জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫২। (ক) আৰু (খ)—আন্তঃ সীমান্ত বুলিলে সীমান্ত আৰু আন্তঃ ৰাষ্ট্ৰীয় সীমান্ত দুয়োটাই বুজায়, আন্তঃ ৰাষ্ট্ৰীয় সীমান্ত ৰক্ষাৰ ভাৰ কেন্দ্ৰীয় চৰকাৰৰ। এই বিষয়ত বিতং তথ্য অসম চৰকাৰৰ নাই। আন্তঃ ৰাজ্যিক সীমান্তৰ ক্ষেত্ৰত নতুনকৈ কোনো প্ৰহৰাচকীৰ কথা চৰকাৰে ঘোষণা কৰা নাই।

শ্ৰীবিনোদ গোৱালা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে এই নগালেণ্ড সীমান্তৰ মেৰাপানী এলেকাত পহৰা চকী দিয়া কথা আছিল, এই পহৰা চকী কেতিয়াৰ পৰা দিয়া হব সেইটো জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ— অসম আৰু নগাৰাজ্যৰ আন্তঃ ৰাজ্যিক সীমাত পহৰা চকী নিৰ্ম্মান কৰাৰ ক্ষেত্ৰত কিছুমান নীতি নিয়মৰ কথা আছে। সীমান্তত শান্তি ৰক্ষাৰ আৰু শৃঙ্খলাৰ কাৰণে দুয়োখন ৰাজ্যৰ মাজত ১৯৭২ চনত অন্তৰ্বৰ্ত্তিকালিন চাৰিখন চুক্তি ১৯৭৯ চনত আন এখন অন্তৰ্বৰ্ত্তি-কালিন চুক্তি হয়। উক্ত চুক্তিৰ মৰ্মে অসম আৰু নগালেণ্ড চৰকাৰে সীমান্তত পহৰা চকী নতুবা আৰক্ষী চকী স্থাপন কৰাৰ কিছুমান বাধা আৰোপ কৰা আছে। সেয়েহে সীমান্তত পহৰা চকী স্থাপন কৰিবলৈ হলে দুয়োৰাজ্যৰ মাজত থকা চুক্তি সমূহক বিচাৰ বিবেচনা কৰিব লাগিব।

অসম ৰাজ্যৰ নগালেণ্ডৰ লগত থকা সীমান্তত কিছুমান সীমান্ত আৰক্ষী চকী আছে। এই চকীবোৰ শান্তি শৃঙ্খলা আৰু পহৰা দিয়াৰ কামত ব্যৱহাৰ কৰা হৈছে। উক্ত চকীবোৰত কিছুমানত কেন্দ্ৰীয় আৰক্ষী বাহিনী আৰু আন কিছুমানত অসম পুলিচ বাহিনী নিয়োগ কৰা হৈছে। মেৰাপানী অঞ্চলত সীমান্ত নিৰাপত্তা বাহিনীয়ে পহৰা দি আছে। সীমান্তত থকা ৰাইজৰ নিৰাপত্তাৰ কাৰণে চৰকাৰে ইতিমধ্যে যথোপযুক্ত ব্যৱস্থা কৰিছে। পহৰা চকীবোৰ টনকিয়াল কৰা হৈছে আৰু যাতে ব্যাপক পহৰা দিব পৰা হয় তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। অসম আৰক্ষী বিভাগত সীমান্ত আৰক্ষীৰ কাম-কাজ চোৱা চিতাৰ বাবে আৰু ততকালিন ভাবে যি কোনো পৰিস্থিতিৰ সন্মুখীন হোৱাৰ কাৰণে এটি সীমান্ত আৰক্ষী শাখা গঠন কৰা হৈছে। দুজন উপ মহাপৰিদৰ্শকক যোৰহাটত নিযুক্তি দিয়া হৈছে যাতে যোৰহাটৰ পৰা সীমান্তৰ কাম-কাজ বোৰ সুন্দৰ ভাবে পৰিচালনা কৰিব পাৰে। অসমৰ বনাঞ্চল সমূহত নগাৰাজ্যৰ সীমামূৰীয়া সেয়েহে নগাসকলে সংৰক্ষিত বনাঞ্চল থকাৰ কাৰণে বে-আইনি কামৰ বহুতো সুবিধা গ্ৰহণ কৰিছে। বনাঞ্চল সমূহ যাতে ৰক্ষা কৰিব পৰা যায় আৰু যাতে তাত দুস্কৃতিকাৰীয়ে কোনো বে-আইনি কাম কৰিব নোৱাৰে তাৰ কাৰণে চৰকাৰে ১৯৫৫ চনত শসস্ত্ৰ আইন অনুযায়ী নগাৰাজ্যৰ গাতে লাগি থকা বনাঞ্চল সমূহক অশান্তি এলেকা হিচাবে ঘোষনা কৰিছে। এই ঘোষনা কৰাৰ ফলত অসমৰ সীমান্তত যি কোনো পৰিস্থিতিৰ সন্মুখীন হবলৈ পুলিচ বিভাগক যথেষ্ট ক্ষমতা অৰ্পণ কৰা হৈছে।

চৰকাৰে সীমা বিবাদ মিমাংসা কৰিবলৈ আলাপ-আলোচনা কৰি আছে।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মেৰাপানী চাংখাটি এলেকাত পহৰা চকী দিয়াৰ কাৰণে বহু দিনৰে পৰা দাবী কৰি থকা হৈছে, এই ক্ষেত্ৰত কিবা ব্যৱস্থা লোৱা হৈছে নেকি ? তাৰোপৰি সৰুপথাৰ এলেকাত অসম ৰাইফলচক দিয়া হৈছে, এই বাহিনীয়ে অসমৰ ৰাইজক ৰক্ষনা-বেক্ষনা দিয়াতকৈ অসমৰ ৰাইজৰ বিপৰীতেহে কাম কৰিছে, গতিকে অসম ৰাইফলচক তাত নিদি বি, এচ, এফক দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ যি কোনো পহৰা চকী স্থাপন কৰিবলৈ

হলে দুখন ৰাজ্যৰ মাজত এটা আলোচনা হব লাগিব। এই বিষয়টো বিবেচনা কৰিব লাগিব। হঠাতে কৈ দিব পৰা নাযায়।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ভূটান আৰু অসম সীমান্তৰ এই সীমা ৰক্ষণাবেক্ষনৰ কাৰণে বৰ্ত্তমান অৱস্থাত চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ? ২য়তে দৰং জিলাৰ ভূটান আৰু অসম সীমান্তত থকা ভৈৰবকুণ্ডৰ আশেপাশে ৫ খন গাৱঁৰ মানুহে ভূটান চৰকাৰক খাজনা দি আছে, এই সম্পৰ্কে মুখ্য মন্ত্ৰী মহোদয়ে জানেনে ? আৰু ৩য়তে সেই এলেকাত বি, এচ, এফ আৰু অসম ৰাইফলচ থকা স্বত্তেও অসম পুলিচ বাহিনী ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ আন্তঃৰাষ্ট্ৰীয় সীমান্ত ৰক্ষাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত বিভিন্ন দিশত যোগাযোগ কৰি থকা হৈছে। অৱশ্যে কিছুমান কথাৰ লগত আমি জ্ঞাত আৰু এই সংক্ৰান্তত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো।

শ্ৰীজগত হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অসম আৰু নগালেণ্ড সীমান্তৰ সমস্যাৱলীৰ কথাত যিটো উত্তৰ দিছে সেই হিচাবে অসম নাগালেণ্ড সীমান্তত যেনে ধৰণৰ সমস্যা হৈছে থিক সেইদৰে অসম আৰু অৰুণাচল সীমান্ততো তেনে ধৰণৰ সমস্যা হৈছে গতিকেই অসম নাগালেণ্ড সীমা সুৰক্ষিত কৰাৰ কাৰণে যেনেদৰে দৃষ্টি নিক্ষেপ কৰিছে থিক তেনেদৰে অসম অৰুণাচলৰ ক্ষেত্ৰতো দৃষ্টি গোচৰ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মানুহে কেতিয়াও অইনৰ বা অইন ৰাজ্যৰ মাটিত বেদখল নকৰে, এই বেদখল কৰি আছে আমাৰ দাঁতি কাষৰীয়া ৰাজ্যৰ মানুহে। অৰুণাচলৰ লগত আমাৰ সীমা বিবাদ নাই, সাংবিধানিক অনুসৰি দুয়োৰাজ্যৰ সীমাৰ মানচিত্ৰ দেখুৱা মতে সীমা থিকেই আছে। বেদখল যদি কৰিছে সেই বিলাক আমি আলোচনাৰ মাধ্যমেৰে নিস্পত্তি কৰিব লাগিব। প্ৰথম আমাৰ দুয়ো ৰাজ্যৰ মাজত দি, চি লেভেলত আলোচনা হব তাতো যদি নহয় তাৰ পাচত দুয়োৰাজ্যৰ মুখ্য সচিবৰ মাজত আলোচনা হব আৰু আবাশ্যক হলে দুয়োৰাজ্যৰ মুখ্য মন্ত্ৰীৰ মাজতে

আলোচনা হব পাৰে। ইতিমধ্যে দি, চি লেভেলত এই আলোচনা সম্পূৰ্ণ হৈছে।

শ্ৰীদিলীপ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমৰ সীমাত অৰুণাচলৰ পি, ডব্লিউ দিৰ ৰেষ্ট হাউচ বান্ধিছে, এই সম্পৰ্কত কি বিহিত ব্যৱস্থা লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ ইয়াৰ কাৰণে সুকীয়া প্ৰশ্ন লাগে। তথাপি আমি জনা মতে অৰুণাচল চৰকাৰৰ লগত এই সম্পৰ্কে আলোচনা হৈছে।

শ্ৰীহলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, সংসদত বৰ্ত্তমান চলি থকা অধিবেশনত স্পেচিয়েল প্ৰটেষ্টটেড বিল উথাপন কৰা কথা আছে। এই স্পেচিয়েল প্ৰটেষ্টটেদ বিল কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰৰ মতামত বিচাৰিছে। এই বিল থকা স্বত্তেও অসম মেঘালয়ৰ মাজত সীমা বিবাদ চলি আছে। ফৰেষ্টৰ কাঠ কটাৰ কাৰণে .তাত এৰেষ্ট কৰা হৈছিল। মেঘালয়ৰ মন্ত্ৰী এজনকো অসমত এৰেষ্ট কৰা হৈছিল। তেওঁলোকে যে সীমাৰ বাহিৰ হোৱা নাই এই ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে এই সম্বন্ধে কোনো যোগাযোগ কৰা নাই। বাকীখিনি সুকীয়া প্ৰশ্ন আহিলেহে উত্তৰ দিব পাৰিম।

Shri Binai Khungur Basumatari : Sir, does the Chief Minister consider it that the statement he has made that the Assamese people donot occupy the land of others in the neighbouring State ? Will this statement not antagonise the neighbouring State ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অসমৰ মানুহে এই সন্দৰ্ভত মই কওঁ যে অসমৰ মনুহে কোনো বাহিৰৰ ৰাজ্যৰ মাটি বেদখল কৰা নাই।

শ্ৰীমুক্তাৰ হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়ে, অসমৰ আন্তৰাষ্ট্ৰীয় সীমা বিবাদৰ দায়িত্ব সদৌ অসম ছাত্ৰ সন্থাক নিস্পত্তি কৰাৰ কাৰণে দিয়া হৈছিল নেকি ? যিহেতু অসমত ছাত্ৰ সন্থাৰ লগত পেৰেলেল গভৰ্নমেণ্ট চলি আছে।

মাননীয় সদস্য সকল ঃ অধ্যক্ষ মহোদয়, এই শব্দ উঠাই লব লাগিব।

(সদনত হুলুস্থুলৰ এটি পৰিবেশ হয়)

শ্ৰীঅৰ্দ্ধেন্দু দে ঃ অধ্যক্ষ মহোদয়, এই কথা সচা।

(সদনত হুলুস্থুল চলি থাকে)

মাননীয় অধ্যক্ষ ঃ আপোনালোকে বহক। এই শব্দটো উঠাই লবলৈ মই কৈছো আৰু ভৱিষ্যতে এনে শব্দ যাতে এই পৱিত্ৰ সদনত উত্থাপন কৰা নহয় তাৰ বাবে মই সকিয়াই থলো।

Re : Old age Pension

Shri DEWAN JOYNAL ABEDIN asked :

*153. Will the Minister of State, Social Welfare be pleased to state --

(a) The attitude of the Government towards the Policy of paying Old age Pension to the Old and Infirm ?

(b) The number of persons in the State at present fit for receiving Old Age Pension ?

(c) How many of them are actually receiving the Pension ?

Smti. REKHA RANI DAS BORO ( Minister of State, Social Welfare ) replied :

153. (a)—Subject to availability of the applicants Government would like to grant Old Age Pensions to as many persons as possible.

(b)—No definite figure of Old persons who are eligible, for Old Age Pension is available, but generally 1% of the total population is taken as destitute Old Persons eligible for Old Age Pension,

(c)—26,562 Old Persons received the pensions during 1985-86.

Shri Dewan Jainal Abedin : Sir, hon. Minister of State, for Social Welfare has replied in answer to Question 'B' that certain percentage as 1, of the population who are old will be covered by this scheme for pension. But in answer to Question 'C' she has given a definite figure of 26562. So, would she clarify what will be the exact figure of this 1% of the old people ?

Miss Rekha Rani Das Boro, (Minister of State, Social Welfare): Sir, I have already furnished this information in my reply.

Shri Dewan Jainal Abedin : Sir, after giving old age pension to the 26562 persons, how many old people are there in the State who are remained to be covered under this scheme ?

Miss. Rekha Rani Das Boro (Minister of State for Social Welfare): Sir, the figures are not available with me. I will furnish it later on.

বি ঃ গড়াখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা

শ্ৰীচিলবিউচ কন্দপানে সুধিছে ঃ

*১৫৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

ওদালগুৰি মহকুমাৰ মাজবাট থানাৰ এলেকাধীন গাওঁ বিলাকত পানচৈ ভুটিয়ানদী ফুলগুৰি পাগলা নদী আৰু ৰৌতা নদীবোৰে বাৰিষা বতৰত প্ৰচণ্ডভাৱে গড়াখহনীয়া কৰি দুখীয়া ৰাইজৰ অলেখ ক্ষতি কৰি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে প্ৰতিৰোধৰ বাবে ক'ত কি আঁচনি লৈছে ?

শ্ৰীছামছিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫৪। এই অঞ্চলত খহনীয়া প্ৰতিৰোধৰ কাৰণে কি ব্যৱস্থা লোৱা যায়,

তাৰ অনুসন্ধান কৰি থকা হৈছে। অনুসন্ধান আৰু জৰীপ শেষ হলে যাবতীয় আঁচনি প্ৰস্তুত কৰা হব।

কুমাৰ দীপক দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

Mr. Speaker · A separate question is required for it.

বি ঃ কৃষকলৈ সাহায্য

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

*১৫৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) খৰাং প্ৰপীড়িত অঞ্চলৰ কৃষক সকলক সাহায্য আগবঢ়োৱাৰ বাবে চৰকাৰে কিবা আচনি হাতত লৈছে নেকি ?

(খ) যদি লৈছে, এই সাহায্য কেনে ধৰণৰ ?

(গ) কেনেকুৱা অঞ্চলত এই সাহায্য আগবঢ়োৱা হব ?

শ্ৰীনীলমণি দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫৫। (ক)—হয়, লোৱা হৈছে।

(খ)—খৰাং প্ৰপীড়িত অঞ্চলৰ কৃষক সকলৰ মাজত সুলভ মূল্যত শালি ধানৰ কঠিয়া আৰু লগতে কঠিয়াতলীত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(গ)—জিলা বা মহকুমাধিপতিক লৈ গঠিত হোৱা ৰিলিফ কমিটিৰ নিৰ্দ্দেশানুক্ৰমে খৰাং প্ৰপীড়িত অঞ্চলত এই সাহায্য আগবঢ়োৱা হয়।

শ্ৰীদেবেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, খৰাং বতৰৰ কাৰণে গৰুৰে হাল বোৱাত অসুবিধা হৈছে, গতিকে টেক্টৰে হাল বোৱাৰ ব্যৱস্থা হৈছে নেকি ?

শ্ৰীনীলমণি দাস (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই জাতীয় নিৰ্দ্দেশ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে আৰু তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীবলোভদ্ৰ তামুলী ঃ অধ্যক্ষ মহোদয়, শালী খেতিৰ বতৰ যাওঁ যাওঁ

হৈছে। খৰাং বতৰে দেশত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। গতিকে ৰবি খেতিৰ কাৰণে বিস্তৃত আঁচনি লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, খৰাং বতৰৰ কাৰণে ৰাইজক কৃষি বিভাগে ৫ হেজাৰ হেক্টৰ মাটি সমূহীয়া কঠিয়াতলি পানী যোগান ধৰাৰ উপৰিও মনোহৰ শালি খেতিৰ আঁচনি লোৱা হৈছে। এই কঠিয়াতলি বিলাক দুটা পৰ্য্যায়ত লোৱা হৈছে। প্ৰথম পৰ্য্যায়ত ৩ হেজাৰ হেক্টৰ মাটি জুলাই মাহৰ শেষলৈকে আৰু দিতীয় পৰ্য্যায়ৰ আগষ্ট মাহৰ ১৫ তাৰিখৰ পৰা ২০ তাৰিখৰ ভিতৰত কঠিয়া পৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীবলোভদ্ৰ তামুলী : অধ্যক্ষ মহোদয়, শালি খেতিৰ বতৰ গলেই, ৰবি শষ্যৰ বাবে আগতীয়াকৈ কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আচলতে মই কথাখিনি বুজাই দিবহে বিচাৰিছো। ৰবি শষ্যৰ বাবে যদি খৰাং বতৰ বাহাল থাকে তেতিয়া হলে আমি কৰিব লগা একো নাই। তথাপিও ইয়াৰ কাৰণে যাতে অন্য ধৰণৰ ৰবি খেতি যেনে তৈল্য শষ্যৰ খেতি আৰু মাহৰ খেতি কৰিব পৰা যায় তাৰ বাবে সময়োচিত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীদুৰ্গাদাস বড়ো : দৰং জিলাৰ কাৰণে সাহায্য পঠোৱা বুলি কৈছে। এই সাহায্যৰ ভিতৰত ওদালগুৰী মহকুমাৰ কিমান পঠোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) : দৰং জিলাত ২$\frac{1}{2}$ লাখ টকা সাহায্য দান কৰা হৈছে কিন্তু মহকুমা ভিত্তীৰ হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই।

কুমাৰ দীপক দাস : সাহায্যৰ বাবে কিমান টকাৰ আচনি লৈছে জনাবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সাহায্য দুটা পৰ্য্যায়ত দিয়া হৈছে। প্ৰথম পৰ্য্যায়ত ২০ লাখ টকা আৰু দ্বিতীয় পৰ্য্যায়ত ১০ লাখ টকাৰ আচনি লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, আহু খেতি গল, শালি খেতিৰ বতৰো যাওঁ যাওঁ, চৰকাৰে এতিয়াই ব্যপক হাৰত মাহ জাতীয়, তেলজাতীয় খেতিৰ বাবে পৰিকল্পনা হাতত লবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ এই সম্পৰ্কে যাবতীয় নিৰ্দ্দেশ ইতিমধ্যে দিয়াই হৈছে ।

শ্ৰীদিলীপ শইকীয়া ঃ অধ্যক্ষ মহোদয়, খৰাং পিড়ীত অঞ্চলৰ কাৰণে সাহায্য দিয়া হৈছে । কিন্তু ইতিমধ্যে যি বিলাক খেতি পোকে ধৰিছে সেই বিলাকৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে এটা সুকীয়া প্ৰশ্নৰ প্ৰয়োজন । তথাপি পোকে ধৰা ধান খেতিত প্ৰতিষেধক ঔষধ চতিয়াৰ কাৰণে পঠোৱা হৈছে ।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ ঃ অসমৰ যি কোনো অঞ্চলকে খৰাং পিড়ীত অঞ্চল বুলি ধৰা হৈছে নেকি ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ যি বিলাক ঠাইৰ পৰা বৰষুণ নোহোৱা বাতৰি আহি আছে সেই বিলাক ঠাইকে আমি খৰাং পিড়ীত অঞ্চল বুলি ধৰা হৈছে ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, খৰাং পিড়ীত অঞ্চলৰ সাহায্যৰ বাবে প্ৰথম পৰ্য্যায়ত ২০ লাখ আৰু দ্বিতীয় পৰ্য্যায়ত ১০ লাখ মুঠ ৩০ লাখ টকা কম হোৱা নাইনে ? ইয়াক বৃদ্ধি কৰিবৰ বাবে কৃষি বিভাগে তত্‌কালীন কি ব্যৱস্থা লৈছে আৰু মোৰ দ্বিতীয় প্ৰশ্ন হৈছে অসমৰ কোন কোন অঞ্চল মহকুমা ভিত্তীত ক্ষতিগ্ৰস্ত হৈছে ।

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ খৰাং পৰিস্থিতিৰ অৱস্থাৰ বাবে বিভাগীয় ভাবে বেচি টকা পোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ সাহায্য মঞ্জুৰীৰ কাৰণে এখন আচনি পঠোৱা হৈছে । তেখেতৰ দ্বিতীয় প্ৰশ্ন উত্তৰত কওঁ যে অসমৰ

কেইখনমান জিলাৰ বাদে প্ৰায় ভাগ জিলাতে নুন্যতম বৰষুণ হৈছে। তাৰ ভিতৰত বেচিকৈ বিভাগীয় ভাবে পোৱা বাতৰি মতে দৰং জিলা, সৰুপথাৰ নগাওঁ আৰু কামৰূপ জিলা অন্যতম। ইয়াৰ বাদেও ধুবুৰী, গোৱালপৰা জিলাটো কম বেছি পৰিমাণে খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, খৰাং পিড়ীত জিলা সমূহ দুৰ্ভিক্ষ পিড়ীত অঞ্চল বুলি ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কিবা স্মাৰক পত্ৰ দিয়া হৈছে নে ? যদি দিয়া হোৱা নাই স্মাৰক পত্ৰ দিয়াৰ ব্যৱস্থা কৰিবনে।

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে ইতিমধ্যে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা হাতত লৈছে।

শ্ৰীআমিনুল ইছলাম ঃ মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ধুবুৰী জিলা খৰাং পিড়ীত কিন্তু যিহেতুকে ধুবুৰী আৰু গোৱালপাৰা জিলাৰ ভৌগোলীক অৱস্থান একে বুলি মই জানো, সেইফালৰ পৰা মই কওঁ যে গোৱালপাৰা জিলাত যিমান বৰষুণ হৈছে ধুবুৰীত তাতকৈ কম হৈছে। গতিকে ধুবুৰীকো খৰাং পিড়ীত অঞ্চল বুলি নধৰিব জানো।

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অসমৰ প্ৰায় বিলাক অঞ্চলকে খৰাং পিড়ীত অঞ্চল বুলি ঘোষণা কৰা হৈছে, বিধায়ক জনে ধুবুৰী আৰু গোৱালপাৰাৰ যিটো কথা কৈছে সেই কথাটো মই মোৰ প্ৰশ্নোত্তৰতে মই উল্লেখ কৰি গৈছো।

Shri Abdul Hamid Majumdar : Hon'ble Speaker Sir, may I know from the Minister incharge what is the percentage of rainfall during this year ?

Shri Nilamani Das (Minister, Agrieulture) : Respected Speaker Sir, the data is not available but it is in between 30 to 35 percent of the previous years.

## Re : E. M. T. C.

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

* ১৫৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) E. M. T. C. ৰ (Entrepreneurs Motivation Training Centre) ৰ যোগেদি মুঠতে কিমান লোকক ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ Motivated কৰা হৈছে বা Training দিয়া হৈছে ?

(খ) E. M. T. C. ৰ যোগেৰে প্ৰশিক্ষণ প্ৰাপ্ত কিমান নিবনুৱাই ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ উদ্যোগ স্থাপন কৰিছে আৰু ইয়াৰ দ্বাৰা ঋণ কিমানে পাইছে ?

(গ) কিমানজন প্ৰশিক্ষণ প্ৰাপ্ত যুৱকে এতিয়াও ঋণ পোৱা নাই ?

(ঘ) ঋণ নোপোৱা লোক সকলক ঋণ দিয়াৰ বাবে কিবা ব্যৱস্থা লৈছেনে ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ।

১৫৬। (ক)—E. M. T. C. ৰ যোগেদি ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ ৭৯১৮ জন লোকক Motivated বা Training দিয়া হৈছে ।

(খ) E. M. T. C. ৰ যোগেদি ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ ১৮১ জন নিবনুৱাই উদ্যোগ স্থাপন কৰিছে আৰু ইয়াৰ দ্বাৰা ১১৩৬ জনে ঋণ পাইছে ।

(গ)—৮৪৪ জন প্ৰশিক্ষণ প্ৰাপ্ত যুৱকে এতিয়াও ঋণ পোৱা নাই ।

(ঘ) —প্ৰশিক্ষাৰ্থী আৰু বেংকৰ লগত এই বিষয়ত যোগাযোগ কৰি থকা হৈছে ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, প্ৰশিক্ষন কিমানে পালে আৰু ঋণ কিমানে পালে ইয়াৰ মাজত পাৰ্থক্য কি ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় সংখ্যাবোৰ দি দিয়া হৈছে তাৰ পৰাই সকলোৱে উলিয়াই লব পাৰে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো। সদস্য হিচাবে মোৰ প্ৰশ্ন সুধাৰ অধিকাৰ আছে। গতিকে তেখেতে সদনত কব লাগে।

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) অধ্যক্ষ মহোদয়, পাৰ্থক্যটো উলিওৱা হোৱা নাই অংক কৰি উলিয়াব লাগিব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ পাৰ্থক্যটো মোক এতিয়াই লাগে। এই সকল লোকক কি কাৰণে ঋণ দিয়া নাই। যি সময়ত আমাৰ ৰাজ্যত হেজাৰ জন নিবনুৱা বহি আছে সেই সময়ত ঋণ কিয় দিয়া হোৱা নাই ?

শ্ৰীদ্বীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পাৰ্থক্যটো অংক কৰি উলিয়াব লাগিব এইটো কোৱাত এতিয়া অসুবিধা আছে। ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ ৭,৯১৮ জন লোকক প্ৰশিক্ষণ দিয়া হৈছে আৰু ঋণৰ ক্ষেত্ৰত ১৯৮০ চনৰ পৰা ৮৫ চনলৈ ১৫১ জন নিবনুৱাই উদ্যোগ স্থাপন কৰিছে আৰু ইয়াৰ দ্বাৰা ১১৩৬ জনে ঋণ পাইছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মই মন্ত্ৰী মহোদয়ৰপৰা জানিব বিচাৰিছো এই যে প্ৰায় সাত হাজাৰ মানুহে প্ৰশিক্ষণ লৈছিল সেই সকলক প্ৰশিক্ষণ কাৰ্য্য সূচীত আচনি প্ৰস্তুত কৰিবলৈ শিকোৱা হৈছিল নে নাই ? তেনে প্ৰশিক্ষণ দিয়ে নেকি ? নহলে প্ৰশিক্ষণ লোৱাৰ পিচতো কিয় উদ্যোগ বিষয়াৰ ওচৰলৈ আচনি প্ৰস্তুতকৰণৰ কাৰণে যাবলগীয়া হয় ?

শ্ৰীদ্বিগেন বৰা (উদ্যোগ মন্ত্ৰী) ঃ আচনি প্ৰস্তুত কৰিবৰ কাৰণে প্ৰশিক্ষণ দিয়া হয় আৰু তেওঁলোকে ব্যৱসায় বা উদ্যোগ আদি খুলিবৰ কাৰণেও প্ৰশিক্ষণ দিয়া হয় কিন্তু প্ৰশিক্ষণ লোৱাৰ পিচত যদি কোনো ব্যক্তিয়ে

আচনি প্ৰস্তুত কৰি আমাৰ বিভাগলৈ নাহে সেইটো আমাৰ বিভাগৰ দোষ নহয়।

শ্ৰীজয়নাথ শৰ্ম্মা : অসমৰ নিবনুৱাৰ সমস্যা সমাধান কৰিবলৈ আৰু প্ৰশিক্ষণ আৰু অধিক কৰিবলৈ, লগতে আচনি প্ৰস্তুত কৰিব পৰা প্ৰশিক্ষণ দিয়া হয় বুলি মন্ত্ৰী মহোদয়ে কৈছে যদিও প্ৰশিক্ষণ লোৱাৰ পিচত আচনি প্ৰস্তুত কৰিব নোৱাৰে। ইয়াৰ কাৰণে প্ৰশিক্ষণ যি সকলে দিয়ে তেওঁবিলাকৰ দোষ নে পাঠ্যক্ৰমৰ ভুল এইটো চাই প্ৰশিক্ষণৰ পাঠ্যক্ৰম উন্নত কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লবনে? দ্বিতীয় কথা প্ৰতি মাহে জিলা ভিত্তিত কিমানক প্ৰশিক্ষণ দিয়া হৈছে?

শ্ৰীদ্বিগেন বৰা (উদ্যোগ মন্ত্ৰী) : প্ৰশিক্ষণ যাতে উন্নত কৰিব পৰা যায় সেই বিষয়ে আমি চিন্তা চৰ্চ্চা কৰি আছো আৰু প্ৰতি মাহে জিলাভিত্তিক প্ৰশিক্ষণ দিয়া লোকৰ সংখ্যাও উলিয়াব পৰা যাব।

বি : কৃষি মহকুমা ঘোষণা

শ্ৰীজগত হাজৰিকাই সুধিছে :

*১৫৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ নাৰায়ণপুৰ অঞ্চলক কৃষি মহকুমা বুলি ঘোষণা কৰাৰ পৰিকল্পনা চৰকাৰৰ আছে নেকি?

(খ) যদি নাই, তেতিয়া হলে উত্তৰ লক্ষীমপুৰৰ ভিতৰত অন্যতম শস্যৰ ভঁড়াল এই অঞ্চলক কৃষি মহকুমা বুলি ঘোষণা কৰিবনে?

শ্ৰীনীলমণি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৫৭। (ক)—অকল নাৰায়ণপুৰ অঞ্চলক সামৰি কৃষি মহকুমা বুলি ঘোষণা কৰাৰ পৰিকল্পনা সদ্যহতে নাই।

(খ)—১৯৮৬-৮৭ চনত বৰ্ত্তমান উত্তৰ লক্ষীমপুৰ মহকুমাৰ বিহুপুৰিয়া

আৰু নাৰায়ণপুৰ উন্নয়ন খণ্ড মিলাই এটা নতুন কৃষি মহকুমা স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

শ্ৰীজগত হাজৰিকা ঃ বোকাখাটত এটা কৃষি মহকুমা স্থাপন কৰাৰ কাৰণে আবেদন নিবেদন কৰি অহা হৈছে এই বিষয়ত চৰকাৰে কিবা সিদ্ধান্ত লৈছে নে ?

শ্ৰীনীলমণি দাস ঃ ( কৃষি মন্ত্ৰী ) এইটো সুকীয়া প্ৰশ্নৰ প্ৰয়োজন যদিও বোকাখাটৰ ওচৰে পাজৰে এটা কৃষি মহকুমাৰ প্ৰস্তাৱ আছে।

বি ঃ চাহবাগিচাৰ ৰাস্তা

শ্ৰীনৰেন তাতীয়ে সুধিছে ঃ

*১৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চাহ বাগিচা অঞ্চলত থকা ৰাস্তা সমূহ গড়কাপ্তানী বিভাগে লোৱাৰ কথা কিবা চিন্তা কৰিছেনে ?

(খ) যদি কৰিছে কেনে ধৰণৰ জনাবনে ?

(গ) যদি নাই কৰা, কিয় কৰা নাই জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৫৮। (ক)—নাই কৰা।

(খ)—প্ৰশ্ন নুঠে।

(গ)—চাহ বাগানৰ ৰাস্তা সমূহ চাহ বাগানৰ কৰ্তৃপক্ষই নিজে কৰা আৰু গতিকে তেওঁলোকৰ নিজা সম্পত্তি। এনেধৰণৰ ব্যক্তিগত ৰাস্তা বিলাক লোৱাৰ আৰু সংৰক্ষন কৰাৰ কাৰনে গড়কাপ্তানী বিভাগৰ কোনো ব্যৱস্থা নাই।

শ্ৰীনৰেন তাঁতী ঃ অধ্যক্ষ মহোদয়, অসমৰ প্ৰায়ভাগ অঞ্চলতে চাহ বাগানৰ

মাজেদি প্ৰায় ত্ৰিশ চল্লিশ মাইল ৰাস্তা মুল পথেদি যাব লগীয়া হয়। গতিকে চাহ বাগানৰ ভিতৰত পৰা ৰাস্তা বিলাক যদি গড়কাপ্তানী বিভাগে বা চৰকাৰে নলয় তেতিয়া কেৱল বাগানৰ মেনেজমেণ্টকে দিলে তেওঁলোকে সময়ত প্ৰাইভেট বুলি ৰাস্তা অন্যতো দূৰৰ কথা আনকি আমাৰ বিধায়ক সকলকো যদি অহা যোৱাত বিধি নিষেধ আৰোপ কৰে তেতিয়াহলে আমাৰ কবলগীয়া নাথাকিব। চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱাৰ কাৰণে পানী যোগান, স্বাস্থ্য, চিকিৎসা আদি সকলো ব্যৱস্থাৰ কাৰণে প্ৰায় পঞ্চল্লিশ লাখ মানুহৰ কাৰণে সকলো সময়তে নাভাবি কেৱল ইলেকচনৰ সময়ত ভোট বিচাৰি গলেই নহব।

( ভইচ ঃ প্ৰশ্নটো কি ? )

এই বিলাক কথাও প্ৰশ্নটোৰ লগত জড়িত। ইয়াত মাননীয় অধ্যক্ষ মহোদয়ৰ বাহিৰে আন কাৰো মাত মতাৰ অধিকাৰ নাই। অধ্যক্ষ মহোদয়ে মোক এই বিষয়ত কিবা কব পাৰে। এতিয়া দেখা গৈছে গোটেইখিনি ৰাস্তা চাহ বাগানৰ মাজেদি তেওঁলোকৰ ৰাস্তাৰে খোজকাঢ়ি যাব লাগে। তেতিয়াহলে আমাৰ চৰকাৰে বহি বহি কি কৰি আছে জানিব পৰা নাই। মই সেই কাৰণে বিশেষ ভাবে কৈছো যে গড়কাপ্তানী মন্ত্ৰী মহোদয়ে ৰাস্তা লব লাগে বুলি কব লাগে। গোটেই বিলাক সৰু সুৰা ৰাস্তা চৰকাৰে লবলৈ কোৱা নাই কিন্তু ডাঙৰ ডাঙৰ ৰাস্তা চল্লিশ পঞ্চাশ মাইল অন্ততঃ চৰকাৰে লোৱা উচিত। ইয়াত গোটেই সদনৰ একমত বুলি জানো। কোনেও মোৰ লগত দ্বিমত নহব আৰু গড়কাপ্তানী মন্ত্ৰী মহোদয়েও লম বুলিয়েই কব লাগে। নহব বুলি কব নালাগে।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে চাহবাগানৰ ৰাস্তাসমূহ ব্যক্তিগত আৰু গড়কাপ্তানী বিভাগে নিৰ্মাণ কৰিব নোৱাৰে বা চোৱা-চিতা কৰিব নোৱাৰে। পকী ৰাস্তাৰ বাহিৰেও গড়কাপ্তানী বিভাগৰ হাতত বহুত গ্ৰেভেল ৰাস্তা আছে। তেনে স্থলত চাহবাগানৰ ৰাস্তা বিলাক লৈ বাটৰ কচু গাত ঘঁহি লব নোৱাৰে। চাহবাগানৰ পৰা সুকীয়াকৈ টকাৰ ব্যৱস্থা কৰিলে লোৱাত অসুবিধা নাথাকিব। যি ধৰণে ও-এন-জি-চি বা অ-ই-লৰ পৰা কৰা হয়। কোম্পানী বিলাকে নিজৰ উপাৰ্জনৰ পৰা টকা সুকীয়াকৈ দিলে ৰাস্তা লোৱাত আপত্তি নাই। অসমত

থকা প্ৰায় সাতশ যাঠিখন চাহবাগানৰ ৰাস্তা লবলৈ হলে বিৰাট পৰিমাণৰ ধনৰ প্ৰয়োজন হব। আমাৰ গড়কাপ্তানী বিভাগৰ হাতত থকা ৰাস্তা বিলাক কৰিয়েই ক্ষান্ত হব পৰা নাই তেনেস্থলত সেইবিলাকো সমাৰাৰ প্ৰশ্ন নাহে।

Undisposed starred Question dated 12.8.86

Re : Bishnpuriya Manipuries

Shri Monilal Goala asked :

★159: (a) Whether it is a fact that a large number of indegeneous people popularly known as Bishnupriya Manipuri are living in Assam particularly in Cachar and Karimganj District ?

(b) If so, what is their exact number ?

(c) What is the Racial, Ethnic, Cultural and Linguistic identity ?

Shri Bharat Narah, (Minister, WPT. & BC.) replied :

159. (a)—Yes.

(b)—The exact number of the Bishnupriyas in Cachar and Karimganj District was 33,590 as per 1971 Census.

(c)—No study has so far been made on the Bishnupriyas at present by this Department.

বি : টুপামাৰী স্বাস্থ্য উপকেন্দ্ৰ

শ্ৰীগোপীনাথ দাসে সুধিছে :

*১৬০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) টুপামাৰী স্বাস্থ্য উপ-কেন্দ্ৰত Nurse আৰু Female Attendent নিযুক্তি দিয়া হৈছে নে ?

(খ) যদি হৈছে, তেন্তে তেওঁলোকে নিয়মিত ভাবে কাম কৰি আছে নে ?

(গ) যদি নাই, এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীঅভিজিৎ শৰ্মা ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৬০। (ক)—হৈছে।

(খ)—হয়।

(গ)—প্ৰশ্ন নুঠে।

বি ঃ লক্ষীমপুৰৰ উপায়ুক্ত

শ্ৰীস্বৰূপ উপাধ্যায়ে সুধিছে ঃ

*১৬১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সচানে, লক্ষীমপুৰ জিলাৰ উপায়ূক্ত জনক সেই জিলাৰ পৰা বদলি কৰি আনি সচিবালয়ত কেইমাহমান কাম কৰাৰ পাচতে আকৌ উপায়ূক্ত হিচাবে একে ঠাইলৈকে (লক্ষীমপুৰ) পুনৰ বদলি কৰা হৈছে ?

(খ) এইটো সঁচানেকি যে উপায়ুক্ত জনে পুলিচৰ সহায় লৈহে কাৰ্য্যভাৰ গ্ৰহণ কৰিব পাৰিছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬১। (ক)—হয়।

(খ)—সঁচা নহয়।

Re : Bahari Bazar

Shri MUKTAR HUSSAIN asked :

★162. Will the Minister, Municipal Administration be pleased to state—

(a) Is it a fact that there is a proposal to declare Bahari Bazar of Barpeta District as a town ?

(b) Is it also a fact, it has fulfilled all conditions for declaration of a town ?

(c) If so, why Bahari Bazar has not yet been declared as a town ?

Shri SAHIDUL ALAM CHOUDHURY (Minister, Municipal Administration) replied :

162. (a)—No. There is no such proposal.

(b)—Does not arise.

(c)—Dose not arise.

Re : Ram Manikpur Medical Aid Centre

Shri DIGENDRA PURKAYASTHA asked :

*163. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that there is no staff and medicine in the Ram Manikpur Medical Aid Centre in the district of Cachar ?

(b)—If so, why ?

Shri CHANDRA MOHAN PATOWARY ( Minister, Health ) replied :

163. (a)—Yes, except the attendant.

(b)—The only other Female multipurpose worker i.e. ANM of the Ram Manikpur sub-centre has been deputed for training for six months from May 1986.

Re : Industrial Training Institute

Shri AMINUL ISLAM asked :

★164. Will the Minister, Labour be pleased to state—

(a) Is it a fact that the Government of Assam have proposed to establish some Industrial Training Institutes ?

(b) If yes, whether any suitable place in Mankachar Constituency has been considered for the establishment of such Industrial Training Institute ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬৪। (ক)—হয়।

(খ)—মানকাছাৰ সমষ্টিত উদ্যোগিক প্ৰশিক্ষণ প্ৰতিস্থান কৰিবৰ বাবে কোনো উপযুক্ত ঠাই পোৱা নগ'ল।

Re : Second Agricultural College

Shri ABDUL JALIL asked :

*165. Will the Minister, Agriculture be pleased to state—

(a) Whether sites for the proposed Second Agriculture College Assam has finally be selected or not ?

(b) If it is in affirmative, the site selected for the College ?

(c) Whether the College will be started from the current financial year ?

(d) Whether funds have been allocated in the Annual plan of 1986-87 for the purpose ?

Shri NILAMANI DAS (Minister, Agriculture) replied :

165. (a)—Yes.

(b)—The site selected for the College is at Biswanath Charali.

(c) —No.

(d)—Yes.

Re : Panchayat Election

Shri AMRITLAL BASUMATARI asked :

*166. Will the Minister, Panchayat be pleased to state—

(a) Whether the Minister, Panchayat assured the House that the Panchayat Election would be held in May, 1986 ?

(b) If so, why the election could not be held as assured ?

Shri CHANDRA ARANDHARA (Minister, Panchayat & R. D.) replied :

166. (a) & (b) Yes ; but subsequently in the same session of the House, it was clarified that though Government wanted to hold the Panchayat election in May, 1986, it might be difficult to do so due to various factors.

The Assam Panchayati Raj Bill, 1986 which was passed by the House in the last session is now awaiting the assent of the President. In the meantime, preliminary work of determination of Gaon Panchayats etc , is being completed. Steps will be taken to hold the election as soon as possible after the Bill receives the assent of the President and becomes an Act.

Re : Registration of Birth and Death

Shri MAZIRUDDIN AHMED asked :

*167. Will the Chief Minister be pleased to state—

(a) Whether the Government has adopted the policy of maintaining "Birth and Death" register under Clause 12 of the Assam Accord ?

(b) If not, whether the Government proposes to open the same ?

(c) If the question is in the affirmative then from when ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

167. (a)—Yes.

(b)—Does not arise.

(c)—Ist April 1978.

Re : Price Rise

SHEIKH ABDUL HAMID asked :

*168. Will the Minister, Supply be pleased to state—

(a) Is the Government aware that prices of essential commodities has gone beyond the reach of common people ?

(b) If so the steps, the Government has taken so far to arrest the continuous rise of prices of all essential commodities ?

Shri BIRAJ KUMAR SARMA (Minister, Food and Civil Supplies) replied :

168. (a)—The price spurt in essential commodities is an all India Phenomenon. The prices of essential commodities prevailing at the sources of supply generally dictate the prices of essential commodities in the Assam Market as most of the essential commodities are brought from outside the State by and large by road transport as the rail movement is limited and time consuming although freight is lesser than that of road transport. The road transportation freight is ultimately added to the consumers price, which eventually makes the prices of essential commodities a bit higher.

(b)—The State Government have taken the following steps to check price rise in essential commodities :—

1. Issue of subsidised rate rice and masur dal to Family Identity Card holders at the rate of 5kg. rice and 2kg. masur dal per month per family identity card has been put into operation from July 1985.

2. The local Deputy Commissioners and Sub-Divisional Officers have been requested to maintain reasonable buffer stock of essential commodities in the areas to meet the probable eventualities during the monsoon months.

3. The Food Corporation of India authorities have been requested to arrange buffer stock of 1,20,000 M. T. wheat, 1,20,000 M. T. rice, and 32,500 M. T. sugar within the State to meet the monsoon period requirement as well as to meet probable eventualities, like flood, drought etc.

4. The local Deputy Commissioners and Sub-Divisional Officers were also asked to take measures under the provision of different Acts/orders to check price lines of essential commodities, if situation demands and also to gear up enforcement activities.

5. The representatives of traders in meeting at Dispur on 21st May, 1986 were briefed to maintain smooth supply and price

lines of essential commodities in the State Market and they assured to follow the directives of the State Government. Further all out efforts are on to maintain price and supply lines of essential commodities and the Government of India has been requested to enhance the monthly State quota of rice and S. K. Oil to meet the need based requirement of the State. Finally liaison with connected Department Agencies are undertaken from time to time for movement and supply of essential commodities. State Level Monitoring-Cum-Review Committee meeting is also held at Dispur in order to review and sort out problems of movement/stock, price etc. position of essential commodities.

বি ঃ উত্তৰ শালমাৰাৰ চৰ এলেকাৰ বাবে বস্তু

শ্ৰীমকবুল হুছেইনে সুধিছে ঃ

* ১৬৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ শালমাৰা মহকুমাৰ সৃজন গ্ৰাম উন্নয়ন খণ্ড কাৰ্য্যালয়ে উক্ত চৰ এলেকাৰ উন্নয়নৰ বাবে বিভাগীয় চৰকাৰৰ পৰা কি কি বস্তু দিয়া হৈছে জনাবনে ?

(খ) সৃজন গ্ৰাম উন্নয়ন খণ্ড কাৰ্য্যালয়ৰ জৰিয়তে চৰ উন্নয়ন বিভাগৰ পৰা যোৱা ছয় মাহৰ ভিতৰত কিমানটা নলী-নাদ দিয়া হৈছে জনাবনে ?

(গ) উক্ত নলী নাদৰ স্থান নিৰ্ণয় কোনে নিৰ্দ্ধাৰণ কৰিছে জনাবনে ?

(ঘ) উক্ত নলী-নাদৰ নলীবোৰ কিমান ফুট মাটিৰ তলত বহুওৱা হৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৬৯। (ক)—এতিয়ালৈকে তলত উল্লেখ কৰা বস্তুবোৰ পঠোৱা হৈছে ঃ—

| | |
|---|---|
| (১) যন্ত্ৰচালিত নাঙ্গল | — ১ খন |
| (২) পাচ অশ্বশক্তি সম্পন্ন ডিজেল পাম্প ছেট | — ১০ খন |
| (৩) ঝৰ্ণা পাম্প ছেট | — ১০ খন |
| (৪) নলী-নাদ ছেট | — ৪৮ খন |
| (৫) পাট মিনিকিট | — ৭০ বেগ |
| (৬) ধান মিনিকিট | — ৭০ বেগ |
| (৭) ৰাসায়নিক সাৰ | — ১১০ বেগ |

(খ) যোৱা ছয় মাহৰ ভিতৰত ৪৮ টা নলী-নাদ দিয়া হৈছে।

(গ)—খণ্ড উন্নয়ণ বিষয়া আৰু মাননীয় বিধায়ক জনৰ পৰামৰ্শ মতে ইয়াৰ স্থান নিৰ্ণয় কৰা হৈছে।

(ঘ)—গড় হিচাবে প্ৰতিটো নলী ১৮-২৪ মিটাৰ গভীৰতাত পোতা হৈছে।

Re : Erosion in Dibrugarh Town

শ্ৰীকেশৰ চন্দ্ৰ গগৈয়ে সুধিছে ঃ

* 170. Will the Minister, Flood Control be pleased to state—

(a) Is it a fact that Dibrugarh Town is facing severe erosion ?

(b) If so, what measures Government is comtemplating ?

(c) Whether any amount has been provided for maintenance of Town protection works

(d) If so, what is the amount ?

শ্ৰীছামছিং হাঞ্চে (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৭০। (ক) গড়াখহনীয়া অ'ত ত'ত সময়ে সময়ে হৈ আছে।

(খ)—পৰ্য্যাপ্ত পৰিমাণৰ পুঁজি পালে খহনীয়া প্ৰতিৰোধৰ কাম হাতত লোৱা হব। চৰকাৰে এটা বৃহৎ প্ৰকল্প বিবেচনা কৰি আছে।

(গ)—ইয় ডিব্ৰুগড় সংমণ্ডলৰ অধীনত নগৰ প্ৰতিৰক্ষাৰ মেৰামতিৰ কাৰণে ৫.৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(ঘ)———ঐ———

বি ঃ বেলশৰলৈ পৰিবহন সেৱা

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ

*১৭১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটীৰ পৰা বেলশৰলৈ অসম পৰিবহন নিগমৰ বাছ চলোৱা হৈছেনে ?

(খ) যদি হৈছে, কিমানখন বাছ চলোৱা হৈছে আৰু কেতিয়াৰ পৰা ?

(গ) উক্ত বাছৰ ভাড়াৰ পৰা দৈনিক গড়ে ( চলোৱা দিনৰ পৰা ১৯৮৬ চনৰ ৩০ জুনলৈ ) আৰু তাৰ বিপৰীতে ব্যয় ( তেল, মবিলৰ খৰছ আৰু ড্ৰাইভাৰ, কণ্ডাক্টৰৰ দৰমহা আদি মুঠ ) কিমান ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৭১। (ক)—হৈছে।

(খ)—দৈনিক এখন বাছ চলে। উক্ত বাছ সেৱা ১৯৮৩ চনৰ মে মাহৰ পৰা চলোৱা হৈছে।

(গ)—বাছৰ ভাড়াৰ পৰা দৈনিক গড়ে আয় হয় ১৯২.২৩ টকা। ( তেল মবিলৰ খৰচ আৰু চালক, পৰিচালক, চৌকিদাৰ এজনৰ দৰমহাৰ বাবে ব্যয় হয় ১৭০.২০ টকা। )

বি ঃ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ প্ৰকাশিত কিতাপ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*১৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে ১৯৭৫ চনৰ পৰা ১৯৮৬ চনলৈ মুঠতে কিমান কিতাপ প্ৰকাশ কৰিছে ( নামবোৰ জনাবনে ) ?

(খ) যোৱা ১৯৮০ চনৰ পৰা আয়-ব্যয়ৰ হিচাব ধৰি বৰ্ত্তমানে প্ৰকাশৰ নিধিত কিমান টকা আছে জনাবনে ? ( বছৰ ভিত্তিত আয়-ব্যয় জনাব )।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৭২। (ক)—বুৰঞ্জী আৰু পূৰাতত্ব বিভাগে ১৯৭৫ চনৰ পৰা ১৯৮৬ চনলৈ মুঠতে তিনিখন কিতাপ (পুনৰ মুদ্ৰণ) প্ৰকাশ কৰিছে (১) কছাৰী বুৰঞ্জী (২) অংকীয়া নাট (৩) ত্ৰিপুৰা বুৰঞ্জী।

(খ)—বৰ্ত্তমানে প্ৰকাশন নিধিত ( ১৯৮৫-৮৬ ) লৈ মুঠ ৩,৯৬,১৩৫,০৩ ( তিনি লাখ ছিয়ানব্বৈ হাজাৰ এশ পয়ত্ৰিশ তিনি পইচা ) জমা আছে। বছৰ ভিত্তিত আয়-ব্যয়ৰ হিচাব তলত দিয়া হ'ল।

| বছৰ | আয় | ব্যয় | ৰাহি |
|---|---|---|---|
| ১৯৮০-৮১ | ১,৬০,৭২৪.৮৭ টকা | ১,০০,৭৬৯.৫৪ টকা | ১,৫৮,৯৫৫,৩৩ টঃ |
| ১৯৮১-৮২ | ১,৯৪,৯৫৫.৩৩ টকা | নাই | ১,৯৪,৯৫৫.৩৩ টঃ |
| ১৯৮২-৮৩ | ২,৬৯,৭২৯.৭৮ টকা | নাই | ২,৬৯,৭২৯.৭৮ টঃ |
| ১৯৮৩-৮৪ | ৩,৩৯,৫৪০.৮০ টকা | ১৬,৩৩০.০০ টকা | ৩,২৩,২১০.৮০ টঃ |
| ১৯৮৪-৮৫ | ৩,২৫,৬১২.০০ টকা | ৬,৩৫০.২০ টকা | ৩,১৯,২০১ ৮০ টঃ |
| ১৯৮৫-৮৬ | ৪,০৪,২৬১ ৪০ টকা | ৮,১২৬.৭৭ টকা | ৩,৯৬,১৩৫.০৩ টঃ |

বি ঃ বৰপেটা তাৰাবাৰী ৰাস্তা

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে ঃ

*১৭৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সঁচানে বৰপেটা জিলাৰ বৰপেটা তাৰাবাৰী ৰাস্তা পকী কৰিবৰ কাৰণে ৩৩,০০,০০০ ( তেত্ৰিশ লাখ) টকাৰ এটা প্ৰাক্‌কলন চৰকাৰৰ হাতত আছেনে ?

(খ) যদি সঁচা হয়, উক্ত প্ৰাক্‌কলনটো কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰা হব ?

(গ) যদি নহয়, তেন্তে উক্ত ৰাস্তা পকী কৰাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৭৩ (ক)—নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—যথেষ্ট পৰিমাণৰ পূজীৰ যোগাৰ হলে পৰ্য্যায় ক্ৰমে কাম হাতত লোৱা হব।

বি ঃ ককিলাবাৰী কেন্দ্ৰীয় ফাৰ্ম

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

*১৭৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা জিলাৰ ককিলাবাৰী চেণ্ট্ৰেল ষ্টেট ফাৰ্মখন ব্যাঘ্ৰ প্ৰকল্পলৈ ৰূপান্তৰিত কৰাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) এই বিষয়ে অসম চৰকাৰৰ মতামত কি জনাবনে ?

শ্ৰীনীলমণি দাস (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৭৪। (ক)—হয়।

২৮১। (ক) জাতীয় কৰ্ম নিয়োগৱলী (National Employment

Service Mannual) ত নিবনুৱা শব্দলৈ কোনো সংজ্ঞা নাই। সাধাৰণতে যি বিলাক লোকে কম পক্ষেও হাইস্কুল শিক্ষান্ত পৰীক্ষা বা সমপৰ্য্যায়ৰ পৰীক্ষা পাছ কৰিছে আৰু যি সকলে এনেধৰণৰ পৰীক্ষা পাছ কৰিব পৰা নাই, কিন্তু ৰাজ্যখনৰ কোনো কাৰিকৰি বিদ্যালয়ৰ পৰা প্ৰশিক্ষণ লাভ কৰিছে আৰু যদি তেওঁলোক নিয়োগ কেন্দ্ৰই প্ৰতিপালন কৰা নথিমতে চৰকাৰী, ৰাজহুৱা বা কোনো ব্যক্তিগত খণ্ডত নিয়োগ হোৱা নাই তেতিয়া হলে তেওঁ-লোকক শিক্ষিত নিবনুৱা বুলি ধৰা হয়।

(খ) ইংৰাজী ৩১।৩।৮৬ তাৰিখলৈকে অসমত মুঠতে ৩,৪৩,৬৪২ জন এনে-ধৰণৰ শিক্ষিত নিবনুৱা আছিল।

(গ) যদিও এনে আচনি শ্ৰম আৰু নিয়োগ বিভাগৰ নাই, নিবনুৱা পঞ্জীয়ন ভুক্ত প্ৰাৰ্থীৰ নাম বিভিন্ন প্ৰতিষ্ঠানলৈ নিয়োগকাৰীয়ে বিচৰামতে পঠাই থকা হয়।

বি: নিৰ্ব্বাচনী কাৰ্য্যত কৰ্ম্মচাৰী নিয়োগ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

২৮২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ১৪।১২।৮৫ তাৰিখে নিৰ্ব্বাচনী কৰ্ত্তব্যত মঙ্গলদৈৰ পৰা কাৰৈ-খোৱাঘাটলৈ কিমান জন কৰ্ম্মচাৰী পঠোৱা হৈছিল ?

(খ) তেওঁ লোকক কোন পথেৰে পঠোৱা হৈছিল আৰু উক্ত পথটো নতুনকৈ বনাবলে নিৰ্ব্বাচনী শিতানৰ পৰা ধন খৰছ কৰাটো সচানে ?

(গ) উক্ত ঘাটত পাৰ হবলৈ লওতে নতুনকৈ সজা পথটোৰ ব্ৰহ্মপুত্ৰ পাৰ হবলৈ যাওতে ঘাটৰ গাত লাগি থকা গৰাৰ মাটি খহি পৰি বহুটো কৰ্মচাৰী গুৰুতৰ ভাবে আহত হোৱা আৰু এজনৰ মৃত্যু হোৱাটো সচানে ? ক্ষতিপূৰণ কি দিয়া হৈছে ?

(ঘ) যদি সচা এই ঘটনাৰ বাবে দোষী বিষয়াক শাস্তি বিধানৰ ব্যৱস্থা হৈছেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৮২। (ক) মুঠ ১৮ টা ভোট গ্ৰহন কেন্দ্ৰৰ বাবে ১০৮ জন কৰ্মচাৰীক নিৰ্ব্বাচনী কৰ্ত্তব্যত কৰৈখোৱা ঘাটলৈ যোৱা ১৪।১২।৮৫ তাৰিখে পঠোৱা হৈছিল।

(খ) তেওঁলোকক ৰাষ্ট্ৰীয় পথৰ পৰা বন্দিয়া চাপৰিলৈ সজোৱা নতুন পথেৰে পঠোৱা হৈছিল। উক্ত পথটো নিৰ্ব্বাচনী শিতানৰ ধনেৰে সজোৱা হোৱা নাছিল।

(গ) দুৰ্ঘটনা ঘটাতো সচা ; এই দুৰ্ঘটনাত ৭ জন কৰ্মচাৰী গুৰুতৰ ভাবে আহত হয় আৰু তাৰে এজনৰ চিকিৎসাধীন অৱস্থা মৃত্যু হয়। চৰকাৰে গুৰুতৰ ভাৱে আহত হোৱা সকলক তৎকালিন সাহাৰ্য্যৰ উপৰিও ক্ষতিপূৰণ দিয়ে। শ্ৰীতিলক চন্দ্ৰ ডেকাক ২০ হাজাৰ টকা চিকিৎসাৰ বাবে অগ্ৰিম দিয়াৰ উপৰিও পৰিয়াললৈ ৫০ হাজাৰ টকা ক্ষতিপুৰণ দিয়ে।

(ঘ) চৰকাৰে বিষয়টো এজন অতিৰিক্ত উপায়ুক্তৰ দ্বাৰা তদন্ত কৰাইছে আৰু ইতিমধ্যে প্ৰতিবেদনখনো হাতত পৰিছেহি।

বি : অসম চুক্তি ৰূপায়ন 12/6

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ

২৮৩। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত চৰকাৰে যোৱা ছমাহত কেনেধৰণে অগ্ৰসৰ হৈছে।

(খ) অসম চুক্তি ৰূপায়নৰ বাবে চৰকাৰে বেলেগ বিভাগ এটা খুলিছে নেকি ?

(গ) যদি এনে সুকিয়া বিভাগ খোলা নাই, কেতিয়া খুলিব ?

(ঘ) অসম চুক্তি ৰূপায়নৰ বাবে বাজেটত কিবা ধন সুকিয়া ভাৱে ধাৰ্য্য

কৰাৰ ব্যৱস্থা কৰিছে নেকি ?

(ঙ) নাই কৰা যদি, কিয় কৰা নাই আৰু কৰিছে যদি, ইয়াৰ পৰিমাণ কিমান ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ।

২৮৩ । (ক) চুক্তি ৰূপায়নৰ বাবে চৰকাৰে সকলো ব্যৱস্থা লোৱা হৈছে ।

(খ) হয়, খোলা হৈছে ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) নাই কৰা ।

(ঙ) প্ৰয়োজন বোধ কৰা নাই ।

Re: Cachar Sugar Mills

KUMARI RABIDAS asked :

* 284. Will the Minister, Industries be pleased to state—

(a) Whether the Government is aware that the Cachar Sugar Mills have been closed for the last 16 months ?

(b) if so, steps taken by the Government to revive the Mills which is feeding about 20,000 people ?

(e) If not, what is the alternative proposal of the Government ?

শ্ৰীদিগেন বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

২৮৪ । (ক) চৰকাৰৰৰ এইটো বিদিত যে কাছাৰৰ চেনী কলটো ১৯৮৫-৮৬ চনৰ পৰা মানে ডিচেম্বৰ মাহ ইং ১৯৮৫ ৰ পৰা চলা নাই । যি হওক ৰাজ্য চৰকাৰে এতিয়াও কলটো বন্ধ বুলি ঘোষনা কৰা নাই ।

(খ) নেচনেল ফেডাৰেচন অব কো-অপাৰেটিভ ছুগাৰ ফেক্টৰীজ আগবঢ়োৱা পৰামৰ্শ মতে কলটো পুনৰ চালু কৰাৰ এটা প্ৰকল্প বনোৱা হৈছে। আৰু দেখা গৈছে যে এই প্ৰকল্পৰ বাবে প্ৰায় ১১ কোটি টকা মুলধন প্ৰয়োজন হব। যিহেতু কলটোৰ বাবে পৰিকল্পিত মুলধন নাই ৰাজ্যিক চৰকাৰে বিভিন্ন পদক্ষেপ আৰু উপায় বিচাৰ কৰি আছে।

(গ) উপৰোক্ত উত্তৰ (খ) ৰ মতে বিকল্প ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

বি ঃ খাদ্য নিগমৰ গুদাম

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

২৮৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰিগাওঁ মহকুমাত খাদ্য নিগমৰ গুদাম ঘৰ আছে নেকি?

(খ) যদি নাই, কিয় নাই?

(গ) কেতিয়ালৈ গুদাম ঘৰৰ ব্যৱস্থা কৰা হব?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা [অসামৰিক যোগান বিভাগৰ মন্ত্ৰী]য়ে উত্তৰ দিছে।

২৮৫। (ক) নাই

(খ) আৰু (গ) ভাৰতীয় খাদ্য নিগমৰ মৰিগাওঁ মহকুমাত নিগমৰ পৰিকল্পনা পন্যাগাৰ খোলা নাই। খাদ্য নিগমক জনসাধাৰণৰ পন্যাগাৰ খোলাৰ ব্যৱস্থা কৰা হৈ আছে।

Re : River Police Station

Sheikh Saman Ali asked :

*286. Will the Minister, Home be pleased to state—

(a) The number of River Police Station in Assam ?

(b) By whom the management of Launch boat and Vehicles of the each River Police Station are carried on?

(c) Is the management adequate according to the requirement?

(d) If not whether Govenrment will take steps to fulfil the requirement soon?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৮৬। (ক)—অসমত বৰ্ত্তমান ৪ [চাৰি]খন নদী আৰক্ষী থানা আছে।

(খ)—নদী আৰক্ষী সন্থাটোৰ দায়িত্বত থকা সীমান্ত শাখাৰ উপ-আৰক্ষী মহাপৰিদৰ্শক আৰু সংশ্লিষ্ট আৰক্ষী অধীক্ষকৰ দ্বাৰা ইয়াৰ পৰিচালনা কৰা হয়।

(গ) পৰিচালনা [Management] যথোপযুক্ত বুলি বিবেচনা কৰা হৈছে।

(ঘ)—উপৰোক্ত (গ) উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Re : Dholai Police Station

Shri Digendra Purkayastha, asked :

*287. Will the Minister, Home be pleased to state—

(a) The number of Police Out Posts in Dholai Station?

(b) Has the Government any proposal for increasing the number of Out Post?

Shri Bhrigu Kumar Phukan (Minister, Home) replied?

২৮৭। (ক)—ঢলাই আৰক্ষী থানাৰ [Police Station] অন্তৰ্গত ১ [এক] খন আৰক্ষী চকী আছে।

(খ)—বৰ্ত্তমানে ঢলাই আৰক্ষী থানাৰ অধীনত আৰক্ষী চকী বঢ়োৱাৰ কোনো প্ৰস্তাৱ নাই।

Re : Battalion Headquarter at Khojuabil

Shri Abdul Jalil, asked :

*288. Will the Minister, Home be pleased to state—

(a) Whether there is any proposal to establish a Battalion Headquarter at Khojuabil in Dalgaon L. A. Constituency ?

(b) If so whether the feasibility of the proposed site was ever tested by experts ?

(c) The necessity of establishing a Battalion Headquarter in the said constituency ?

(d) Whether the Government is aware of the fact that most part of the proposed site submerges under water during the flood ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৮৮। (ক)—দলগাওঁ থানাৰ অন্তৰ্গত খজুৱাবিলত ৩য় অসম আৰক্ষী টাস্ক ফোৰ্চ বাহিনীৰ মুখ্য কাৰ্য্যালয় স্থাপনৰ এটি প্ৰস্তাৱ আছে।

(খ)—স্থান বাচনি সমিতিয়ে প্ৰস্তাৱিত স্থানত বাহিনীৰ মুখ্য কাৰ্য্যালয় স্থাপন কৰাৰ সম্ভৱপৰতাৰ ওপৰত ইতিমধ্যে স্থান পৰিদৰ্শন কৰিছে।

(গ)—এই অঞ্চলৰ সংখ্যালঘু এলেকাত শান্তি ৰক্ষা, ওচৰৰ বৰচলা, ঢেকিয়াজুলি আদি এলেকাত অপৰাধ দমন, ওৰাঙ সংৰক্ষিত বনাঞ্চলৰ বন্য জন্তু চুৰি, হত্যা আদি নিবাৰণ, জিলা প্ৰশাসনক চৰ এলেকাত সমাজ বিৰোধী বিলাকৰ ওপৰত দৃষ্টি ৰখাত সহায় আগবঢ়োৱা ইত্যাদিৰ বাবে উক্ত ঠাইত এটি বাহিনীৰ সদৰ স্থাপনৰ প্ৰয়োজনীয়তা আছে বুলি বিবেচনা কৰা হৈছে।

(ঘ)—পূৱ আৰু উত্তৰ দিশৰ সামান্য অংশৰ বাদে এই প্ৰস্তাৱিত স্থান বানপানীত ডুব নাযায় বুলিয়েই চৰকাৰে জানে?

Re : Pancharatna River Police Station

Shri Dewan Joynal Abedin asked :

*289. Will the Minister, Home be pleased to state.—

(a) The name of the officer in charge of Pancharatna River Police Station, Goalpara ?

(b) How long he has been posted there ?

(c) Is there any public allegation against the said officer ?

(d) If so, of what nature ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২৮৯। (ক)—শ্ৰীচন্দ্ৰ কলিতা।

(খ)—২-৭-১৯৮০ তাৰিখৰ পৰা তেওঁ তাত আছে।

(গ)—তেওঁৰ বিৰুদ্ধে কোনো ৰাজহুৱা অভিযোগ দৃষ্টিগোচৰ হোৱা নাই।

(ঘ)—প্ৰশ্ন নুঠে?

Re : Cases in Police Stations

Shri Shio Sambhu Ojha asked :

*290. Will the Minister, Home be pleased to state—

(a) The number of cases registered in different Police Stations or reported directly to Government in connection with murder, attempt to murder, arsons, decoities, theft and assault with grave injuries in the state during the period starting from January last till today ?

(b) The number of cases investigated, charge sheeted and no of accuseds in connection with these cases have been arrested ?

শ্রীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬ চনৰ ১ জানুৱাৰীৰ পৰা ৩০ জুনলৈকে অসমত পঞ্জীয়ন হোৱা মুঠ অপৰাধৰ সংখ্যা হ'ল, হত্যা ৪০ টা প্ৰাণ নাশৰ চেষ্টা— ১১ টা ঘৰত জুই লগোৱা—৪২৬ টা. ডকাইতি— ২৩৯ টা, চুৰি— ৪৫০৬ টা, আৰু মাৰপিটত গুৰুতৰ জখম ২২৬৭ টা।

(খ) ইয়াৰে ৩০ জুনৰ ভিতৰত ৭৯৫৪ টা গোচৰৰ তদন্ত হৈছে, ১৮৭৩ টা গোচৰৰ অভিযোগ নামা দাখিল কৰা হৈছে আৰু ৭৫৫৫ জন অপৰাধীক গ্ৰেপ্তাৰ কৰা হৈছে।

বি ঃ করিমগঞ্জ জেলায় অপরাধের সংখ্যা

শ্রীরামেন্দ্র দেয়ে জিজ্ঞাসা করেছেন ঃ

*২৯১। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেন কি—

(ক) ১৯৮৬ ইংরাজির জানুয়ারী মাস থেকে ১ লা জুলাই পর্য্যন্ত করিমগঞ্জ জিলায় কতটা হত্যা, ডাকাতি ও চুরি জনিত অপরাধ হয়েছে ?

(খ) কত জন অপরাধীকে গ্রেপ্তার করা হয়েছে ?

(গ) বদরপুর থানা এলাকায় হত্যা ও চুরি ডাকাতির সংখ্যা কত ?

শ্রীভৃগু কুমাৰ ফুকন [গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৯১। (ক) ১৯৮৬ ইংৰাজীৰ জানুৱাৰী মাহৰ পৰা ১ লা জুলাইলৈকে কৰিমগঞ্জ জিলাত ১২ টা হত্যা, ১৬ টা ডকাইতি আৰু ২০৬ টা চুৰি হয়।

(খ) হত্যাত ৫১ জন, ডকাইতিত ১৩২ জন, আৰু চুৰিত ২০৫ জন অপৰাধী ধৃত হয়।

(গ) এই সময়ত বদৰপুৰ থানাত হত্যা, চুৰি আৰু ডকাইতি সংখ্যা এনে ধৰণৰ ঃ—

| | |
|---|---|
| হত্যা | ২ টা |
| ডকাইতি | নাই। |
| চুৰি | ২৯ টা |

Re : Fire Brigade Station

Shri AMINUL ISLAM asked :

★292. Will the Minister, Home be pleased to State :

(a) Whether it is a fact that, the Fire Brigade Station at Mankachar has been functioning in rented house ?

(b) The amount of monthly rent ?

(c) Whether the Government is aware of the fact that, the costly materials including its vehicles are damaged for not having adequate housing facilities ?

(d) If so, whether the Government have any proposal for constructing its own permanent building ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, অগ্নি-নিৰ্ব্বাপক কেন্দ্ৰটো ভাড়া ঘৰত আছে।

(খ) ঘৰৰ ভাড়া সম্পৰ্কে ১৯৬০, চনৰ ডি এফ, পি, বিধিমতে উপায়ুক্তৰ পৰা নিৰ্ভৰযোগ্য প্ৰমাণ-পত্ৰ বিচৰা হৈছে। এই প্ৰমান-পত্ৰ পোৱাৰ পিচতহে ঘৰটোৰ ভাড়া নিৰ্দ্ধাৰণ কৰা হব।

(গ) উপযুক্ত ঘৰৰ সুবিধা নথকাত এনে ধৰণৰ আহিলা-পাতি আৰু যান-বাহনবোৰ অস্থায়ী ভাৱে টম্বুৰ তলত ৰখা হৈছে যদিও এইবোৰ ৰখাৰ যাৱতীয় ব্যৱস্থা কৰি থকা হৈছে।

(ঘ) প্ৰয়োজনীয় পূজি ভিত্তিক ক্ৰমে স্থায়ী ঘৰ সজাৰ আচনি চৰকাৰৰ আছে।

বিঃ পৌৰ সভাৰ নিৰ্ব্বাচিত কমিটি

শ্ৰীৰমেন্দ্ৰ দেই জিজ্ঞাসা কৰিতেছেন :

২৯৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

(ক) আসাম ৰাজ্যেৰ কতটা পৌৰ সভায় নিৰ্ব্বাচিত কমিটি নাই ?

(খ) যদি নাই তবে কবে পৰ্য্যন্ত ৰাজ্যেৰ পৌৰসভা নিৰ্ব্বাচন হতে পাৰে ?

(গ) বদৰপুৰ পৌৰ কমিটিৰ সিদ্ধান্ত চৰকাৰেৰ আছে কি ?

শ্ৰীচাহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৯৩। (ক) সৰ্ব্বমোট ৬৪ টা মিউনিসিপালিটি ও টাউন কমিটিৰ (গৌহাটী মিউনিসিপ্যাল কৰ্পোৰেচন সহ) মধ্যে কেৱল মাত্ৰ হাইলাকান্দি মিউনিসপ্যালটিত নিৰ্ব্বাচিত সভা আছে।

(খ) যথাসম্ভৱ শীঘ্ৰেই নিৰ্ব্বাচন ও কৰাৰ ব্যাপাৰটি সৰকাৰেৰ বিবচনাধীন আছে ।

বিঃ অসম চুক্তি ঃ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

২৯৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

অসম চুক্তি ৰূপায়ণৰ বাবে চুক্তিত প্ৰতিটো দফাৰ বিপৰীতে চৰকাৰে লোৱা ব্যৱস্থা বিতং ভাৱে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৯৪। চুক্তি ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ান এখন সদনৰ মেজত ৰখা হৈছে ।

Re : Assam Accord

Shri ABDUL JABBAR asked :

★ 295. Will the Chief Minister be pleased to State—

(a) Whether Implementation of Assam Accord has been started ?

(b) If so, when and what progress has been made so far ?

(c) What modalities are prepared for the Implementation of the Accord ?

(d) Whether the State Government is proceeding with the Accord unilaterally ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) চুক্তিৰ অগ্ৰগতিৰ এখন খটীয়ান সদনৰ মেজত ৰখা হৈছে ।

(গ) বেলেগে বেলেগে দফাৰ ৰূপায়নৰ কাম বিভিন্ন বিভাগৰ দ্বাৰা কৰোৱা হৈছে । কিন্তু চুক্তি ৰূপায়ণৰ কামত বিশেষ ভাৱে চকু দিবলৈ, বিভিন্ন বিভাগৰ লগত সমন্বয় ৰাখিবৰ বাবে, অগ্ৰগতিৰ খটিয়ান লবলৈ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ ৰাখিবৰ কাৰণে অসম চুক্তি ৰূপায়ন নামে বিভাগ এটা খোলা হৈছে ।

(ঘ) যি কিটা দফা ৰাজ্য চৰকাৰে ৰূপায়ন কৰিব পাৰে সেই কেইটাত এক পক্ষীয় ভাৱেই আগ বাঢ়িছে ।

Re : Implementation of the Assam Accord

Shri AMRITLAL BASUMATARY asked :

* 296. Will the Chief Minister be pleased to State—

(a) The progress of the Implementation of the Assam Accord ?

(b) Whether Government will publish a "White Paper" reproducing the Accord and its Implementation and progress of clause wise Implementation of the Accord ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চুক্তি ৰূপায়নৰ অগ্ৰগতিৰ এখন খতিয়ান সদনৰ মেজত ৰখা হৈছে ।

(খ) নকৰে ।

# SHORT NOTICE
# QUESTIONS AND ANSWERS

বি ঃ চৰকাৰৰ বন নীতি ।

শ্ৰীগনেশ কুটুমে সুধিছে ঃ

৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নতুন চৰকাৰৰ বন নীতি কি ?

(খ) গহপুৰ বনাঞ্চলত বৰ্ত্তমান বেদখল কৰি থকা বেদখলকাৰী সকলক উচ্ছেদৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৭। (ক) ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বন নীতিয়েই (১৯৫২) বৰ্ত্তমান চৰকাৰৰো বননীতি ।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ বন নীতিয়েই বৰ্ত্তমান চৰকাৰৰ বন নীতি । 'খ' প্ৰশ্নৰ উত্তৰত মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে এই বিষয়ে চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

শ্ৰীগনেশ কুটুম ঃ মাননীয় অধ্যক্ষ মহোদয়, গহপুৰ বনাঞ্চল সম্পৰ্কে অসম বিধান সভাৰ কাৰ্য্য আৰু প্ৰক্ৰিয়া কাৰ্য্য পৰিচালনা সম্বন্ধে ৫০ নং অনুসৰি এটি চমু আলোচনা হোৱাৰ প্ৰয়োজন যিহেতু তাত ৩০ হেজাৰ বিঘা মাটি আয়তন আছে । তাৰোপৰি ৪৫ হেজাৰ বিঘা মাটি সৰ্ব্বমুঠ মাটিৰ কালি আছিল সেইটো কাগজে-পত্ৰে ওলায়েই আছে । লাখ লাখ টকা মূল্য

বন সম্পত্তিত লোকচান হয়, সি যি কাৰণতেই নহওঁক আজি বহু বছৰ ধৰি বে-দখলকাৰী সকলে খিতাপি লৈছে আৰু নানান শিক্ষানুষ্ঠান আদি গঢ়ি উঠিছে।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ প্ৰশ্নটো কি ?

শ্ৰীগনেশ কুটুম ঃ মই সেই কাৰণেই কৈছো যে এই শিক্ষানুষ্ঠান বিলাকত ৭১ খনতকৈ অধিক শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে পঢ়া-শুনা কৰি আছে আৰু তেওঁলোকৰ কাৰণে কি ব্যৱস্থা কৰা হব।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই জনাবলৈ পাই সুখী হৈছো যে এই গোটেই পৰিস্থিতিটো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Shri Charan Narzery : Mr. Speaker, Sir I have got a supplementary, I hope the Hon'ble Members will not interrupt me. Sir, the first question raised by Hon'ble Member Shri Ganesh Kutum relates to the Forest policy of the present Government, so it is a wide ranging question, anything pertaining to the forest policy may be raised here. The point I want to know from the Hon'ble Minister, Forest is whether it is a fact that wild life department is running without the Chief Conservator of Wild Life and if it is so, whether present Govt is contemplating to abolish the post of the Chief Conservator of Wild Life and put this department under the Chief Conservator of Forest. Then Sir, I also want a clarification from the Government whether it is a fact that there is a ban imposed by the Central Government on the relevant mahals ? Whether this ban is still in force and if the ban is in force, whether during the time of the present Government relevant mahals have been opened. If it is so how many such mahals have been opened. I seek clarfication on this point.

Hon'ble Speaker : The questiod is to be answered first.

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে কৈছো যে ৰাষ্ট্ৰীয় যি বন-নীতি ১৯৫২ চনৰ পৰাই কেন্দ্ৰত এই ৰাষ্ট্ৰীয় নীতি চলি আছে। সেই বন নীতিয়েই আমাৰ নীতি। তাৰ পিচত মুখ্য বন-সংৰক্ষক বন্যপ্ৰাণী পদটো খালি হৈ থকা কথাটো সত্য। এই পদটো এতিয়াও পূৰণ কৰিব পৰা হোৱা নাই আৰু বিশেষ গুৰুত্ব সহকাৰে এই পদটো পূৰণ কৰিবলৈ বিবেচনা কৰি থকা হৈছে। এই পদটো উঠাই দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। হাতী পোৱালী ধৰালৈ কব বিচাৰো যে এই বিষয়ে আমাৰ বৰ্ত্তমান চৰকাৰৰ হাতত কোনো তথ্য-পাতি নাই।

Shri Charan Narzary : Not allocations Sir, I want classification. Whether elephent mahals have been opened.

Shri Binai Khungur Basumatary : Whether Government is aware that most of the people residing in Gohpur Reserve Forest are the earthquake victim of 1950 ? Initially Gohpur Reserve Forest was open to settle the earthquake victim of Sonitpur and Lakhimpur district. Is the Government aware of this ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই অৱগত নহয়।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, বন মন্ত্ৰী যে ইতিমধ্যে কৈছে ৰাষ্ট্ৰীয় বন নীতিয়েই আমাৰ বন নীতি। আকৌ কৈছে যে এই বনাঞ্চলত যিবিলাক মানুহ আছে সেই বিলাকক উচ্ছেদ কৰিব লাগে। কথা হ'ল আমাৰ দৈয়াং বনাঞ্চল আৰু ৰেংমা বনাঞ্চলত ১৯০৫ চনৰ পৰা তাত মানুহ আছে। এই বনাঞ্চল বিলাকত দুই লাখ মানুহ আছে তাৰে ডেৰ লাখ মানুহ জনজাতীয়। এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা লৈছে। এই বনাঞ্চলত ৰাষ্ট্ৰীয় যি বন নীতি আছে এই নীতি উলংঘা কৰা হৈছে বুলি ভাৱে নেকি ? ১৯৭৯ চনত জনতা চৰকাৰে দৈয়াং বনাঞ্চল মুকলি কৰি উৎসৱ পাতিছিল। গতিকে মই জানিব বিচাৰিছো যে দৈয়াং বনাঞ্চল আৰু ৰেংমা বনাঞ্চলক জনাঞ্চল ঘোষনা কৰাৰ সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম মন্ত্ৰী সভাৰ বন মন্ত্ৰী হিচাবে মোৰ দায়িত্ব আৰু কৰ্ত্তব্য হল বনাঞ্চল বিলাক ৰক্ষণা বেক্ষণ কৰাতো। বনাঞ্চল বিলাক বেদখলকাৰীৰ পৰা ৰক্ষা কৰাতো। সেই কাৰণে অসমৰ বনাঞ্চল সমূহ মাটিহীন মানুহৰ নামত বেদখলকাৰীৰ হাতত গতাই দিব নোৱাৰো। কিন্তু অপ্ৰিয় হলেও সত্য যে আগৰ চৰকাৰে অসমৰ কিছুমান বনাঞ্চল মাটিহীন লোকৰ নামত বহুত মানুহক সুমোৱাই দিয়াত বনাঞ্চল বিলাক বৰ্ত্তমান বেদখলকাৰীৰ হাতত আছে। গহপুৰ, দয়াং আদি বনাঞ্চল বিলাক পৰিভ্ৰমন কৰি দেখিছো গছৰ সলনি মানুহ আছে। সেই কাৰণে গোটেই পৰিস্থিতিটোৰ বিষয়ে ঘপহকৈ উত্তৰ দিব নোৱাৰো। আৰু ৰাষ্ট্ৰীয় বন নীতিৰ পৰিবৰ্ত্তন কৰাৰ প্ৰশ্ন নুঠে। তথাপি বেদখলকাৰী মানুহৰ হাতৰ পৰা বনাঞ্চল কেনেকৈ উদ্ধাৰ কৰিব পৰা যায় সেই বিষয়ে চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীগোলোক ৰাজবংশী ঃ— শুনিতপুৰত হাতীৰ মহল বন্দবস্তী দিয়া হৈছে নেকি ? আৰু হাতী ধৰা হৈছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ— আমি কোনো হাতীৰ মহল খুলি দিয়া নাই। কিন্তু কিছুমান মানুহে হাতীয়ে উপদ্ৰপ কৰা বুলি অভিযোগ দিয়াৰ পাচত হাতী কেইটামান ধৰিবলৈ নিৰ্দেশ দিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ—নতুন চৰকাৰৰ বন নীতি কি ? সমগ্ৰ অসমত গছ কটা সম্পুৰ্ণ ভাবে বন্ধ কৰাৰ কাৰণে চৰকাৰে কিবা পলিচি কৰিব নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে জানে নিশ্চয় যে অনিৰ্দিষ্ট কাললৈ গছ কটাতো বন্ধ কৰি ৰাখিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ— খৰিৰ নামত কেতবোৰ ঠাইত গছ কাটি আছে নেকি ? এতিয়া সম্পুৰ্ণভাবে বন্ধ কৰিব লাগে। ২য় কথা হল যে এইটো সকলোৱে স্বীকাৰ কৰিব আমাৰ বন নীতি ভুল হোৱাৰ কাৰণে বনাঞ্চল সমূহত বেদখল কৰিবলৈ সুবিধা পাই আহিছে। এতিয়া সকলো ঠাইত যাতে বনাঞ্চলত বেদখল কৰিব নোৱাৰে তাৰ কাৰণে চৰকাৰে এটা সুদৃঢ় নীতি লব নেকি ?

তয়া কথা হল দৈনিক অসম কাকতত প্ৰকাশ পাইছে কেন্দ্ৰীয় চৰকাৰে কাজিৰঙাৰ সম্পৰ্কত এক বৃহত আচনিৰ কাৰণে ৫ কোটি টকা মঞ্জুৰ কৰিছে। কাজিৰঙাৰ চাৰিওফালে চৰ অঞ্চলত কেতবোৰ সন্দেহযুক্ত বিদেশী লোক থকাত কাজিৰঙাৰ গড় সমূহ হত্যা কৰাত চোৰাং চিকাৰৰ বাহ হৈছে। গতিকে কাজিৰঙাৰ চাৰিও কাষে থকা এই চৰ অঞ্চল অভয়া অৰণ্য হিচাবে ঘোষণা কৰাৰ কাৰণে নীতি লব নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীয়ে একেলগে ৬ টা মান প্ৰশ্ন কৰাত মোৰ অসুবিধা হৈ গৈছে। তথাপি মই কওঁ যে ৰাষ্ট্ৰীয় বন নীতিৰ কাৰণে বনাঞ্চল বিলাকৰ এই অৱস্থা হৈছে এইটো ভিত্তিহীন কথা। বনাঞ্চল সমূহত বেদখলকাৰী সোমোৱা কাৰণে, বনাঞ্চল ধ্বংস হোৱা কাৰণে আগৰ চৰকাৰৰ নেতৃবৃন্দ বিধায়কে হওক বা মন্ত্ৰীয়ে হওক তেওঁলোকক দোষাৰূপ কৰিব লাগিব। ৰাষ্ট্ৰীয় বননীতি নহয়। ৰাষ্ট্ৰীয় বননীতিত আছে আমি বয়সস্থ গছ কাটিব পাৰো। আগৰ চৰকাৰে যধে মধে গছ কাটিবৰ কাৰণে এধক পাৰমিট দিছিল। এতিয়া তাক স্থগিত ৰাখিছো। বয়সস্থ গছ বিলাক হে কটা হব। কেন্দ্ৰীয় চৰকাৰে বন্য প্ৰাণী নতুন আচনিৰ বাবে ৫ কোটি টকা দিয়া বুলি বাতৰি কাকতত ওলাইছে। অৱশ্যে এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰা নাই। আৰু কাগজ পত্ৰও পোৱা নাই। মাননীয় সদস্যই যিবিলাক পৰামৰ্শ দিছে নিশ্চয় গুৰুত্বপূৰ্ণ বুলি ভাবিছো। এইটো চৰকাৰে বিবেচনা কৰি চাব।

## Re : Hospital facilities

Shri DEBA KUMAR BORA asked :

8. Will the Minister, Health be pleased to state :

(a) Whether Govt. is considering any new scheme for expansion of Hospital facilities to the remote areas ?

(b) If so, the details of the Plan targets fixed in this financial Year ?

(c) The places to be covered under the expansion plan of new Hospital construction ?

Shri CHANDRA MOHAN PATOWARY (Minister, Health & F W) replied :

8. (a) Yes.

(b) Sub-Centre- 500
Primary Health Centres—35
Community Health Centres – 7
(30 bedded Rural Hospitals)

(c) For expansion of Primary Health care in Rural areas of the State, Govt. have recently selected 48 places and 152 places for construction of 30 beded Rural Hospitals and Primary Health Centres respectively during the 7th Five Year Plan period.

শ্ৰীদেব কুমাৰ বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ৩০ খন বিচনাযুক্ত হাস্পাতালৰ স্থান সম্পৰ্কে ঘোষণা দিলে সন্তুষ্ট হম।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, যিখিনি পিচত বঢ়াই দিয়া হৈছে সেইখিনি এতিয়া দিব নোৱাৰিম। কাৰণ যিখিনি সময়ত লিষ্ট তৈয়াৰ কৰা হৈছিল, সেইখিনি সময়ত সকলো বিলাক সদস্য উপস্থিত নাছিল। তেখেত সকল পাচত আহি দিছে। গতিকে ৰাইজৰ প্ৰতি লক্ষ্য ৰাখি কথা খিনি বিবেচনা কৰি আৰু কেইটামান দিছো। প্ৰথমতে কৰা লিষ্ট খন আছে। ধুবুৰী জিলাৰ বিলাসীপাৰা, আগমনি দিয়া আছিল ৰাইজে আপত্তি কৰাত সলনি কৰি দিয়া হৈছে। ৰংজুলী (টি, এচ, পি) বিদ্যাপুৰ আৰু বিজনী। কামৰূপ জিলাৰ বেজেৰা গোৰেশ্বৰ (টি, এচ, পি)। মিৰ্জ্জা। বৰপেটাৰ বৰপেটা ৰোড, জালাহ আৰু হাউলি। নলবাৰীৰ মচলপুৰ, তামুলপুৰ, তিহু আৰু বিনন্দি ডেকা প্ৰাথমিক সিকিৎসালয়। দৰং জিলাৰ খৈৰাবাৰী, দেওমুৰনৈ, ধলাই, গহপুৰ। নগাওঁ জিলাৰ ধিং, ৰহা, কামপুৰ, বেবেজীয়া, কোৰাৰতোল। যোৰহাট জিলাৰ

তিয়ক, গোগামুখ, চাৰিগাওঁ, ডেৰগাওঁ, সৰুপথাৰ (পি, এচ, পি,) বোকাখাট। যোৰহাট জিলাত তিয়ক সমষ্টিৰ অন্তৰ্ভুক্ত কৰা হৈছে। শিবসাগৰ জিলাৰ ডিমু, পাতচাকু, সাপেখাতি। ডিব্ৰুগড় জিলাৰ ডুমডুমা, ৰাজগড়, টিংখং, মৰান আৰু ডাঙৰি। লক্ষিমপুৰ জিলাৰ ধকোৱাখানা, জোনাই, নাওবৈচা, পূবমাছখোৱা। কাছাৰৰ কালাইন। কৰিমগঞ্জ জিলাৰ শ্ৰীগৌৰী, পাথাৰকান্দী। এই কেইখন ৩০ খন বিচনা যুক্ত হস্পিতাল লৈছে। আৰু কিছু লোৱা হৈছে সেই খিনি এতিয়া সদনত দাঙি ধৰিব নোৱাৰো।

Shri Binai Khungur Basumatari—Whether the 100-beded Sub-Divisional Hospital at Udalguri will be started this year ?

Shri Chandra Mohan Patowary, (Minister) – It will depend upon the availability of fund. Government is really interested to start the hospital at Udalguri. We will consider this and see that this hospital is started this year provided the fund is available.

শ্ৰীদেৱ কুমাৰ বৰা ঃ— যোৰহাট জিলাত এখন চিভিল হস্পিতাল আছে আৰু ডিব্ৰুগড়ত এখন মেডিকেল কলেজ আছে। গতিকে যোৰহাটৰ পৰা বেচি সংখ্যক ৰোগী ডিব্ৰুগড় মুখী হৈ থাকে। সেই ক্ষেত্ৰত ডিব্ৰুগড়লৈ যাওতে পিচপৰা অঞ্চলত স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হলে ভাল আছিল। তিয়কত ৩০ খন বিচনা যুক্ত হস্পিতাল আছে। নগালেণ্ডৰ সীমান্ত বৰ্ত্তী বৰহোলা মেৰাপানী অঞ্চলত দিয়া হলে ভাল আছিল।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী)ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম লিষ্ট খন চিলেক্ট কৰা সময়ত মাননীয় সদস্য গৰাকী উপস্থিত নাছিল। এতিয়া মাননীয় সদস্য সকলৰ পৰা লিষ্ট পাইছো। মেৰাপানী লিষ্টত আছে। যিবিলাক হস্পিতাল ঘোষণা কৰা হৈছে সেইবিলাকৰ প্লেস এষ্টিমেট কৰিবলৈ দিয়া হৈছে আৰু একেলগে কাম আৰম্ভ কৰা হব।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ— দক্ষিন শালমাৰাত ২ লাখ জনসংখ্যাৰ ভিতৰত কোনো হস্পিতাল নাই। গতিকে তাত এখন ৩০ খন বিচনা যুক্ত

হস্পিতাল কৰা হব নে ?

শ্ৰীঅমৃতলাল বসুমাতাৰী :— গোছাই গাওঁৰ কথাটো বিবেচনা কৰিলেনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) :— ফাণ্ডৰ অভাৱত কিছু হস্পিতাল কৰাত অসুবিধা হৈ আছে কিন্তু মাননীয় সদস্য জয়নাল আবেদিন ডাঙৰীয়াই কোৱা হস্পিতাল খন ইতিমধ্যে চৰকাৰে লৈছে ।

কুমাৰ দীপক দাস :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে এই ৩০ খন বিচনা যুক্ত হস্পিতাল কৰোতে কিমান টকা খৰছ হব আৰু ৰিমোট এৰিয়া মানে কিজাইছে ?

শ্ৰীদুৰ্গা দাস বড়ো :—অধ্যক্ষ মহোদয়, বাতৰি কাকতত ওলাইছে যে পানেৰী সমষ্টিত এখন ৩০ খন বিচনা যুক্ত হস্পিতাল কৰা হব । এতিয়া তাত যদি নহয় কেনেকুৱা ধৰণৰ কথা হ'ব ? মাননীয় সদস্য বিনয় বসুমতাৰীয়ে কৈছে যে ওদালগুৰীত ১০০ খন বিচনা যুক্ত হস্পিতাল কৰা হব নেকি ? মন্ত্ৰী মহোদয়ে কৈছে যে ফাণ্ডৰ ওপৰত নিৰ্ভৰ কৰা হব। ইমান বিলাক হস্পিতাল কৰাৰ ফাণ্ড পাইছে নেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ( মন্ত্ৰী ) :—ভাৰত চৰকাৰে নতুন পলিচি কৰিছে যে, গাওঁ অঞ্চলত সিকিৎসালয়ৰ সম্প্ৰসাৰণৰ কাৰণে নিম্নতম প্ৰয়োজনীয় আচনিত যিমান টকা লাগে দিছে। টাউনৰ হস্পিতালৰ কাৰণে পইচা সীমিত। এই বিলাক কৰিবলৈ হলে আমাৰ পলিচি নহয় ভাৰত চৰকাৰৰ পলিচি ।

শ্ৰীমতী জোৎস্না সোনোৱাল :—মাননীয় অধ্যক্ষ মহোদয়, ১২৬ নং শদীয়া সমষ্টিত এটা মহকুমা আছে। তাত হস্পিতাল নাই। মানুহ বিলাক অৰুনা-চললৈ পঠিয়াই থাকিব নে ইয়াত সিকিৎসা কৰাৰ ব্যৱস্থা কৰিব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ( মন্ত্ৰী ) :—শদীয়া সমষ্টিত অগ্ৰাধিকাৰ দিয়া হৈছে। দাঙৰীত এখন ৩০ খন বিচনা যুক্ত হস্পিতাল কৰাৰ যত্ন কৰা হৈছে ।

Mr. Speaker : I have received 4 notices for raising matters in the Zero Hour. I request Shri Golak Rajbanshi to speak.

শ্রীগোলোক ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, ১০ তাৰিখে প্ৰকাশ হোৱা বাতৰিটোৰ প্ৰতি মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। বাতৰিটো দিল্লীৰ পৰা প্ৰচাৰিত এখন কাকতত ওলাইছে। প্ৰচাৰকৰ নামো দি দিছে। এই বাতৰিটো কেপশ্যন হৈছে Minister's involvement in IAS Officer muder-AGP wants to drop the case. বাতৰিটো মই গোটেইটো পঢ়িছো। ১৯৮২ চনৰ ৩ নবেম্বৰত উজনী অসমৰ আয়ুক্ত পাৰ্থ সাৰথীক বোমা দি হত্যা কৰা সংক্ৰান্তত। বিষয়টো চি বি আইয়ে তদন্ত কৰিছে। চি বি আইয়ে তদন্ত কৰাৰ পিচত কেইজন ব্যক্তিৰ বিৰুদ্ধে চাৰ্জ চিত দিছে আৰু ইতিমধ্যে হিয়েৰিংৰ বাবেও দিন স্থিৰ হৈছে। এই ক্ষেত্ৰত এ জি পি চৰকাৰৰ পৰা গোচৰটো উঠাই লবলৈ লিখা লিখি কৰিছে। কিন্তু চি বি আইৰ তৰফৰ পৰা উঠাই লব নোৱাৰো বুলি আপত্তি দৰ্শাইছে। এই ক্ষেত্ৰত উজনী অসমৰ এজন মন্ত্ৰীও অভিযুক্ত হৈছে। এই ক্ষেত্ৰত অসম চৰকাৰে কি ধৰনেৰে মন্ত্ৰী গৰাকীৰ পজিশ্যন বিচাৰ কৰে তাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীঅভিজিত শৰ্ম্মা (মন্ত্ৰী) ঃ এতিয়াওঁ অভিযুক্ত হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ চৰকাৰৰ তৰফৰ পৰা এতিয়া গৃহ মন্ত্ৰীয়ে কব।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত প্ৰকাশ পোৱা বিষয়টো আদালতৰ বিবেচনাধীন হৈ আছে। গতিকে এই ক্ষেত্ৰত কিবা কোৱাটো আইন সংগত নহব বুলি মই ভাবো।

মাননীয় অধ্যক্ষ ঃ এই একে প্ৰসংগতে মুক্তাৰ হুছেইন আৰু শ্ৰীআলটাফ হুছেইন মজুমদাৰে কব। এতিয়া মুক্তাৰ হুছেইনে কওঁক।

শ্ৰীমুক্তাৰ হুছেইন ঃ অধ্যক্ষ মহোদয়, মই আজি বিধান সভাত মাননীয় গৃহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন

কৰিব বিচাৰিছো। বিষয়টো হৈছে যোৱা কালি চান্দমাৰীৰ ইঞ্জিনিয়াৰিং ইংসটিউটৰ ছাত্র সকলৰ মাজত এটা সংঘর্ষ লাগে। এই সংঘর্ষত সংখ্যালঘু ছাত্র সকলক নিৰ্ম্মম ভাৱে মাৰপিত কৰে। এতিয়ালৈকে আমি পোৱা তথ্য মতে ৮ জনক মাৰধৰ কৰিছে। তাৰে ৬ জনক গুৱাহাটী মেডিকেল কলেজত ভৰ্ত্তি কৰোৱা হৈছে। কেইজনমানক প্ৰাথমিক চিকিৎসা দি এৰি দিয়া হৈছে। মেডিকেল কলেজত ভৰ্ত্তি কৰা লোক কেইজনৰ অৱস্থা এতিয়ালৈকে কি হৈছে মই নাজানো। লোক কেইজন হৈছে আব্দুল হামিদ, আমজাদ আলি, বাহাৰুল ইছলাম এজন পাল আৰু আনজন আলি। ইয়াৰ আগতে মই যোৱা কালী বিধান সভাত মই আনিছিলো যে পুলিচ প্ৰশাসনে দুস্কৃতিকাৰীৰ ওপৰত কোনো ব্যৱস্থা লোৱা নাই। যাৰ কাৰণে দুস্কৃতিকাৰী সকলে হিংসাত্মক কাৰ্য্য চলাই যোৱাত ব্যক্তি বিশেষে উৎসাহ যোগাইছে।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই সিদিনা হৈ যোৱা এটা ঘটনাৰ উদ্ধৃতি দিব খুজিছো। যোৱা ৯ তাৰিখে চান্দমাৰী অঞ্চলত বেজৰাম জৈনকে আদি কৰি কেইজনমানৰ দোকানত লুত-পাত কৰা হয়। তাৰ পিচত শ্ৰীজৈনে চান্দমাৰী পুলিচক এই ঘটনা সম্পৰ্কে জনাইছিল কিন্তু ৰাতিপুৱালৈকে কেচটো ৰেজিষ্টাৰ কৰা নহল। অধ্যক্ষ মহোদয় মই টেলিফোনেৰে চান্দমাৰী পুলিচক ৯ তাৰিখে কি ঘটনা ঘটিছিল বুলি সুধাত তেওঁলোকৰ তেনে কোনো ৰেকৰ্ড নাই বুলি মোক কলে। অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰিৰ বুকুতে এনে ঘটনা ঘটি থাকে পুলিচে কোনো ব্যৱস্থা নলয় যাৰ ফলত এই ধৰণৰ হিংসাত্মক কাৰ্য্য ক্ৰমান্বয়ে বাঢ়ি আছে। সিদিনা এটা বাতৰি দেখিছো 'অপৰাধী নিশ্চিন্তে পুলিশেৰ নাকেৰ ডগায় ঘুৰে বেড়াচ্ছে' সিদিনা খৃষ্টিয়ান বষ্টিত কুলদীপ আৰু ধীৰ সিং নামৰ দুজন ব্যক্তিক ২০।২৫ জন লোকে মাৰপিত কৰে। থানাত মৰ্কদ্দমা ৰুজু কৰা হৈছে কিন্তু ৰেজিষ্টাৰ হোৱা নাই।

অধ্যক্ষ মহোদয় এইবিলাক কাৰণতে দুস্কৃতিকাৰী সকলে উৎসাহ পাইছে যাৰ কাৰণে পবিত্ৰ শিক্ষাণুষ্ঠান বিলাকত শৈক্ষিক পৰিবেশ নাইকিয়া হৈছে। সিদিনা ইউনিয়ন হলত এখন মিটিং পাতি সিদ্ধান্ত কৰা হৈছে যে বঙালীবিলাকক পিতিব লাগে। এনে সিদ্ধান্ত মৰ্ম্মে উপৰোক্ত লোক ৬ জনক মাৰপিট কৰা হৈছে। গুৱাহাটী মহানগৰীতে সংখ্যালঘু ছাত্ৰ সকলে ভয়ত পেপুৱা লাগি থাকিব লগা হৈছে। কাৰণ তেওঁলোকক বাছি বাছি মাৰপিট কৰা হৈছে আৰু তেওঁ-

লোকক হোষ্টেলৰ পৰা উলিয়াই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

অধ্যক্ষ মহোদয়, এই কাৰ্য্য শক্তিশালী হাতেৰে দমন কৰিব নোৱাৰিলে আৰু ব্যপক হোৱাৰ সম্ভাৱনা আছে। গতিকে মই গৃহমন্ত্ৰী মহোদয়ক বাৰে বাৰে অনুৰোধ কৰো যাতে আইন-শৃংখলা সন্তোষজনক ভাৱে ৰক্ষা কৰা হয়। কিন্তু আমি দুখ পাইছো যে বিধান সভাৰ পৰা নিচেই ওচৰতে থকা এটা অনুস্থানত সংখ্যালঘু ছাত্ৰ সকলক মাৰপিট কৰিব লগা হৈছে। মই গৃহমন্ত্ৰী মহোদয়ক পুনৰায় দুস্কৃতিকাৰী সকলক কঠোৰ হাতে দমন কৰি শান্তি শৃঙ্খলা ৰক্ষা কৰিব বুলি অনুৰোধ জনাইছো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চান্দমাৰী ইঞ্জিনিয়াৰিং ইন্সিটিউশ্যনত যিটো সংঘৰ্ষ হৈ গল সেইটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এনে ধৰণৰ ঘটনা সংঘটিত হব নোৱাৰৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ পুলিচ বিভাগক নিৰ্দেশ দিয়া হৈছে। এই সংঘৰ্ষত লিপ্ত থকা ৬ জন ব্যক্তিৰ নাম ইতিমধ্যে আমি পাইছো। আৰু তেওঁলোকক পুলিচক চমজাই দিয়া হৈছে। এই ক্ষেত্ৰত বিহিত সকলো ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। গুৱাহাটীৰ মাজমজিয়াতে সাম্প্ৰদায় হিচাবে আক্ৰমণ কৰা হৈছে। মই চৰকাৰক অনুৰোধ কৰিছো সময় থাকোতে শিক্ষানুস্থান বিলাকত যাতে শৈক্ষিক পৰিবেশ হানী নহয় আৰু কোনো ধৰণৰ সম্প্ৰদায়ৰ মাজত যাতে আক্ৰমণ নচলে তাৰ প্ৰতি যেন চৰকাৰে নজৰ ৰাখে।

শ্ৰীজয়নাথ শৰ্মা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই গৃহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে চিলচৰ মেডিকেল কলেজত যি বিলাক অসমীয়া লৰা আছে আৰু যি বিলাক লৰাই ভেটেৰিনাৰী ফিল্ড এচিচটান্টৰ প্ৰশিক্ষন লবলৈ গৈছে তেওঁলোকৰ ওপৰত ভীষণ অত্যাচাৰ চলাইছে। সদনত অকল যে গুৱাহাটীৰ কথাকেই কৈ থকা হৈছে চিলচৰ, কৰিমগঞ্জ আদিত যি বিলাক ঘটনা হৈছে সেই সম্পৰ্কত কি ব্যৱস্থা লৈছে ? এই ঘটনা বিলাক বন্ধ কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা লোৱা হৈছেনে ?

Shri Altaf Hussain Mazumdar :—Mr. Speaker Sir, wherever such incident occurs irrespective of the places—be it in Cachar, be it in

any place—and if the Govt. has information, certainly, the Govt. should take stringent measures irrespective of caste and creed. It is a question concerning the interest of the whole State. We do not want anywhere this should happen. Otherwise, the State will go into the grip of violence. So, if there is any truth in the allegation from anywhere, stringent action should be taken. I was told yesterday by one Hon'ble Member that he brought this incident to the notice of the Chief Minister who assured him to take immediate action in this matter. Even after this assurance, this incident has occurred. So I request the Govt should be vigilant on such incidents. Some students from outlying areas came to me and expressed their apprehensions of such incidents likely to occur in certain training organisations I feel the Govt. should take stringent action against anybody irrespective of caste or creed.

শ্ৰীশ্বহিদুল ইচলাম :—মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি এটা কথা কব বিচাৰিছো যে অসমৰ যিবিলাক ঠাইত এনেধৰণৰ ঘটনাবিলাক ঘটি আছে সেই বিলাক ঠাইলৈ অল পাৰ্টি ডেলিগেচন এটা পঠাব লাগে। যাতে তেখেত সকলে এই বিলাক চাই চিতি কি ব্যৱস্থা লব লাগে সেই সম্পৰ্কত চৰকাৰক সহায় কৰিব পাৰে। মুখ্য মন্ত্ৰী যিহেতুকে এসময়ত নিজেই ছাত্ৰ নেতা আছিল সেই কাৰণে তেখেতে সকলো সম্প্ৰদায়ৰ ছাত্ৰৰ মাজত সম্প্ৰিতি গঢ়ি তোলাৰ কাৰণে সদনক আশ্বাস দিব পাৰেনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (মুঃ মঃ) : অধ্যক্ষ মহোদয়, ইঞ্জিনীয়াৰিং ইনষ্টিটিউটত যি বিলাক ঘটনা ঘটিছে আমি সেই সম্পৰ্কত ইতিমধ্যে ব্যৱস্থা লৈছো। অসমৰ যতেই এনেধৰণৰ ঘটনা নঘটক আমি নিশ্চয় ব্যৱস্থা লম। এই খিনিতে মোৰ মাননীয় সদস্য সকলৰ প্ৰতি এটা অনুৰোধ আছে যে অকল পুলিচৰ দ্বাৰাই সকলোবিলাক ব্যৱস্থা লোৱা সম্ভৱ নহয় সেই কাৰণে এই বিলাক নাইকীয়া কৰিবলৈ মই আপোনালোকৰ সহায় সহযোগ কামনা কৰিছো। লগতে অল পাৰ্টি ডেলিগেচনৰ যিটো কথা কৈছে সেই সম্পৰ্কত আপোনালোক সকলো মিলি এই বিলাক নাইকীয়া কৰিব।

শ্ৰী জয়নাথ শৰ্মা :– মাননীয় অধ্যক্ষ মহোদয়, অসমত তেল আৰু প্ৰাকৃতিক গেচ আয়োগে অসমত গঢ়ি উঠা বহুত বিলাক আঁচনি নাইকীয়া কৰাৰ ব্যৱস্থা কৰিছে। এই তেল আৰু প্ৰাকৃতিক গেচ আয়োগে অসমত এৰি আৰু মুগা শিল্প ধ্বংস কৰিছে। কালি মোৰ এজন বন্ধুৱে এই সম্পৰ্কত এটা বিষয় উত্থাপন কৰিছিল যদিও ভেটেৰিনাৰী বিভাগৰ

মন্ত্ৰীৰ পৰা কোনো উত্তৰ পোৱা নগ'ল। গতিকে মই অনুৰোধ জনাইছো অসমৰ কৃষিজাত সম্পদৰ ওপৰত গঢ়ি উঠা শিল্পবিলাক যাতে কোনো কাৰণতে ধ্বংস হব-লগীয়া নহয় তাৰ বাবে বিশেষ ব্যৱস্থা লব লাগে। তাৰোপৰি এইবিলাক শিল্প ধ্বংস কৰাৰ কাৰণে তেল আৰু প্ৰাকৃতিক গ্যেচ আয়োগৰ ওপৰত কি ধৰণৰ ব্যৱস্থা লোৱা হৈছে এই সম্পৰ্কত মই বিভাগীয় মন্ত্ৰীৰ পৰা বিতং বক্তব্য বিচাৰিছো।

শ্ৰী নগেন শৰ্মা. (মঃ ৰেঃ বি) :—মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেই সম্পৰ্কত আমি কাৰ্য ব্যৱস্থা হাতত লৈছো। এৰি আৰু মূগা অকল অসমতেই নহয় গোটেই পৃথিবীয়েই এৰি আৰু মুগাক আদৰ কৰে। আগতে মুগা উৎপাদনৰ ক্ষেত্ৰত অসম যিমান আগবঢ়া আছিল আজি সিমানেই পিচপৰি গৈছে। আজি মুগা পালক বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। ইনষ্টিটিউট অব চেংগালোৰৰ পৰা এটা কথা কোৱা হৈছে যে মুগা বিলাকে কোনো ধৰণৰ পোহৰ বা শব্দ ভাল নাপায়। ই বৰ চেনচিটিভ। কিন্তু অ এন জি চিয়ে উজনি অসমৰ মূগা ফাৰ্ম থকা অঞ্চল বিলাকৰ আশে পাশে খাল খন্দাৰ কাৰণে তাৰ শব্দ আৰু লাইটৰ পোহৰ মূগাবিলাকে পোৱাত তেওঁলোকৰ শান্তি ভংগ হৈছে। ইয়াৰ কাৰণে বিহিত ব্যৱস্থা লবলৈ আমি কেন্দ্ৰীয় চৰকাৰক জনাইছো। অকল লাইট বা শব্দৰ কাৰণেই নহয়, তাৰোপৰি এই সমগ্ৰ অঞ্চলটো গ্যেচ আদি জ্বলাই দিয়াৰ কাৰণে দোষীত হৈ পৰিছে। এইবিলাক কাৰণতে সেইবিলাক অঞ্চলত মূগা পোহিব পৰা নাই। এইদৰে যদি চলি থাকে তেতিয়াহলে আমাৰ আশংকা হৈছে যে ভবিষ্যতে অসমত মুগা নাইকীয়া হৈ যাব। যিহেতুকে অসম চৰকাৰৰ ফালৰ পৰা কোনো ব্যৱস্থা লব পৰা নাযায় সেই কাৰণে আমি এই সকলো বিলাক কথা ভাৰত চৰকাৰক জনাই দিছো। অৱশ্যে এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ উত্তৰ পোৱা নাই। এই শিল্পৰ ৰক্ষনা বেক্ষনৰ কাৰণে আমাৰ চৰকাৰৰ তৰফৰ পৰা যিবিলাক ব্যৱস্থা লোৱা সম্ভৱ সেই সকলো বিলাক লোৱা হৈছে।

Shri Jainal Abedin : —I have given a notice under Rule 49 for a half an hour discussion on a question arising out of Starred Question of Hon'ble Member Shri Hemen Das on 6.8.86. Sir, my notice had been admitted and time had been fixed yesterday afternoon. As the proceedings of the House could not be held yesterday afternoon because of condolence meeting in memory of Gen Vaidya. So, Sir, the programme could not be taken up. I have seen today's programme where this item is missing. Sir, I want I should be given a chance.

মাননীয় অধ্যক্ষ ঃ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩০ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১১ আগষ্ট তাৰিখে সদন স্থগিত কৰাৰ ঠিক পিছতে ২'৪০ মিনিট যোৱাত মোৰ কাৰ্য্যালয়ৰ কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠক এখন মই আহ্বান কৰিছিলো।

সমিতিয়ে বৈঠকৰ আলোচনাত চৰকাৰী বিধেয়ক সমূহ আৰু অন্যান্য বিষয়ৰ কাৰ্য্যসূচী সমূহ বিবেচনা কৰাৰ পাছত সিদ্ধান্ত লৈছিল যে ১১ আৰু ১২ আগষ্ট তাৰিখৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী সম্পুৰ্ণ কৰিবৰ বাবে ১৯৮৬ চনৰ ৩০ তাৰিখে সদনৰ বৈঠক বহিব। এইটো সিদ্ধান্ত লোৱা হৈছিল যে ১১ আগষ্ট তাৰিখৰ বাবে নিৰ্দ্ধাৰিত অসম্পূৰ্ণ কাৰ্য্যসূচী ১২ আগষ্ট তাৰিখে লোৱা হব আৰু ১২ আগষ্ট তাৰিখৰ কাৰণে স্থিৰ কৰা কাৰ্য্যসূচী ১৩ আগষ্ট তাৰিখে বা সদনৰ ১২ আগষ্ট তাৰিখৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচীৰ অন্ত পৰাৰ লগে লগে লোৱা হব। গোটেই চৰকাৰী কাৰ্য্যসূচী সম্পুৰ্ণ কৰাৰ অৰ্থে ১২ আগষ্ট আৰু ১৩ আগষ্ট উভয় তাৰিখে প্ৰয়োজন সাপেক্ষে সদনৰ বৈঠক বিয়লী ৫ বজাৰ পাছতো বহিব। চৰকাৰী বিধেয়কৰ বাহিৰে, ১১ আগষ্ট তাৰিখৰ বাবে স্থিৰ কৰা কাৰ্য্যসূচীৰ অইন কোনো বিষয় ১২ আগষ্ট তাৰিখৰ কাৰ্য্যতালিকাত অন্তৰ্ভুক্ত কৰা নহব। সংশোধিত দিনপঞ্জীৰ প্ৰতিলিপি মাননীয় সদস্য সকলৰ মেজত ৰখা হৈছে। মই ভাবো ইয়াত সদনৰ সন্মতি আছে।

## LAYING OF REPORTS AND RULES

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৭৭-৭৮ চনৰ বছৰটোৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ হিচাব পৰীক্ষাৰ প্ৰতিবেদন দাখিল কৰিলো।

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৭৫-৭৬ চনৰ বছৰটোৰ কাৰণে অসম কৃষি উদ্যোগ উন্নয়ন নিগম পৰিসীমিতৰ ৯ম বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিলো।

Shri Pradip Gogoi (Minister) - Sir, I beg to lay the Assam Legislative Assembly Member's Salararies, Allowances & Pensions (Amendment) Rules, 1986.

মাননীয় অধ্যক্ষ ঃ আমাৰ পৌৰ প্ৰশাসন মন্ত্ৰী শ্ৰীচৌধুৰী ডাঙৰীয়া অসুস্থ কাৰণে তেখেতৰ হকে যোগান মন্ত্ৰী শ্ৰীবিৰাজ শৰ্মাই পৌৰ প্ৰশাসন সংশোধনী বিলখন উৎথাপন কৰিব বুলি অনুমতি বিচাৰিছিল, মই অনুমতি দিছো ।

Shri Biraj Sharma (Minister) : — Sir I beg to move that the Gauhati Municipal Corporation (Amendment) Bill, 1986 be taken into consideration.

Shri Binai Khungur Basumatari :— Mr. Speaker, Sir, we are now about to consider this Guwahati Municipal Corporation (Amendment) Bill, 1986. We find in the statement of objects and reasons that it is a procedure to regularise the extension of the adhoc Municipal Corporation Body. We find to-day that under the ordinance four months have already passed and after four months we are to consider the regularisation of this extension. So, if we take the total period into consideration we find three years and ten months have already passed and now the Government has taken a span of another five months to organise the election or a democratic process to elect this Municipal Corporation Body. Therefore, Sir, when this is a bill to change the ordinance to regularise the ordinance we want that the Government should categorically assure us that after the lapse of five months the Government will invariably organise the democratic process of election in the Guwahati Municipal Corporation. So, it is actually an indirect proposal to have the election after five months. Now, Sir, when the election of a democratic body is involved I would like to refer to the past proceedings of this House on this same Bill because I had in the last House brought an amendment that within Guwahati Municipal Corporation there should be reserved seats for Scheduled Castes and Scheduled Tribes and the then Hon'ble Minister of Municipal Administration assured in the House that adequate number of reserved seats for Scheduled Tribes and Scheduled Castes will be included in the Board of Commissioners in the Guwahati Municipal Corporation. But it is

regretted that to-day when this amendment has come, we fail to observe that commitment. The commitment made by the then Minister of Municipal Administration has not been incorporated in this Bill. Sir, Guwahati is originally a place of residence of tribals. This name Guwahati has been deduced in various ways Sir, one of my grandfather who was here in Guwahati from a very long time said that Guwahati was full of betel-nuts trees and betel nut are a social custom for people of Assam and, therefore, this Guwahati was full of betel-nuts. Guwa (Goy) means betel and hat means market. This Guwahati, according to Bodos, is the market for betel-nuts, and the betel-nuts used to be exported to Bangladesh and other places. Sir, the original name of the Guwahati has come from "Goy-hatai" that is market of betel-nuts and that also signifies that from the old age the Bodos were the residents of Guwahati. Sir, we have seen that South-Guwahati tribal belts have been de-notified to install this temporary Capital. But the people those who were living in these places have not been given alternative residence by the Government and, therefore, all these people are living in the small hillocks in and around Guwahati and now due to the extension of the GMC these people are now unsettled inhabitants of Guwahati. Sir, since this is a Government which is responsive to the hopes and aspirations of the people, it will be in order for this Government to give some sort of legitimacy to the tribal people who had been uprooted from Dispur areas and who are now settling within Guwahati town in a very haphazard manner.

Therefore, Sir, I would demand that within this Gauhati Municipal Corporation the reservation of seats for Scheduled-castes-and Scheduled -Tribes, which was assured to me, should be incorporated before the elections are ordered. Now, Sir, what is happening in the Gauhati Municipal Corporation is also to be considered. Sir, many things are happening in the Gauhati Municipal Corporation due to lack of a democratically elected body. Sir, I have a car. Now, it has become a problem

for me to park my car when I go to Fancy Bazar or Panbazar etc. Either at Panbazar or at Fancybazar, I am not allowed to park my car even in the roadsides. When I take the car to the extreme roadside, immediately after that I find some people are running after me. They want to give me some tickets for parking and to collect parking fees. Sir, I do not know whether this is a legitimate collection or is it done with connivance of the Lease-holder ? Sir, I do not know whether there is any systemtic procedure for such thing or there is real parking zone or no-parking zones within the Gauhati Municipal Corporation ? Sir, we only find some signboards But we do not find anything about the parking-zone or no-parking-zone. We do not know whether there has been any notification or not in the Gazette Then, Sir, there are other things which also require proper attention by the authority. You will find, Sir, the entire Gauhati city is full of pit-holes and the pavement are broken in many places. It is dangerous for the pedestrians. One who is not mindful, while on walking, is definitely to go down into the drain. So, Sir, this is the condition of pavements. There are other things. The city is absolutely dirty. There is no clearance of garbage. There are certain areas where the-e are water-logging. So, Sir. it is not sufficient only to regularise the extent of the ordi-ance. There should be some concrete measure to improve the workings of the Gauhati Municipal Corporation. Then Sir, I insist after the expiry of next five months, election of the Gauhati Municipal Corporation is to be held. This was committed by this Government. Then, Sir, I am coming to other matter relating to the fate of the tribals of 35 villages within the Gauhati Municipal Corporation. Sir, it is reported that tribals of those villages will be uprooted because of the diversion of Railway Line. Sir, we have been told by the Central Govt. that they do not have the funds for diversion of the railway line along the side of the National Highway. But, Sir, unfortunately Govt. of Assam has issued a notification and started proceedings to acquire the lands of the tribals

and other inhabitants. Sir, I know in certain areas people have objected to it and in some places minor clashes took place with the Revenue Officers. Therefore, Sir, we want a statement from the Govt. in this regard. If these people will be uprooted, whether they will be given the alternative sites ? If so, where are those sites-because this is also within the jurisdiction of the Gauhati Municipal Corporation ? Therefore, Sir, a clear statement is necessary from the Govt. side. Then, sir, I would like to mention about the V. G. R. of Beltola Betkuchi area under Beltola Mouza. That, sir, the entire V. G. R. is marked with boundary pillars and we were told that this area is a low-lying area and is totally submerged during summer. Now, Sir, this area is proposed to be taken over for the office complex of Gauhati Municipal Corporation. Here again the tribals will be affected. Therefore, Sir, we want to know whether this V. G. R. will be taken over for the office cemplex of the Municipal Copporation ? If the V. G. R. is diverted for this purpose, then the tribal of the area will be badly affected, Therefore, Sir, we want that the Govt. should take into account all these aspects and give us a detailad statement. Before I conclude, I would request the Govt. once again for inclusion of those committments in the Act. as has been assured to me. With these words, Sir, I conclude my speech.

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখনৰ বিৰোধীতা কৰিছো। গুৱাহাটী পৌৰনিগম গঠন হোৱাৰ পিচত ছুটা নির্বাচন হৈছিল। কিন্তু যোৱা ১৯৮২ চনত নির্বাচিত পৌৰ সভাৰ কার্য্যকাল সম্পূর্ণ নোহওঁতেই অগণতান্ত্রিক পদ্ধতিত নির্বাচিত পৌৰসভা ভঙ্গকৰি কিছুদিন প্ৰশাসকৰ দ্বাৰা কাম কাজ চলায়। ১৯৮৩ চনত নিৰ্ব্বাচনৰ পিচত যি চৰকাৰ আহিল সেই চৰকাৰে এই প্ৰক্ৰিয়াটোক সঙ্কুচিত নকৰি সম্প্ৰসাৰণহে কৰিলে। গুৱাহাটী অসমৰ শিক্ষা আৰু সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। আৰু এই প্ৰাণকেন্দ্ৰক যি দৰে অৱমাননা কৰা হল সেই কথা কোনো গনতান্ত্ৰিক পদ্ধতিত বিশ্বাস থকা মানুহে সহজে লব নোৱাৰে। যোৱা নিৰ্ব্বাচনৰ পিচত অসম গণপৰিষদৰ যি চৰকাৰ আহিল তেওঁলোক নিজে গনতান্ত্ৰিক পদ্ধতিত নিৰ্ব্বাচিত হৈ আহিও আনক আনকি পৌৰ-

সভাৰ কাউন্সিলৰ বাবেও নিৰ্ব্বাচিত হৈ অহাত বঞ্চিত কৰিলে। তেওঁলোকে গণতন্ত্ৰ সঙ্কুচিত নকৰি সম্প্ৰসাৰণ কৰিব বুলি আশা ৰাখিছিলো কিন্তু তেওঁ-লোকে তাকে নকৰি গণতান্ত্ৰিক পদ্ধতিক সঙ্কুচিতহে কৰিলে।

এতিয়া গুৱাহাটীৰ অৱস্থা সম্পূৰ্ণ স্বাভাৱিক অকল গুৱাহাটীতেই কিয় সমগ্ৰ অসমৰ অৱস্থা এতিয়া স্বাভাৱিক। কৰবাত কিবা অস্বাভাৱিক অৱস্থা বিৰাজ কৰিছে বুলি কোনেও কব নোৱাৰে। স্বাভাৱিক অৱস্থা বিৰাজ কৰি থকাটো গণতান্ত্ৰিক প্ৰক্ৰিয়াটোক সম্প্ৰসাৰণ কৰিবলৈ চেষ্টা নকৰিলে। আজিৰ এই চৰকাৰে যথেষ্ট সময় পাইছে। গতিকে অতি সোনকালে নিৰ্ব্বাচন অনুষ্ঠিত কৰক।

ভাৰতবৰ্ষত এতিয়া অতি দুখজনক অৱস্থা এটা চলি আছে কাৰণ আমি দেখিছোঁ অধ্যাদেশৰ ওপৰতে এইখন দেশ থকা যেন লাগে। গেটেই দেশতে অধ্যাদেশৰ ৰাজত্ব। এপ্ৰিলৰ শেষলৈকে বিধান সভাৰ অধিবেশন চলি আছিল তথাপিও আপোনালোকে সদনলৈ এই কথা নাআনি অধ্যাদেশ খন পিচত ২৮ত জাৰি কৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজি এই গুৱাহাটীতেই ৪জন বিধা-য়ক আছে আৰু এই চাৰিওজন বিধায়কেই আজি অসম মন্ত্ৰী সভাৰ সদস্য। তেনে স্থলতো আজি আমাৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া সংকোচ কৰা হৈছে। অধ্যা-দেশ জাৰি কৰাতো নীতিৰ দৰে হৈ পৰিছে। ষ্টাইল অৱ ফাংচন হৈ পৰিছে। গণতন্ত্ৰৰ কাৰণে ই বৰ বিপদজনক কথা। সংবিধানত ইয়াৰ ব্যৱস্থা থাকিলেও ই নিৰ্ব্বাচনৰ পৰিপূৰক হব নোৱাৰে। ১৯৮৩ চনত অধ্যাদেশৰ যোগেদি চৰকাৰে গুৱাহাটী পৌৰ সভাৰ কাৰণে এজন মুখ্য প্ৰশাসক নিয়োগ কৰি ইয়াৰ কাম কাজ চলাইছিল। নিৰ্ব্বাচন পতা হোৱা নাছিল। এনে কিছুমান লোকক কৰ্পোৰেচনৰ সদস্য কৰা হৈছিল. গুৱাহাটীত পৌৰ সভাৰ নিৰ্ব্বাচন পতা হলে হয়তো এই সকলৰ বেছি ভাগেই নিৰ্ব্বাচিত হৈ আহিব নোৱাৰিলেহেতেন। এতিয়া নিৰ্ব্বাচিত হৈ আহিব পৰা বা নোৱাৰাৰ প্ৰশ্ন হোৱা নাই। প্ৰশ্ন হৈছে চৰকাৰে নিৰ্ব্বাচনলৈ ভয় কৰিছে কিয়? নিজে নিৰ্ব্বাচিত হৈ আহি আনক বঞ্চিত কৰিছে কিয়? সমগ্ৰ অসমৰ পৌৰ সভা-বোৰতো এই একেই হৈছে—ক'তো নিৰ্ব্বাচনৰ প্ৰশ্ন উঠা নাই। এতিয়া এনে

এজন মানুহক মুখ্য প্ৰশাসক পাতি দিয়া হৈছে, সেই মানুহজন যি অঞ্চলৰ পৰা আহিছে সেই অঞ্চলৰ ৰাইজৰ মতে নিৰ্ব্বাচন হোৱা হলে তেওঁ কেতিয়াও নিৰ্ব্বাচিত হৈ আহিব নোৱাৰিলেহেতেন। এতিয়া তেনেহলে গণতন্ত্ৰ ক'ত ৰক্ষা পৰিল ? আমি এটা পদ্ধতিৰ মাজেদি ইয়ালৈ আহিছো আৰু মন্ত্ৰীসকলো আহিছে। তেওঁলোকক ৰাইজে ৰাজ্য শাসন কৰাৰ অধিকাৰ দিছে। কিন্তু তেওঁলোকেই অন্য মানুহক গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্ব্বাচিত হোৱাৰ পৰা বঞ্চিত কৰিছে। এইটো অত্যন্ত ক্ষতিকাৰক হৈছে।

পঞ্চায়ত মন্ত্ৰীয়েও এতিয়া পঞ্চায়ত নিৰ্ব্বাচনৰ ক্ষেত্ৰত এড-হক্ কৰা হব বুলি কৈছে। যদি এইদৰে এডহক আৰু অধ্যাদেশ আদিৰ দ্বাৰা দেশৰ শাসন ভাৰ চলাবলগীয়া হয় তেতিয়াহলে গণতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ আচলতে মৃত্যু হয়। আমি বিচাৰিছো গণতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ বিকাশহে। আজি আমি ইয়াত বক্তিতা দিছো কিন্তু গুৱাহাটীৰ জনসাধাৰণে মাত মাতিব পৰা নাই। গুৱাহাটীৰ পৌৰ নিগমৰ বিভিন্ন সমস্যাৱাজি সমাধানৰ ক্ষেত্ৰত তেওঁলোকৰ নিজৰ প্ৰতিনিধি থকাহলে তেওঁলোকে নিজা মতামত ব্যক্ত কৰিব পাৰিলেহেতেন। আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে অলপ আগতে এটা বিবৃতিত কৈছেই যে বিধায়কৰ অনুপস্থিতিৰ কাৰণে এই কাম কৰিব পৰা নাছিল। এতিয়া মাননীয় বিধায়ক জনে এই কথাটো আঙুলিয়াই দিয়াত স্বাস্থ্য মন্ত্ৰীয়ে গ্ৰহণ কৰিছে। এইটোৱেই গণতান্ত্ৰিক প্ৰক্ৰিয়া। এখন অনুন্নত অঞ্চলত এখন চিকিৎসালয়ৰ প্ৰয়োজন আছিল, বিধায়কজনে এই কথা মন্ত্ৰী মহোদয়ক অবগত কৰোৱাত মন্ত্ৰী মহোদয়ে এই কথা গ্ৰহণ কৰিছে আৰু তাৰ পৰা এতিয়া ৰাইজ উপকৃত হব। সেয়ে মই অনুৰোধ কৰিছো যিমান সোনকালে পাৰে গুৱাহাটী পৌৰ সভাৰ নিৰ্ব্বাচন অনুস্থিত কৰক। যি দলৰেই প্ৰতিনিধি নিৰ্ব্বাচিত হৈ আহে আহক। অসম চৰকাৰটো ভাৰত চৰকাৰৰ এটা ক্ষুদ্ৰ সংস্কৰণ মাত্ৰ। দিল্লীত কংগ্ৰেছ (আই) শাসনত আছে, ইয়াত এ-জি-পি, ক'ৰবাত চি-পি-এম, এইটো এটা গণতান্ত্ৰিক পদ্ধতি। এইদৰেই গণতান্ত্ৰিক প্ৰক্ৰিয়াটো একেবাৰে তললৈকে মজবুত কৰিব পাৰিব লাগিব। তেতিয়াহে গণতন্ত্ৰৰ প্ৰতি প্ৰকৃত সন্মান প্ৰদৰ্শন কৰা হব।

চৰকাৰে এনে কিছুমান কাম কৰিছে যে ক'ৰবাত মটৰ ৰাখিলেও পইচা

দিবলগীয়া হয়। ১৯৮২ চনত এই গাড়ীৰ কৰ দিবলগীয়া ব্যৱস্থাৰ আমি বিৰোধিতা কৰিছিলো। আমি বিধান সভাৰ বাহিৰত বেলেগ আৰু ভিতৰত বেলেগ এনেকুৱা নহয়। আপোনালোকে নিজে নিৰ্ব্বাচিত হৈ আহি কাউন্সিলাৰ এজনক নিৰ্ব্বাচিত হৈ আহিবলৈ দিয়া নাই। এইটো লজ্জাজনক হৈছে। গুৱাহাটী অসমৰ শিক্ষা, ৰাজনীতি, সংস্কৃতি আদিৰ প্ৰাণকেন্দ্ৰ— ইয়াতেই যদি আমি গণতন্ত্ৰটো নেৰাখো তেনেহলে গোটেই অসমত কেনেকৈ ৰাখিম। অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী এজন মানুহৰ আঙুলিৰ নিৰ্দ্দেশত চলিছিল। তাৰ বিপক্ষে আমি তেতিয়া সংগ্ৰামো কৰিছিলো আৰু তাৰ ভাল ফলো পাইছিলো। লাখ লাখ টকা গুৱাহাটী পৌৰ সভাত এজন মানুহে আত্মসাৎ কৰিব খোজাৰ সময়ত আমি হস্তক্ষেপ কৰিছিলো আৰু এবছৰৰ ভিতৰতেই গুৱাহাটী পৌৰ সভাক ৪৫ লাখ টকা লাভ কৰাই দিছিলো— চেক্ গেটৰ নিলামৰ যোগেদি। যদি তাত নিৰ্ব্বাচিত সদস্যসকল থাকিল হেতেন তেনেহলে অমুকক চেক গেট, তমুকক লাইচেন্স আদি দি এই অৱস্থাৰ বহু পৰিমানে কমালেহেতেন। গুৱাহাটী চেক গেট; পাৰ্কিং, বজাৰ আদিৰ পৰা ১ কোটিৰো বেছি টকা আয় হয়।

অলপতে শিৱসাগৰৰ পৌৰ সভাৰ বজাৰ ডাক দিয়াৰ ক্ষেত্ৰত হাই কোৰ্ট কৰিবলগীয়া হৈছে এইটো হৈছে আগৰ মহলদাৰজনকে এক্সটেনচন দিয়াৰ কাৰণে।

এদিন ফুট পথেৰে খোজ কাঢ়ি গৈ থাকোতে মোৰ লগৰ মানুহ এজন মেইন হ্লত পৰি মৰাৰ নিচিনা হ'ল। মই নাৰ্ভাচ হৈ গলো ঘটনাতো দেখি। ওচৰৰ দোকানী এজনে লগে লগে তেওঁক পানী ঢালি তেল ইত্যাদি দিলে। তাৰ পাচতহে তেওঁৰ জ্ঞান আহিল। ঘৰলৈ গৈ দেখে শৰীৰৰ সকলো অংশতেই গু লাগি আছে। আজি ফুট পথেৰে খোজকাঢ়ি যাব নোৱাৰি। বিৰোধী পক্ষৰ পৰা চৰকাৰক সমালোচনা কৰা হৈছে যদিও আচলতে দায়িত্ব কৰ্পোৰেচনৰহে। ফুটপথ বিলাকেৰে কোনে যাব ? হেদায়তপুৰত কেইদিনমান আগতে এখন প্লেট দিলে। কিন্তু প্লেট খনৰ শিলগুটি, চিমেণ্টে আৰু লো কাৰো লগত কোনো লগ ন'হল। লো কেইদাল ওলাই আছে। গতিকে সেই দায়িত্ব লব লাগিব কৰ্পোৰেচনে। গতিকে কৰ্পোৰেচনত নিৰ্ব্বাচিত কমিটি থকা দৰকাৰ। সমালোচনা কৰাৰ বাট পৰিত্যাগ কৰক।

Shri Dewan Joynal Abedin : Mr. Speaker Sir, I take this opportunity to oppose the Gauhati Municipal Corporation (Amendment) Bill, 1936, which has been placed before the House. Sir, I have already moved an Amendment on the Bill on which I shall speak later on. Sir, it has been pointed out repeatedly by some members of the House that the present Government inspite of its assurances are following the footsteps of their predecessors, the erstwhile Congress I Government. Sir, we have got innumerable instances of the present Government's following the path of adhocism which was maintained by the erstwhile Congress (I) Government. So, now Sir, the present Government came to power giving the people of Assam the commitments of fighting the injustices and arbritrariness in all walks of life, made by the erstwhile Congress (I) Government. But now Sir, we are astonished to find that the present Government is also following their predecessor's footsteps. We have seen that as regards the Panchayats. They are thinking of constituting adhoc bodies like the erstwhile Congress (I) Government. These adhoc committees will be filled up with their own people instead of democratically elected people. Sir, what has necessitated this Government to introduce the Bill, the Gauhati Municipal Corporation (Amendment) Bill ? Now the Hon'ble Ministers may say, may argue that by this Bill they are going to legitimise the illegitimate actions of the Congress (I) Government. Sir, partially this is true. Because, most of the supersessions were done during the Congress regime and we have already seen that the Congress (I) regime was the regime of adhocism. Now Sir, our present Government may argue that they have no other alternative but to regularise it. No doubt, they have to regularise the period that had already been elapsed during the Congress (I) regime; but Sir, if in that plea they go for regularising the illegitimate issues of Congress (I) where is the guarantee that more illegitimate issues will not be borne in future ? Sir, that is the most pertinent question. Now Sir, there have been supersessions, exten-

কুমাৰ দীপক দাস ঃ অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ চেলচ অব পেট্ৰোলিয়াম এণ্ড আদাৰ প্ৰডাক্টচ্ ইনক্লুডিং মটৰ স্পিৰিট এণ্ড লুব্ৰিকেণ্ট নামৰ সংশোধনী বিধেয়ক খন সদনত উত্থাপন কৰা হৈছে। এই বিধেয়কখন সময়োপযোগী হৈছে বুলি মই এই কাৰণেই কব খুজিছো যে আমাৰ অসম গণ পৰিষদৰ নতুন চৰকাৰে দায়িত্ব লোৱাৰ পিচত এই আইনৰ বিভিন্ন সুৰুঙাৰ সুযোগ লৈ যাতে কোটি কোটি টকা ব্যৱসায়ীক যাতে ৰিফাণ্ড দিব লগা নহয়। এইটো এটা সাধাৰণ ৰসায়নৰ কথা। যি সকলৰ ফিজিকেল চেঞ্জ আৰু কেমিকেল চেঞ্জৰ ওপৰত অলপো সাধাৰণ জ্ঞান আছে তেওঁলোকে এইটো বুজিব কিন্তু দুয়োটা বস্তু একেটাই এনে ধৰণৰ এটা ধাৰণাৰ কাৰণেই কোটি কোটি টকা অসম চৰকাৰে টেক্স হিচাবে ৰিফাণ্ড দিবলগীয়া হৈছে। এইদৰে কোটি কোটি টকা যাতে লোকচান নহয় তাৰ বাবেই এই বিলখন উত্থাপন কৰা হৈছে। চেলচ্ টেক্স আইনত থকা সুৰুঙাৰ কাৰণেই এইটো হবলৈ পাইছে। এতিয়া এই টকাটো অসম চৰকাৰৰ পুঁজিত জমা থাকিব। এই কাৰণেই এই বিধেয়কখন উত্থাপন কৰাৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু সদনৰ সকলো মাননীয় সদস্যক এইখন গ্ৰহণ কৰাৰ কাৰণে অনুৰোধ জনাইছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ভাৰতীয় সংবিধানৰ ২৮৬ ধাৰাৰ ৩ অনুচ্ছেদৰ মৰ্মে সংসদে আইন কৰি যি কোনো সামগ্ৰীকে আন্তঃৰাজ্যিক ব্যৱসায় আৰু বাণিজ্যিক বিশেষ গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ঘোষণা কৰিব পাৰে। এইদৰে ঘোষিত সামগ্ৰী সমূহৰ ওপৰত ৰাজ্যিক বিক্ৰী কৰ আদি আৰোপ কৰাত সংসদে আইন কৰি কিছুমান বাধা নিষেধ জাৰি কৰি নিয়ন্ত্ৰিত কৰিব পাৰে। সংবিধানৰ ২৮৬ ধাৰাৰ মৰ্মে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৪ ধাৰা যোগে লোকক সামৰি সকলো ধৰণৰ কয়লাকে আন্তঃৰাজ্যিক ব্যৱসায়

বাণিজ্যৰ ক্ষেত্ৰত এবিধ বিশেষ গুৰুত্বপূৰ্ণ সামগ্ৰী কৰা হৈছে। আকৌ কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৫ ধাৰা অনুযায়ী এইদৰে গুৰুত্বপূৰ্ণ বুলি ঘোষণা কৰা সামগ্ৰী সমূহৰ বিক্ৰীৰ ওপৰত মাত্ৰ এবাৰহে কৰ আৰোপ কৰিব পৰা ব্যৱস্থা আছে। এই ধাৰা অনুসৰি এনে ধৰণৰ সামগ্ৰী বিক্ৰীৰ ওপৰত কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ অধীনত যদি কোনো ব্যৱসায়ীয়ে কৰ দিয়ে তেতিয়াহলে সেই বিধ সামগ্ৰীৰ বিক্ৰীৰ ওপৰত দিয়া ৰাজ্যিক বিক্ৰী কৰখিনি তেওঁক ঘূৰাই দিব লাগিব।

আনহাতে ৰাজ্যিক বিক্ৰী কৰৰ ক্ষেত্ৰত ১৯৫৫ চনৰ অসম কৰ আইনৰ ৩ ধাৰা অনুসৰি পেট্ৰোলিয়াম কোক নামৰ সামগ্ৰীৰ বাবে টকাত ৪ পইচা হাৰত বিক্ৰী কৰ দিব লাগে। উল্লেখ কৰিব পাৰি যে উচ্চতম ন্যায়ালয়ে ইণ্ডিয়া কাৰ্বন লিমিটেড ভাৰচাচ চুপাৰিনটেনডেণ্ট অব টেক্সচেচ, গুৱাহাটী, (১৯৭১) ২৮ এচ-টিচি এই গোচৰত দিয়া ৰায় অনুসৰি পেট্ৰোলিয়াম কোক নামৰ সামগ্ৰী ওপৰত উল্লেখ কৰা কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৪ ধাৰা অন্তৰ্ভূক্ত। এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে যে যিহেতু ১৪ ধাৰাত উল্লেখ কৰা সামগ্ৰীটোৰ বিৱৰণ ক'ল ইনক্লুডিং কক বুলি দিয়া হৈছে গতিকে পেট্ৰোলিয়াম কক ১৪ ধাৰাৰ অন্তৰ্ভূক্ত হয় নে নহয়। এই বিষয়ে ওপৰত উল্লেখ কৰা গোচৰত উচ্চতম ন্যায়ালয়ে স্পষ্ট মত প্ৰকাশ কৰিছে যে পেট্ৰোলিয়াম কক কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৪ ধাৰাৰ অন্তৰ্ভূক্ত সামগ্ৰী। এই ৰায় অনুসৰি ৰ' পেট্ৰোলিয়াম কক আৰু কেলচাইন পেট্ৰোলিয়ামক কক দুয়োবিধ সামগ্ৰীয়েই উপৰোক্ত ১৪ ধাৰাৰ অন্তৰ্ভূক্ত। উল্লেখযোগ্য যে ১৯৫৫ চনৰ অসম কৰ আইনৰ ৰ' পেট্ৰোলিয়াম কক আৰু কেলচাইন পেট্ৰোলিয়াম কক দুয়োবিধ সামগ্ৰী সামৰি মাত্ৰ এটা এণ্ট্ৰি আছে। এণ্ট্ৰিটোৰ বিৱৰণ এনে ধৰণৰ ( পেট্ৰোলিয়াম কক )।

এই পৰিপ্ৰেক্ষিতত এটা প্ৰশ্ন উঠিছিল যে যদি কোনো ব্যৱসায়ীয়ে ৰ পেট্ৰোলিয়াম কক কিনি তাক কেলচাইন পেট্ৰোলিয়াম ককলৈ ৰূপান্তৰিত কৰি বিক্ৰী কৰে আৰু তেনে বিক্ৰীৰ ওপৰত কেন্দ্ৰীয় বিক্ৰী কৰ আদায় দিয়ে তেনেহলে তেওঁ ৰ পেট্ৰোলিয়াম ককৰ ওপৰত ভৰিবলগীয়া হোৱা ৰাজ্যিক বিক্ৰী কৰ ঘূৰাই পাব নেকি? এই বিষয়টো ৰাজ্য চৰকাৰৰ আইন বিভাগৰ লগত পৰীক্ষা কৰি চাওতে আইন বিভাগে মত প্ৰকাশ কৰে যে যিহেতু কেন্দ্ৰীয় বিক্ৰী কৰ

আইনৰ ১৪ ধাৰাত সামগ্ৰীটোৰ বিৰৰণ কক ইন অল ইটচ ফৰম বুলি আছে আৰু ৰাজ্যিক কৰ আইনত ৰ আৰু কেলচাইন পেট্ৰোলিয়াম কক এই দুয়োবিধ সামগ্ৰীৰ বাবে পেট্ৰোলিয়াম কক বুলি মাত্ৰ এটা এন্টি্ৰ আছে গতিকে ৰ আৰু কেল-চাইন পেট্ৰোলিয়াম কক দুয়োবিধ সামগ্ৰীকে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ ১৫ ধাৰাৰ বাবে একেবিধ সামগ্ৰী বুলি গণ্য হব। আৰু সেই কাৰণে ৰ পেট্ৰো-লিয়াম ককৰ ওপৰত দিয়া ৰাজ্যিক বিক্ৰী কৰ প্ৰতিষ্ঠানটোক ঘূৰাই দিব লাগিব। আইন বিভাগে দিয়া মতামতৰ লগত সেই সময়ৰ এডভোকেট জেনেৰেলও সন্মতি প্ৰকাশ কৰিছিল।

আনহাতে এনে এটা বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ মতামত বিচাৰোতে কেন্দ্ৰীয় চৰকাৰে জনাইছিল যে এনে বিষয়ত ইণ্টাৰপ্ৰিটেচন কৰাৰ কৰ্তৃত্ব ৰাজ্য চৰ-কাৰৰ আছে।

এইদৰে প্ৰতিষ্ঠানটোক ঘূৰাই দি থকা ধন ঘূৰাই দিয়াটো বন্ধ কৰিবৰ বাবে কোনো ব্যৱস্থা লব পাৰি নেকি সেই বিষয়ে পৰীক্ষা চলাই থকা হৈছিল। সেই উদ্দেশ্যে কেন্দ্ৰীয় বিক্ৰী কৰ আইন সংশোধন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছিল। চৰকাৰৰ অনুৰোধ ক্ৰমে এটি সৰ্ব-ভাৰতীয় কৰ আয়ুক্তৰ সমিতিয়েও একে ধৰণৰ পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰক দিছে। বিষয়টো আমি জনামতে কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। একে সময়তে আৰু এটা বিষয় পৰীক্ষা কৰি চোৱা হৈছিল যে কেন্দ্ৰীয় বিক্ৰী কৰ আইন সংশোধন নকৰিলেও ৰাজ্যিক বিক্ৰী কৰ আইন সংশোধন কৰি একে উদ্দেশ্য সাধন কৰিব পাৰি নেকি। নতুন চৰকাৰৰ দিনত বিষয়টো পুনৰ পৰীক্ষা কৰি চোৱাৰ পিচত বৰ্ত্তমান এডভোকেট জেনেৰেলে মত প্ৰকাশ কৰে যে কেঁচা পেট্ৰোলিয়াম কোক আৰু কেলচাইড পেট্ৰোলিয়াম কোক এই দুবিধ সামগ্ৰী দুবিধ সুকীয়া সামগ্ৰী বুলি ধৰি ৰাজ্যিক কৰ ঘূৰাই দিয়াৰ বাবে কৰা আবেদন নামঞ্জুৰ কৰিব পাৰি। লগতে তেখেত পৰামৰ্শ দিয়ে যে যিহেতু ইতিমধ্যে ৰাজ্যিক বিক্ৰী কৰ প্ৰতিষ্ঠানটোক ঘূৰাই দিয়া হৈছে গতিকে এতিয়া আবেদন নামঞ্জুৰ কৰাৰ আগতে সংশ্লিষ্ট ৰাজ্যিক কৰ আইনখন সংশোধন কৰা উচিত হব।

বৰ্ত্তমান এডভোকেট জেনেৰেলে পৰামৰ্শ আগবঢ়াইছে যে সংশ্লিষ্ট ৰাজ্যিক

বিক্ৰী কৰ আইনৰ চেকচন ৩ ৰ ক্লজ (ছয়) ৰ তলত এটা এক্সপ্লেনেচন তলত উল্লেখ কৰাৰ দৰে ১।৪।৬৯ তাৰিখৰ পৰা সুমুৱাব লাগে।

১।৪।৬৯ তাৰিখটোৰ তাৎপৰ্য্য এয়ে যে সংশ্লিষ্ট আইনৰ ৩ ধাৰা অনুসৰি ১।৪।৬৯ তাৰিখৰ পৰা পেট্ৰোলিয়াম কোক আৰু বিক্ৰী কৰ যুক্ত হয়।

এডভোকেট জেনেৰেলে এক পৰামৰ্শও আগবঢ়াইছে যে কেলচাইণ্ড পেট্ৰো-লিয়াম কোকৰ বাবে এটা স্বকীয়া ক্লজ অন্তৰ্ভূক্ত কৰিব লাগে।

সেই পৰামৰ্শ অনুসৰি বৰ্তমান সংশোধনী বিধেয়কখন অনা হৈছে। ১৯৬৯ চনৰ পৰা এতিয়ালৈকে সংশ্লিষ্ট আইনখনৰ চেকচন ৩ কেইবাবাৰো সংশোধিত হোৱা বাবে বৰ্তমান সংশোধনী বিধেয়কখন প্ৰস্তুত কৰোতে এই সালসলনিবোৰ মনত ৰাখি পদক্ষেপ দিয়া হৈছে।

এতিয়া এই সংশোধনী বিধেয়কখনৰ বাবে অনুমোদন পালে আমি ভৱিষ্যতে কৰ ঘূৰাই দিবলগীয়া নহব। আনহাতে অতীতত ঘূৰাই দিয়া কৰ চৰকাৰক ওঁভোটাই দিবৰ বাবে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব পৰা হব।

এতিয়ালৈকে চৰকাৰে এটা প্ৰতিষ্ঠানকহে এইদৰে কৰ ঘূৰাই দিবলগীয়া হৈছে। প্ৰতিষ্ঠানটোৱে আদায় দিয়া কৰৰ পৰিমাণ আৰু প্ৰতিষ্ঠানটোক ঘূৰাই দিয়া কৰৰ পৰিমাণৰ এটি বিৱৰণ তলত দিয়া হ'ল।

মুঠ আদায় দিয়া কেন্দ্ৰীয় বিক্ৰী কৰৰ পৰিমাণ (১৯৬৪-৬৫ চনৰ পৰা ১৯৮৪-৮৫ চনৰ ৩০।৯।৮৪ লৈকে)— ৫,০৫,৬৮,৪৬১ ; ফিৰত দিয়া ৰাজ্যিক বিক্ৰী কৰৰ পৰিমাণ (১৯৬৪-৬৫ চনৰপৰা ১৯৮৪-৮৫ চনৰ ৩০।৯।৮৪ লৈকে)— ১,৩৯,৭৩,৫৪৮ টকা (দৰাচলতে ৩১।৩।৮০ তাৰিখলৈকেহে ৰাজ্যিক বিক্ৰী কৰ ঘূৰাই দিয়া হৈছে।

গতিকে আজি সদনত এই বিলখন গ্ৰহণ কৰিব বুলি মই আশা কৰিলো।

Mr. Speaker : Now, I put the Motion before the House. The Motion is that the 'Assam Sales of petroleum and petroleum products including Motor Spirit and Lubricants Taxation Amendment Bill. 1986 be taken into consideration. The Motion is passed.

Item No. 7 (b). There is no amendment to Clause 2 of the Bill. clause 2 does stand part of the Bill.

(The motion was adopted)

Now I put clause 1. preamble, enacting formula and short title of the Bill. Clause 1, preamble, enactiong formula and short title of the Bill do form part of the Bill.

( The Motion is adopted.)

Shri Prafulla Kumar Mahanta, (Chief Minister) : Sir, I beg to move that the Assam Sales of Petroleum and Petroleum Products including Motor Spirit and Lubricants Taxation Amendment Bill, 1986 be passed.

Mr Speaker : The question is that the Assam Sales of Petroleum and Petroleum Products including Motor Spirit and Lubricants, Taxation (Amendment) Bill, 1986 be passed. The Motion is passed. The Bill is passed.

Item No. 8

Mr Speaker : There is a message from the Governor of Assam, Raj Bhavan, Camp : Shillong. July, 30, 1986 "Under the provision of Article 207 (3) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend the Assam Rural Employment and Plantation Labour Welfare Bill. 1986, be taken up for consideration by the Assam Legislative Assembly.

Bhishma Narain Singh,
Governor of Assam.

Shri Prafulla Kumar Mahanta, (Chief Minister) : Sir, I beg to move that the Assam Rural Employment and Plantation Labour Welfare Bill, 1986, be taken into consideration.

Shri Silvius Condpan : Under Rule 73 (2) (a) of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly, I beg to move that the Assam Rural Employment and Plantation Labaur welfare Bill, 1986 be referred to a Select Committee consisting of the following members of the Assam Legisative Assembly The report of the Select Committee should be presented to the House within 3 (three) months. 5 (five) Members will form the quorum.

1. Shri Prafulla Kumar Mahanta, Chief Minister—Chairman.
2. Shri Deba Kumar Bora, M.L.A.—Member.
3. Shri Naren Tanti, M. L. A.—Member.
4. Shri Ganesh Kutum, M,L.A—Member.
5. Shrimati Jyotshna Sonwal, M L.A.—Member.
6. Shri Bhaben Bharali, M.L.A.—Member.
7. Shri Silvius Condpan, Member.
8. Shri Rameswar Dhonwar M.L.A "
9. Shri Dileswar Tanti, M.L.A. "
10. Shri Hemen Das, M.L.A. "
11. Shri Santi Ranjan Das Gupta, M.L.A. Member.

Sir, in support of my amendment, I would like to submit that why I have come with this suggestion. Sir, the name of this Bill is the Assam Rural Employment and Plantation Labour Welfare Bill Now Sir before I submit something before you, I would like to extent my gratitude to the Hon'ble Chief Minister for his sympathetic attitude for the welfare of the Tea Garden and Ex-tea garden people. The intention is very sincere and simple. Sir, I am worried, so far I feel that the drafting of the Bill is very much faulty. Our Cheif Minister is there to support us but once the legislation becomes defective, the whole purpose will be shattered. Sir, the words Rural Employment in the bill is bringing some doubt. If it is intended for the welfare of the tea garden and ex

tea garden people, then there is no difficulty. The Plantation Labour welfare is definitely, I think the Govt. and the Hon'ble Chief Minister means it for the welfare ef the tea garden labour, but Sir, over and above for the upliftment of tbe tea garden labour, there is Assam Tea Labour Welfare Board and also there is Directeroate for the welfare of the tea and ex-tea garden tribes people. But it is not clear in this legislation who is going to spend the contemplated rupees 20 crores intended to be collected by way of cess charge. The executive agency which is going to spend this amount is mentioned in the Bill.

Well then, if the legislation comes for the welfare of the tea and ex-tea garden people, I have already extended my gratitude to the Hon. Chief Minister and the Government ; but what will happen sir ? As welfare measures under the Assam Tea Employees welfare Act. the management has to extend help in cash and in kind, and they will not sit tight. They will definitely act in their own way and put various impediments in the execution of this piece of legislation. So I do not fiind anything written herein to prevent the management from acting against the privision of the legislation proposed here. I say sir, it will remain in cold storage if it is passed in this way

Sir, Section 19 of the Bill says : "The Assam Rural Emyloyment and Plantation Labour Welfare Fund shall be utilised by the State Government for the implementation of such programmes for promotion of employment in rural areas, and welfare of such plantation labour as may be prescribed." Sir, 'the Plantation Labour' has not been defined clearly in the Bill, the definitions of various terms such as what is 'cess', what is 'owner', what is 'person' 'specified land' etc, etc. have been given here, but 'plantation labour' definition is not given there.

Because of this lack of definition, after the passage of this Bill, money will accumulate, and I am afraid, at the cost of labourers that money will be spent for other purposes. So sir, with this apprehension only - I am bringing this amendment ; I am grateful to our Chief Minister and the Govt., but I want to have some clarification. I request that this piece of legislation may be sent to the Select Committee for further consideration and recommendation. With this observation, sir, I conclude my speech.

SHRI DILESWAR TANTI : Mr Speaker sir, while supporting the suggestion put forwarded by the Hon. Member, Shri Condpan on this Assam Rural Employment & Plantation Labour Welfare Bill 1986. I would like to make a few observations on the passing of the Bill. I am grateful to the Hon. Leader of the House, i.e. the Chief Minister of Assam for bringing in this legislation for the purpose of creating an additional fund to the tune of 20 crores of rupees-to be spent for the welfare and employment of the teaplantation workers of the State. It is really very encouraging and a very sincere effort.

Sir, so far we know, the tea industry is already overburdened with various sorts of taxes and other welfare measures. We know that the entire welfare works of the plantation workers have been put on the shoulders of tea garden management as per the Plantation Labour Act and the Plantation Labour Welfare Rules 1956, such as providing dwelling houses, setting up and running of hospitals, schools, and all sorts of amenities to plantation workers. All these welfare measures and social responsibilities have to be performed by tea management ie. the tea industry. Besides this, we know that the Govt. enacted another welfare Act in the name of Assam Tea Employees' Welfare Board Act, 1960 it was recently amended in 1985 and by this Act, Govt. has compelled the tea industry to pay Rs. 2·00 per worker, i.e. if tea worker has paid Re. 1·00

each, Government will pay Re. 1·00 and the tea industry will pay Rs. 2·00 per worker ; and in this way an amount of Rs. 20 to 25 lakhs is being arranged by this amendment of the Tea Employees welfare Board Act as amended recently in 1985 and various welfare schemes-right from granting book grants, uniform, scholarships and providing other helps in kind like eye relief camp, vaccination of children of tea garden population. These Acts are already there.

Again we know sir, for tea and ex-tea garden workers welfare, Govt. have already arranged 30 lakhs of rupees in 1984 by creating a tea & Ex-tea welfare Directorate, for carrying on welfare activities among the tea and ex-tea garden population and various welfare schemes are already there. Now suddenly if another legislation is brought and a very huge amount to the order of Rs. 20 crores per annum is imposed upon the tea garden managements, we are afraid, it will be a heavy burden for the tea industry, and as you know sir, there are so many sick gardens, and their number is increasing day by day, and many gardens in the State we have found that their cost of productions has gone up to such an extent that these gardens are becoming defaulters in respect of payment of provident fund dues and they are not in a position to carry on various other welfare measures and schemes. Many gardens are not in a position to pay maximum bonus to their workers also. In the context of this background, all on a sudden another huge burden should not be brought upon the shoulders of the tea industry and I feel that we should go a bit slow, and we should refer the Bill to the Select Committee so that we should be in a position to study the economics and implications of the proposal in greater detail. I feel that this matter be referred to the Select Committee so that we can have a very thorough study over the Bill. We however appreciate the sincerity and honesty of our Chief Minister for the welfare of the tea

plantation werkers, but I think in view of the condition of the tea gardens, as stated earlier, the bill be sent to the Select Committee for further study. With this I conclude sir.

Shri Charan Narzary : Sir, the proposal of Shri Condpan for referring the Bill to the Select Committee is very wise because there is no exigency which warrants the passage of the Bill. So Government will get enough time to give a second thought on the provisions of the Bill. That is why I support the proposal of Shri Condpan that the Bill should be referred to the Select Committee. There is no such exigency which warrants the passage of the Bill. For non-passage of the Bill to-day sky will not fall.

Mr. Speaker : Hon'ble Chief Minister will speak.

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, মোৰ অলপ কব লগা আছে। মোৰ নামটো আগ বঢ়াইছে। মই বিলখন চিলেকট কমিটিৰ প্ৰস্তাবৰ বিৰোধিতা কৰিছো। চৰকাৰে যদি পাছ কৰিব খোজে আজিয়ে পাছ কৰক। পিচত নহব।

Mr, Speaker : Hon'ble Chief Minister will speak on question of referring the Bill to the Select Committee.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ অসম গ্ৰাম্য কৰ্ম নিয়োগ আৰু বাগিছা শ্ৰমিক কল্যাণ বিধেয়কৰ ওপৰত অনুমোদন দিবৰ কাৰণে মাননীয় সদস্য গৰাকীক অনুৰোধ জনাইছো। জনসাধাৰণৰ আশা-আকাংখা পূৰণ কৰাৰ উদ্দেশ্যে আৰু ৰাজ্যখনক অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত আগুৱাই নিবৰ বাবে আৰু গাওঁ এলেকাত নিয়োগৰ ব্যৱস্থা বহুল পৰিমাণে বৃদ্ধি কৰাৰ কাৰণে ৰাজ্য চৰকাৰৰ হাতত বৰ্ত্তমান প্ৰয়োজনীয় সম্বল নাই। এই সম্বল কেনেকৈ আহৰণ কৰিব পৰা যায় তাকে পৰীক্ষা কৰি চাওঁতে ৰাজ্য চৰকাৰে লক্ষ্য কৰিছে যে অসমৰ চাহ উদ্যোগে ৰাজ্যখনৰ বিকাশৰ বাবে আগবঢ়াব পৰা অৰিহণা যোগোৱা নাই। এই ক্ষেত্ৰত এই বিলখন উংথাপন কৰা হৈছে আৰু এই বিলখন সদনে গ্ৰহণ কৰিব লাগে।

Mr. Speaker : I put the motion before the House. The motion is that the Assam Rural Employment and Plantation Labour Welfare Bill, 1986 be referred to the Select Committee consisting of

the following members. The report of the Select Committee should be presented to the House within 3 months. Five members will form the quorum.

1. Shri Prafulla Kumar Mahanta, Chief Minister
2. Shri Deba Kumar Bora
3. Shri Naren Tanti
4. Shri Ganesh Kutum
5. Shrimati Jyotsna Sonowal
6. Shri Bhaben Bharali
7. Shri Silvius Condpan
8. Shri Rameshwar Dhanowar
9. Shri Dileswar Tanti
10. Shri Hemen Das
11. Shri Santi Ranjan Das Gupta

The motion is lost.

Now I put the original motion.

The motion is that Assam Rural Employment And Plantation Labour Welfare Bill, 1986 be taken into consideration.

The motion is passed.

Now item No. 8 (b). There is an amendment to Clause 2. Hon'ble member Shri Dhanowar to move.

শ্ৰীৰামেশ্বৰ ধানোৱাৰ—অধ্যক্ষ মহোদয়, মই এমেণ্ডমেণ্ট মোভ নকৰো।

Mr. Speaker : There is no amendment to Clause 2.

Shri Binai Khungur Basumatari : Sir, you are to ask us whether we ........

Mr. Speaker : He has not moved it. There is no amendment to caluses 2 and 3. So I put Clauses 2 and 3. Clauses 2 and 3 do form part of the Bill.

The motion is passed and clauses 2 and 3 do form part of the Bill.

There is an amendment to Clause 4. Shri Dhanowar to move.

শ্ৰী ৰামেশ্বৰ ধানোৱাৰ : মই এমেণ্ডমেণ্ট মুভ নকৰো।

Mr. Speaker : There is no amendment to Clause 4. There is no amendment to clauses 4,5 to 21. I put clauses 4,5 to 21. Clauses 4,5 to 21 do form part of the Bill.

The motion passed and Clauses 4,5 to 21 do stand part of Bill.

Now I put clause 1, preamble, enacting formula and short title of the Bill.

Clause 1, premable, enacting formula and short title of the Bill do form part of the Bill.

The motion is adopted.

Now item No.8 (c). Chief Minister.

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg to move that the Assam Rural Employment And Plantation Labour Welfare Bill, 1986 be passed.

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী চিলভিউয়াচ কন্দপান ডাঙৰীয়াই মত প্ৰকাশ কৰিছে যে এই বিলখন অনাৰ উদ্দেশ্য ভাল আছিল, তাত সন্দেহ নাই। এই কথাত আমিও একমত। অসমৰ চাহ বাগানৰ কথা আলোচনা কৰোতে আমি এটা কথা চাব লাগিব যে অসমৰ চাহ বাগান বিলাক ২টা ভাগত ভগাব লাগে। (সদনত হুলস্থুল হয়) ভইচ : এতিয়া নতুনকৈ আকৌ আলোচনা কৰিব পাৰে জানো ? অধ্যক্ষ মহোদয়, পাছিং ষ্টেজত অবজাৰভেচন আইনে এলাও কৰে। অসমত টি কৰপোৰেশ্যনৰ বাগান আৰু লোকেল বাগানৰ সমীক্ষা কৰি দেখা যায় যে দুয়োটা শ্ৰেণীয়ে একে নহয়। এই দুয়োটা শ্ৰেণীক ক্লাচীফাই কৰি টেক্স ইমপোজ কৰিব পাৰি।

Shri Surendra Nath Medhi (Law Minister) : The discussion is already over. How can he speak at this stage? (Voices : yes, there is rule. He can speak)

শ্ৰীঅভিজিত শৰ্ম্মা (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা জানিব বিচাৰিছো যে পাছিং ষ্টেজত নতুনকৈ আলোচনা কৰিব পাৰে নেকি ?

মাননীয় অধ্যক্ষ : পাৰে।

শ্ৰীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয়, গতিকে এই বিষয়টোত চৰকাৰে যদি এটা দৃষ্টি দিলেহেঁতেন অসমত এই বিল অনাৰ যি উদ্দেশ্য সেইটো সৎ হলহেঁতেন। কাৰণ অসমৰ অৰ্থনীতিৰ উন্নতি নিৰ্ভৰ কৰিছে টি গাৰ্ডেনৰ ওপৰত। লাখ লাখ বন্নুৱা আছে যিবিলাকে এই বাগান বিলাকত কাম কৰে। এনেকুৱা কিছুমান বাগান আছে যিবিলাক অতি দুখীয়া বাগান। এই বাগান বিলাকত এই আইন প্ৰযোগ কৰিলে তেওঁলোকৰ ওপৰত আঘাত পৰিব। গতিকে এই বিলখন পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰী জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, তেখেতে এই বিলখনৰ সম্পৰ্কত যিটো কথা কৈছে, মই ভাবো তেখেতে বিলখন পঢ়াই নাই। ক্লজ ৪। ইয়াত প্ৰভিজন কি সম্পূৰ্ণ লিখা আছে যে চৰকাৰে ইচ্ছা কৰিলে ৰেটটো হেৰফেৰ কৰিব পাৰে। বিলখন নপঢ়াকৈয়ে তেখেতে সদনক মিচলিড কৰিব খুজিছে।

Mr. Speaker : Now I put the motion that 'the Assam Rural Employment and Plantation Labour welfare Bill, 1986' be passed.

So, the motion is passed and the Bill is passed.

Now, Item No. 9 (a). Hon'ble Revenue Minister.

Shri Thaneswar Boro. (Minister) : Hon'ble Speaker Sir, I beg to move that 'the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill. 1986," be taken into consideration.

Shri Binai Khungur Basumatari : Sir, the tradition of the House is that if you extend the House you are to suffer a little and you are to feed us.

Mr. Speaker : It has been discussed in the Business Advisory Committee.

Shri Binai Khungur Basumatari : It is very unfortunate Sir.

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, মই বিলখনৰ বিৰোধীতা কৰিছো। এনেকুৱা বিল এখন আৰু আহিছিল ১৯৮৪ চনত। সংসোধনীৰ সংসোধন বিল আছিল। উদ্দেশ্য আৰু লক্ষ্য একেই। চিলিং আইন খনলৈ কোনোৱে নাচাই। চিলিং আইন খনৰ বিৰোধীতা পৰবৰ্তী কালত আমি পাই আহিছো। ১৭ লাখ বিঘা মাটি চিলিং উদ্ধৃত বুলি ঘোষণা কৰিছিল। কিন্তু বিতৰণ হলে আজিও নহল। মাটিৰ মালিকৰ হাতলৈকে মাটি আকৌ ঘূৰি গৈ আছে। জনতাৰ আমোলত লেণ্ড ৰিফৰ্ম কমিশ্যন বুলি এখন কমিশ্যন পাতিছিল আৰু তাৰ ৰিপৰ্ট ১৯৮৩ চনত সদনত দিছিল। আমি ভাবিছিলো এই চৰকাৰ আহি অন্তত: লেণ্ড ৰিফৰ্ম কমিশ্যনক পৰামৰ্শৰ ওপৰত সংশোধনী আনিব কিন্তু নানিলে। তাত অসমৰ ৰায়তক কেনেকৈ ঠগিছে তাৰ সংজ্ঞা লেণ্ড ৰিফৰ্ম বিল খনত যিটো দিছে সেইটো অতি হাস্যস্কৰ পদ। আইনখন পঢ়িলে পৰিয়ালৰ সংজ্ঞা এনেকৈ পোৱা যায়। কাৰোবাৰ ঘৰত অবিবাহিত সাবালক লৰা আছে, তেওঁকো এটা পৰিয়াল বুলি দেখুৱা হৈছে আৰু কাৰোবাৰ ঘৰত সাবালক ছোৱালী আছে তেওঁকো একোটা পৰিয়াল বুলি ধৰিছে। যি জন মানুহৰ ১৫০ বিঘামাটি আছিল আইনমতে তেওঁৰ ১০০ বিঘা মাটি চিলিঙত যাব লাগিছিল কিন্তু পুতেকৰ নামত ৫০ বিঘা মাটি, জীয়েকৰ নামত ৫০ বিঘা যোৱাৰ পিচত তেওঁ নিজৰ নামত ৫০ বিঘা থাকিল। এইদৰে অবিভক্ত পৰিয়ালটোতে সকলোখিনি মাটি সোমাই থাকিল। গতিকে এই অৱস্থাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। সামন্ত তন্ত্ৰৰ পৰিবৰ্ত্তন হোৱাৰ ২০০ বছৰ হ'ল। কিন্তু ভাৰতবৰ্ষ আৰু অসমৰ সামন্তবাদী ভূমিৰ মালিকে খামোচ মাৰি ধৰিয়ে থাকিল। যি নিজে হাল নাবায়, তেওঁ ধান পায় বেছি আৰু যিসকলে নিজে হালবাই খেতি

কৰে তেওঁলোক ধান পায় কম। সেই সকলমানুহৰ নামতে ভূমি সংস্কাৰ কৰিলে। এইটো নেশ্যনেল পলিচি। ভূমি সংস্কাৰ আইন এখন এখনকৈ তিনিখন অনা হল। শেহতীয়া খনৰ মতে ভূমি নিম্নতম পৰিমান হল ৫০ বিঘা। মই আগতে কৈছো যে চিলিং আইন মতে ১৭ লাখ বিঘা মাটি অধিগ্ৰহণ কৰি ৯ লাখ বিঘাহে বিতৰণ কৰিলে, বাকীখিনি কৰা নহল। যিখিনি কৰা হৈছিল সেইখিনিও জৰুৰীকালীন অৱস্থাত পুনৰ মাটিৰ মালিকলৈকে ঘূৰি আহিল। মাটিৰ মালিকলৈ ঘূৰি যাব নোৱাৰাকৈ ভূমি সংস্কাৰ আইনৰ আসোঁৱাহ বিলাক ততাতৈয়াকৈ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা নহল। ১৯৮৩ চনৰ ভূমি সংস্কাৰ আয়োগৰ প্ৰতিবেদন এই সদনত উত্থাপন কৰা হয়। ১৯৮৩ গল, ১৯৮৪ গল, মই এটা প্ৰশ্ন দিছিলো সেই প্ৰশ্নই আৰু সদনৰ মুখ নেদেখিলে। কোনে চাব এই আধিয়াৰ খেতিয়ক সকলক।

অধ্যক্ষ মহোদয়, আপুনি গুৱাহাটীৰ চাৰিওফালে মন কৰিলে দেখিব যি সকলে খেতি কৰিছে তেওঁলোক মাটিৰ মালিক নহয়। যুগ যুগ ধৰি তেওঁলোকে ৰায়তী হিচাবে আছে। আজি পুৱা এটা খবৰ পালো এজন মানুহে লিখা-পঢ়া বন্দবস্তীত বিঘাই প্ৰতি বছৰি ৩ মোনকৈ ধান দিব লাগে। আইনমতে ৩ মোনকৈ ধান নাপাই। ৩ ভাগৰ ১ ভাগহে পাব লাগে। এই যে সামন্তবাদী শোষণ আমাৰ দেশত চলি আছে তাৰ বিচাৰ নাই। কোনোবাই আইনমতে চলিবলৈ বিচাৰিলে মাটিৰ পৰাই উচ্ছেদ হব লাগিব আৰু মাটিৰ মালিকে ৩ বছৰ ধান দিয়া নাই বুলি কেচ কৰিব। এনে ধৰণে তেওঁ-লোকৰ অৰ্দ্ধদাস অৱস্থাৰ পৰিবৰ্ত্তন আজিও হোৱা নাই। ১৯৭৬-৭৭ চনতে ডিব্ৰুগড়ত চাহ বাগানৰ পৰা হাজাৰ হাজাৰ বিঘা মাটি চিলিং আইনমতে চৰকাৰৰ হাতলৈ আহিল কিন্তু সেই মাটি বৰ্ত্তমান চৰকাৰে মাটিৰ মালিকক দি দিছে। ভূমি সংস্কাৰ আয়োগৰ ৰিপৰ্টত এই কথা তন্ন তন্ন কৈ আছে। যি মাটিৰ মালিকে আইন ভঙ্গ কৰে চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে কোনো ব্যৱস্থা নলয়। যুগ যুগ ধৰি যি সকল মানুহে খেতি কৰি আছে তেওঁলোকে আইনমতে ধান দিব বিচাৰিলে মাটিৰ পৰা উচ্ছেদ হবলগীয়া হয়। এই অভিযান আজিও চলি অছে। এই আইনৰ বলী হৈছে কোন। গুৱাহাটীৰ আশে-পাশে থকা জনজাতীয় সকল কিন্তু আমাৰ ফালে চাওঁক। যত চাওঁতা আছে তাত এনে হোৱা নাই।

অধ্যক্ষ মহোদয়, একমুঠা বিড়িৰ বিনিময়তো মাটি লোৱা হৈছে। যি সকলে প্ৰকৃততে জংগল পৰিস্কাৰ কৰি খেতি আৰম্ভ কৰিছিল সেই সকলৰ হাতত মাটি নাই। সেই সকলেই আজি মাটিহীন হৈ পৰিছে। তেওঁলোকে ৰায়তী স্বত্ব পাব পৰা নাই। প্ৰজাস্বত্ব আইনৰ দ্বাৰা এইটো কৰা হব বুলি ভবা হৈছিল যদিও আচলতে সেইটো নহ'ল। তাৰ পৰিবৰ্ত্তে দেখা গ'ল

যে ষোল্ল লাখ ৰায়তৰ ভিতৰত মাত্ৰ তিনি লাখ ৰায়তৰ হে ৰায়তীস্বত্ব পাইছে। এই দুৰ্য্যোগৰ দিনত তেওঁবিলাকে ভাত খাবলৈ পোৱা নাই। যাৰ ঘৰত চাকৰিয়াল আছে, যাৰ মোটা ঠিকা আছে, যাৰ ঘৰত মটৰ গাড়ী আছে সেই সকলেহে ভাত খাবলৈ পাইছে। বাকী সকলে ভাত খাবলৈ পোৱা নাই।

সেই সকল লোকৰ খেতিৰ উপাৰ্জন হয় পথাৰতে বিক্ৰী হৈ গৈছে নহয় যিখিনি উঠি আহিছে সেইখিনিও মহাজনৰ ঘৰতগৈ উপস্থিত হৈছেগৈ। সেই সকল মানুহৰ সাপক্ষে চৰকাৰে এই আইন কৰিব বিচৰা নাই। চিলিং আইনৰ দ্বাৰা উদবৃত্ত যিখিনি মাটি আছিল সেইখিনিৰ সৰহভাগেই পাইছে মহাজনৰ মাজতহে। যদি চিলিং উদ্‌বৃত্ত মাটি ৰায়তৰ মাজত দিয়াৰ কাৰণে এই বিল আনিলেহেতেন তেনেহলে হাঁহি হাঁহি এই বিল সমৰ্থন কৰিলোহেঁতেন। কাৰ স্বাৰ্থত এই বিলাক বিল অনা হৈছে? চাহ বাগানৰ মালিকৰ স্বাৰ্থত এই বিলাক বিল অনা হৈছে। ১৯৭৬ চনৰপৰা যি বিলাক মাটি দিয়া হৈছে, যি বিলাক ৰায় দিয়া হৈছে সেই বিলাকৰ এটাও ৰায়তৰ পক্ষে পোৱা নাই। সকলো বিলাক ৰায়েই মালিকৰ পক্ষে হৈছে। মালিক গোষ্ঠীৰ সপক্ষেহে সকলো বিলাক ৰায় হৈছে। মালিক গোষ্ঠীৰ স্বাৰ্থৰ কাৰণে এই বিল অনা হৈছে। ইয়াতে এই কথা আছে কাৰ স্বাৰ্থৰ কাৰণে? দিশপুৰে কাৰ স্বাৰ্থ ৰক্ষা কৰিছে? 'বিচাৰৰ বাণী নিৰৱে নিভৃতে কান্দে'। এতিয়া কেৱল দেখা গৈছে যে জমিদাৰ শ্ৰেণীৰ সাপক্ষে সকলোবিলাক কৰা হৈছে। ১৯৮৩-৮৪ আৰু ১৯৮৫ চনতো জমিদাৰক মাটি দিয়া হৈছে। অকল কাচাৰতেই বাৰশ বিঘা মাটি চিলিং আইনৰ যোগেদি জমিদাৰক দিয়া হৈছে। যি সকল চাহবাগান বনুৱা সেই সকলে এই মাটি পাব লাগিছিল যদিও তাৰ সলনি পাইছে মালিক সকলে। বনুৱা সকলৰ নিজা সম্পত্তি বুলিবলৈ, এটা নিজা ঘৰ তৈয়াৰ কৰিবলৈ অলপো মাটি নাই। বিৰাট ট্ৰেজেদি। আমাৰ অলপ ঘৰ বুলিবলৈ নিজা মাটি আছেই। বাগানৰ মালিকে চিলিং আইনৰ উদ্‌বৃত্ত মাটি কিনি আকৌ নিজৰ কৰি লৈছে। কিন্তু বনুৱা সকলে পাব পৰা নাই। কিছুমান ঠাইত মাটি ম্যাদী কৰি লৈছে। দৰং আৰু ডিব্ৰুগড় জিলাত হৈছে এনেকুৱা বহুত ঘটনা। চিলিং আইনো মাটিৰ মালিকৰ সপক্ষে গৈছে। এই আইনতো মালিকৰ স্বাৰ্থ ৰক্ষা নকৰিব বুলি

কৰ নোৱাৰো। কোনো পাৰ্থক্য আমি দেখা নাই। ভূমি সংস্কাৰ আয়োগৰ পৰামৰ্শৱলী পঢ়ি লৈ সংশোধনী আনিবলৈ চেষ্টা কৰক আৰু এই আইন উঠাই লওক, ৰায়তক অধিক স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে চিন্তা কৰক, মালিকৰ স্বাৰ্থ খৰ্ব্ব কৰাৰ কাৰণে তেনেকুৱা আইনহে আমি সমৰ্থন কৰিম।

Dewan Joinal Abedin : Mr. Speaker Sir, I would like to oppese this Bill for some special references, Sir, before, I speak on this Bill, 'the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1986' I would like to speak something in general about the procedure which we are adopting for passing the Bills. Sir, the Hon'ble Members have got the right to discuss each and every Bill before it is passed, But sir, here we find as many as eight number of Bills. How can we discuss ?

Well, this reminds me of a remark by Mr Jennings. a celebrated writer of parliamentary practice and the author of Queens Government, where he remarked that such things may establish a kind of dictatorship of majority. This is a good practice. Will the ruling party has the right to pass whatever they like ? The opposition in the same manner has the right to criticise. We should not be deprived of the right to criticise. Sir there are good things in this Bill and we appreciate these. We have repeated the very purpose of giving land to the landless. Actually, in many cases, particularly in Goalpara District, the Zamindari system was there and when this Ceiling Act was passed, the Zamindar and Jotedar transferred their lands in the name of their children. The tenants who were tilling the land found that they were not the owner of the land. Rather the children of the Jotedar and Zamindar were the real owner of the land. From that point of view, if the Govt feels that it is necessary to revise the Ceiling Act, it is very good. So, the provision for revision of petition it has been said that within a period

of maximum one year, the Govt should dispose of the case. It is a good thing. In exceptional circumstances, the period can be extended upto a period of 3 years. Inspite of this good arrangement in the Bill, there is no judicial safeguard. So, if any one in the Govt takes an arbitrary decision, there is no guarantee for safeguard of the poor tenants. I feel there should have some scope on the part of the affected persons to go to the Court. That scope is not included in this Bill. Therefore, I would like to oppose this.

Shri Binai Kungur Basumatari : Sir, this bill is again before us and I do not want to support it, neither do I oppose it because i want to record once again the position of the tribals in regard to the Land Ceiling Act. When the Land Ceiling Bill was passed it was also the tribals who suffered most because of illiteracy. My forefathers have all died, I do not know whether they are in heaven or hell but all the land is still in their name and I am their decendent. Even if all the land belonging to tribals are divided amongst their families, they cannot maintain it properly because of their illiteracy and ignorance. Our tribal families were shattered because of this Land Ceiling Act and when this bill was passed the tribal families suffered most. In fact the statement of object and reasons of this bill in the middle paragraph say a "question has been raised that the decision were not carried out strictly in accordance with the law or in a correct appreciation of the facts." What does the present Government intend to say about this ? Does the present Government intend to say that the land allotted to the tribals from the tea gardens and which have again gone back to the tea gardens will be returned to the tribals ? Is it the intention of the Bill ? In my constituency there is a tea garden called Chandana Tea Estate. Half of the tea garden land is under the occupation of the Tribals, Adhibashis, and original Nepalees but last year the High Court has given a Ruling to

revert the entire land to the tea garden. Similarly in another tea garden called Monabag in Dhekiajuli where also the entire land has been reverted to the tea garden as a result those who are having the ceiling surplus land allotment certificate are now on the process of being deprived of the land which was originally allotted to them by the Government. Now it is a very ridiculous situation because it is the same Government which has given land to the landless poor tribals are now forced to withdraw their allotment. So, what will be the decision of this new Government ? If the present Government intends to tell us that it will return to allottees the lands which it is going to recover by rejecting the orders of the previous Government, then we will support the bill but if this bill is againt the interest of the tribals as has been expressed by the previous speakers then we will oppose it Therefore, Sir, the statement that is presented at page 3 that the decisions were not carried out strictly in accordance with the law, the law should be made in such a way that everything is made clear. We want clarity on this important issue and with this I would request the Govt. to come out with its proper stand in regard to ceiling surplus land of the State.

Shri Charan Narzary : Sir, though it is a good piece of bill to amend the existing Land Ceiling law of the State I am a bit apprehensive of its consequences. Meanwhile, I want to say that if there be any people in the State who are largely affected, it is tribals. In the year 972 Ceiling Law passed during the time of Shri Sarat Chandra Sinha, our Hon'ble Member of the House. After passage of the ceiling law I had to come across hundreds and thousands of helpless tribals. Mr. Speaker, Sir, you may not be aware that the plains tribals have their traditional system of joint family and they never care to partition their lands in their own names in spite of their old age. For example, say in a family there are five brothers who are married, have become old, having

their children and having seperate families but then Sir, as has been pointed out by Mr. Basumatari the fact remained that all the lands were recorded in the name of the father or grand-father i. e. forefathers. Though the brothers held the lands of their own shares, they were in difficulty because the law will not take cognizance of their separate family identiy. Sir, the law will recognise only the family-head in whose name the lands are recorded-in the land record. So, the trouble arose and in the process many of them lost their lands and became landless people. Sir, they became landless because in this process the name of the family head, may be their father or grandfather, had been listed. Therefore, sir, under this Ceiling Law, like this Land Ceiling Act, a new class of landless people among the tribal people has been created. Sir, as a matter of fact, this problem still remains. So, sir, on the one hand the ceiling has shattered the traditional system of the joint family of the tribals and on the other hand it has lost their lands. So, sir, this is the position now. Then, sir, so far as this amendment is concerned, it may not be very good. But there is a reason also to be apprehensive of its consequences. Sir, this provision will empower the Govt. and the Revenue Authority to open up the cases which have also been settled, This amendment will give scope of opening or reopening the cases which have been also settled by the Revenue Deptt. Now, so far as the settlement of the vast extent of ceiling surplus lands of the Tea Gardens is concerned, who will initiate the case ? Who will reopen those cases ? Sir, we can very well expect that it is the Tea Planters who will reopen the cases and will file the cases and we know what will happen in those cases Sir, as you know, there is red-tapism everywhere in the office and I need not like to mention it here. Sir, vast areas of ceiling surplus lands have been settled by the Revenue Officials either in favour of some of the tenants or in favour of the Tea Garden Owners. Whereas the Tea Garden-owners lost their lands. In such cases they are very likely to take the chance of

this provision to reopen the cases, and by bribing the corrupt officials and by taking monetary gratification amounting to lakhs of rupees, settlements are likely to be made in favour of the Tea Garden Owners. Sir, I have pointed out only the possibilities of its consequences. Sir, though it is a good piece of legislation or amendment, I am neither in a position to support it nor to oppose it. But, Sir, I hope the present Govt. will make its best efforts to implement the law in its true spirit and letters in which they have intended to pass this law. This is my submission, sir.

শ্ৰীচহিদুল ইচলাম : অধ্যক্ষ মহোদয়, অসমৰ মাটিৰ সীমা নিৰ্দ্ধাৰণৰ যি বিল উত্থাপন হৈছে মই তাৰ বিৰোধিতা কৰিছো। কাৰণ অতীতৰে পৰা সিন্ধু উপত্যকাত আৰ্য্য অনাৰ্য্য সকলৰ মাটিলৈ কাজিয়া হৈছিল। ভাৰতবৰ্ষ যেতিয়া বৃটিছৰ তলত আছিল, তেতিয়া বঙ্গদেশত কৃষক সকলৰ বিদ্ৰোহী মনোভাবৰ সূচনা হৈছিল। আজি যিখিনি মাটিৰ কাৰণে, যিখন ভাৰতবৰ্ষৰ কথা কবলৈ গৈছো, সেই ঠাইতে স্বাধীনতাৰ পাচত নক্সালবাৰীত মাটি সম্পৰ্কতে বিৰোধী হৈ শ্ৰমিক শ্ৰেণীৰ পৰা নক্সালপন্থী উদ্ভৱ হৈছিল। ইয়াৰ বাদেও মাটিৰ কাৰণে ভাই ককাইৰ মাজতো বহুতো কেচ মামলা মোকৰদমা আদি হয়। গতিকে এইটো এটা জটিল সমস্যা আজিৰ এই সদনত উত্থাপন কৰিছে। মাটিৰ মালিক আৰু ৰায়তৰ মাজত ভেদা-ভেদ প্ৰয়াত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়েও এই ক্ষেত্ৰত আইন কৰি তাক কাৰ্য্যক্ষেত্ৰত প্ৰযোজ্য কৰিব পৰা নাছিল। যি কাৰণত চৰকাৰে বিলখন উত্থাপন কৰিছিল, প্ৰকৃততে সেই উদ্দেশ্য পূৰণ নহল। ৰায়ত সকলক ৰায়তী স্বত্ব দিবৰ কাৰণে বিলখন অনা হৈছিল যদিও মাটিৰ মালিক সকলোৰহে স্বাৰ্থ অখুন্ন থাকিল। কাৰণ মাটিৰ মালিক সকলে ভোট দিছিল। গতিকে তেওঁলোকৰ স্বাৰ্থ খুন্ন কৰে কেনেকৈ ? ৰায়ত সকলে তেওঁলোকে খেতি কৰা মাটিৰ ৰায়তী স্বত্ব পাব লাগে আৰু ইয়াৰ বাবে এছ, ডি, চি, ৰ ওচৰলৈ গলে মালিকৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে ৰায়ত সকলৰ ওপৰত ১২ মাহত ১৩ টা কেছ জাপি দিয়ে। দুখীয়া ৰায়ত সকলে বাধ্য হৈ মাটি এৰিব লগা হৈছে। গতিকে তেওঁলোকে খেতিৰ মাটিৰ পৰা বঞ্চিত হব লগা

হৈছে। তাৰোপৰি মাটিৰ মালিকসকলে উৎবৃত্ত মাটিৰ ৰায়ত সকলক আতৰাই ট্ৰেক্টৰ আদিৰে খেতি কৰি মাটি অধিগ্ৰহণ কৰিছে। ফলত দুটা শ্ৰেণীৰ উদ্ভৱ হৈছে। এটা হ'ল ৰায়ত আৰু আনটো হ'ল মালিক। এতিয়া কথা হৈছে অসমৰ শতকৰা ৯০ ভাগেই দুখীয়া ৰায়ত। গতিকে এই শতকৰা ৯০ জন মানুহৰ স্বাৰ্থৰ ক্ষেত্ৰত যাতে ব্যাঘাত নহয় তাৰ কাৰণে চাব লাগে। এই বিলৰ জৰিয়তে যাতে শতকৰা ৯০ ভাগ মানুহক ৰক্ষণাবেক্ষণ দিব পাৰে তাৰ ব্যৱস্থা থকাটো প্ৰয়োজন। এই বিলৰ দ্বাৰা শতকৰা ৯০ জনৰ স্বাৰ্থ যদি ৰক্ষা কৰিব নোৱাৰে তেনেহলে এই বিলৰ সংশোধনী আনি কোনো লাভ নাই। ৰায়ত সকলৰ স্বাৰ্থ ৰক্ষাৰ হকে সংশোধনী বিল উত্থাপন কৰিলে আমি তাত এক মত।

Shri Abdul Rob Laskar : Sir, first it was made 100 bighas of land, thereafter amendment was made for 75 bighas, lastly the owner was given 55 bighas of land. Sir, the object of the enactment of the whole Act was for the very purpose of giving protection and for the welfare and benefit of those classes of people in the society who are very much poor and landless and those who are actual cultivators. So Sir, right from the beginning we have observed one thing that Ceiling Act was advanced by reopening the law as well as by amendment for the benefit of the poorer sections of the people of the society. Now Sir, many things are there in the practical field. One of the hon. member very rightly said that the owner in the name of the married son or married daughter, as the case may be, has kcpt 50 bighas of land in favour of the son. In this way, the real intention of the Act was frustrated. And in this way, we find that the landless people were, in fact, deprived. Now Sir, if this amendment is considered and the Bill is passed, we find that the door will be ope-ed for the owners for depriving the landless cultivators from the tenancy and cultivating the land and also for the residential purposes. Sir, one thing is very much obvious that in the lower level,

officers are very much attached to the people. Sir, in the tea garden estates the labourers working there are most poor people and they are living from hand to mouth and in case of litigations they are harrassed by the owners. Now, in the lower level there are not many corruptions, of course, in higher level officers are very much not cooperative. In the lower level ofiicers like SDCs and others, in 75% cases they are cooperative. Now, Sir, I would like to say that if this Bill is passed the owners will be benefitted and doors will be opened for litigating the cases. So there is every apprehension and it is certain the landless cultivators and the tenants will be deprived of the benefits. There will be no limit of their harrassment and this is also applicable in the case of the tea garden labourers. With these observations I would like to submit to the hon. Chief Minister through you Sir, that this Bill may kindly be withdrawn. So I oppose the Blll.

Shri Surendra Nath Medhi, (Law Minister) : Hon'ble Speaker Sir, the object of the amendment of the Bill sought to be made by introducing the Bill is two fold. There are two parts in the Bill, one is revision from the decision of the lower authority by the Government and the other is to review by the Government. There were no such provisions prior to the introduction of the Bill, which is sought to be enacted. In the bill the original Sub-Section (6) of Section 7 has been quoted for which amendment is sought. There is no time limit and in the true sense of the term, there is no provision for revision. Nonetheless, Government used to call for records Suomuto or on the applications filed by the parties. Now, the present Government has brought forward this Bill seeking amendment of this Sub-section. There are so many anomalies. But there is no specific power with the Government Government can only call for the records pass some order. Therefore, amendment of Section (6) of Section 7 has been introduced. One is for revision within 90 days at the instance of the party and the other

is, i.e. if any wrong order was passed by the previous Government, a time limit of 3 years has been given for review. Then also the Government may call for the records and pass orders and review the earlier orders. There should be no confusion as the honourable members from the Opposition have complained of and that this provision will not go against the poor people. If there is complaint, or if there is something wrong, and if any one lodges complaint before the present Government that some illegalities have been committed by the previous Government, then the Government will have the power to pass necessary orders. And hence there is nothing wrong in introducing the present bill. So, I hope that the objection made by the Opposition will be withdrawn.

শ্ৰীথানেশ্বৰ বড়ো, (ৰাঃ মঃ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ সম্পৰ্কত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে এটা আশংকা কৰিছে যে এই বিলখন পাচ হৈ গলে বিশেষ অসুবিধা হব। কিন্তু কথাটো আচলতে নহয়। আগতে যিখন বিল অনা হৈছিল সেইখন বিলত কোনো সময়ৰ সীমা নথকাৰ কাৰণে কেচ বিলাক কৰ্টত পেণ্ডিং হৈ আছিল, কিছুমানে আপিল আদি কৰাৰ কাৰণে কেচ বিলাক সোনকালে নিষ্পত্তি হোৱা নাছিল আৰু বছৰ পিছত বছৰ ধৰি বাগৰি কেচ বিলাক আহি আছিল। মই মন্ত্ৰী হোৱা পিচতেই এনে ধৰণৰ ৫ হাজাৰ মান গোচৰ পাইছো। গোচৰ বিলাক আদালতত নিষ্পত্তি নোহোৱাৰ কাৰণে মাটি বিলাক চৰকাৰে আনিব পৰা নাছিল।

সেই দৰে চাহ বাগানৰ যি বিলাক মাটি চিলিং চাৰপ্লাচ কৰা হল সেই বিলাকো মালিক সকলে গোচৰ আদি দি বা বনুৱাক ভয় খোৱাই মাটি বিলাক পুনৰ তেওঁলোকৰ হাতলৈকে লৈ যোৱা হল। চৰকাৰে সেই বিলাক মাটি আনি মাটিহীনৰ মাজত বিলাই দিব পৰা নাই। গতিকে এই বিলাক গোচৰ নিষ্পত্তি কৰাৰ কাৰণে এতিয়া সময়ৰ সীমা বান্ধি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াত মাটিৰ পৰিমান কমাৰ বা বঢ়াৰ কথা নাই। সময়ৰ সীমা দিয়াৰ কাৰণেই এই সংশোধনী অনা হৈছে।

Provision 7 (6)

(6) Without prejudice to any action under any other provision of this Act, the State Government may of its own motion call for any record relating to any final Statement at any time and pass such others as it deems fit after giving the person or persons concerned an opportunity of being.

এই ক্লজটো থকাৰ কাৰণে বিশেষকৈ চৰকাৰে ভবামতে কাম কৰিব পৰা নাই। সেই কাৰণেই সময়ৰ সীমাৰ প্ৰয়োজন হৈছে।

এই সংশোধনীৰ ফলত কোনো জনজাতীয় লোকৰ কোনো অসুবিধা নহয়। জনজাতীয় লোকৰ মাজত এটা কথা আছে যে মাটি বিলাক সাধাৰণতে ডাঙৰ ককায়েকৰ নামত থাকে। সৰু বিলাকৰ নামত মাটি নোহোৱাৰ কাৰণে অসুবিধা হোৱা দেখা যায়। এনে ধৰণৰ অসুবিধা পিছপৰা সম্প্ৰদায় বিলাকৰ মাজত নোহোৱা নহয়। মই এই ক্ষেত্ৰত আশ্বাস দিব পাৰো যে বিল পাচ হলে যিমান নিম্ন স্তৰৰ পৰা সম্ভৱ হয় এই বিলাক দিশৰ প্ৰতি লক্ষ্য ৰখা হব। সম্ভৱ হলে পঞ্চায়ত লেভেলটো ভূমি সমস্যা সমাধান কৰা হব। এই সংশোধনী আচলতে ১৯৮৪ চনত আছিল। কিন্তু ৰাষ্ট্ৰপতিৰ সন্মতি নোলোৱাকৈ ৰাজ্যপালৰ সন্মতি লোৱাৰ কাৰণে এই খন কাৰ্যকৰী নহল। সেই কাৰণেই এইখন বিল আনিছো এইখন পাচ হৈ গলে আগৰ বিলখন ৰিপিল হৈ যাব। গতিকে মই মাননীয় বিৰোধী পক্ষৰ সদস্যসকলক জনাব বিচাৰিছো যে এই সংশোধনীৰ কাৰণে তেখেত সকলে চিন্তা কৰিব লগীয়া নাই। মাত্ৰ আমি সময় সীমা দি মাটি আনিব বিচাৰিছো। ইয়াৰ উপৰিও কুৰি দফীয়া আচনিৰ ৪ আৰু ৯ নং দফাৰ লগত ইয়াৰ সম্পৰ্ক আছে। ৯ নং দফা মতে আধা বিঘাৰ পৰা ১ বিঘালৈ মাটি দিয়া আৰু ৪ নং দফা মতে চাৰে ৭ বিঘাকৈ মাটি দিয়া। এই বিল পাচ হলে এই সকলো বিলাক কাৰ্যকৰী কৰাত সুবিধা হব। সেই কাৰণেই মই মাননীয় সদস্য সকলক এই বিল পাচ কৰি দিবলৈ অনুৰোধ জনাইছো।

Shri Binai Khungur Basumatari : One clarification sir. Whether the parliament has passed a Bill by which it seeks to

increase the area under Tea cultivation ? Now, that Act will directly come in conflict with this Land Ceiling Act. Now, what is the position of the State Government ? Whether it will obey the All India Act which is seeking to extend the area under the cultivation and which will thereby revert the alloted ceiling surptus lands in future to the tea planters. Now, what stand will the Government of Assam take in this matter ?

Shri Zoii Nath Sarma : Land is not in State list.

শ্ৰীথানেশ্বৰ বড়ো ( ৰাঃ মঃ ) ঃ এই আইনৰ দ্বাৰা ৰাজ্য পৰ্য্যায়ত যেনেকৈ তেনেকৈ প্ৰয়োগ কৰিব নোৱাৰে।

শ্ৰীজয়নাথ শৰ্মা ঃ মাটিৰ ওপৰত ৰাজ্য চৰকাৰৰ অধিকাৰ থাকিব ?

Shri Dewan Joynal Abedin : I have a point of clarification. If this Bill is passed what will be the fate of the pending and undisposed cases with the Government. Will those cases be nullified or will the cases be disposed of by the Government before this Act is enforced ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাঃ মঃ ) এই বিলাক কেচ এতিয়াও নিস্পত্তি হোৱা নাই। এই বিল পাচ কৰাৰ লগে লগে অটমেটিক পাচ হৈ নাযায় এই বিলাক চোৱা হব।

Mr. Speaker : Sir, Now, I put the motion before the House. The motion is that the Assam Fixation of Ceiling on Land Holdings ( Amendment ) Bill, 1986 be taken into consideration.

The motion is passed.

Now, Item 9 (b). There is no amendment in Clause (2) and (3) of the Bill. So I put that the Clause (2) and (3) of the Bill do form part of the Bill.

( The motion was adopted )

There is an amendment at Clause 1. Hon'ble Minister, Revenue will move.

Shri Thaneswar Boro, ( Minister, Revenue ) : Sir, I beg to move that Sub-Clause (3) of Clause I shall be substituted by the following—"It will come into force with immediate effect".

Mr. Speaker : Now I put the motion to vote. The question is that Sub Clause (3) of the Clause I shall be substituted by the following—"It will come into force with immediate effect".

Motion is passed.

Now I put that the preamble, enacting formula and short titile of the bill do form part of the bill.

( The motion was adopted )

Shri Thaneswar Boro, ( Minister, Revenue ) : Sir, I beg to move that the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1986 be passed.

Mr Speakar : The motion is that the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1986 be passed.

The motion is passed. The Bill is passed.

## RULING FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকল সদনৰ কাৰ্য্য উপদেষ্টা সমিতিৰ মতে আজিৰ কাৰ্য্যসূচী আজিয়ে শেষ কৰিব লাগে । কিন্তু এতিয়া ৬ বাজিছে। যদি সদনে অনুমতি দিয়ে তেনেহলে বাকী থকা কাৰ্য্য সূচীখিনি কালিলৈ লোৱা হব । সদনৰ নিশ্চয় অনুমতি আছে । (হব হব)

Now, Hon'ble member Shri Ardhendu Kumar Dey tabled a notice of breach of privilege on 4th under Rule 177 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on account of not intimating the Hon'ble Speaker about his arrest by the Hojai police. I assure the House that I would give my decision after hearing the Hon'ble Home Minister on this point. I have received a letter from the Hon'ble Home Minister today and informed that the Hon'ble Member was not actually arrested by the police but he was taken to the Hojai police Thana for a discussion. The matter has been clarified by the Hon'ble Home Minister as follows :

মাননীয় অধ্যক্ষ মহোদয়, প্ৰাপ্ত প্ৰতিবেদনমতে মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দেক ২১।৫।৮৬ তাৰিখে পুলিচে হোজাই চহৰত গ্ৰেপ্তাৰ কৰা নাছিল। ঘটনাটো আছিল এনে প্ৰকাৰৰ ঃ—

যোৱা ২১।৫।৮৬ তাৰিখে হোজাই উপপ্ৰতি সমহৰ্ত্তা (সংলগ্ন) শ্ৰীফ টিক নাথ আৰু তেওঁৰ মণ্ডল আদি কৰ্ম্মচাৰী সকল হোজাই চহৰৰ মূল ৰাস্তাত অনধিকাৰ ভাবে নিৰ্ম্মাণ কৰা ঘৰ আদি উচ্ছেদৰ বাবে এজন সহ উপ-পৰিদৰ্শক শ্ৰীচাইৰুদ্দিন আহমেদ এজন টাউন হেড কনিষ্টবল আৰু এক চেকচন এপিটিএফ বাহিনীৰ লোক লগত লৈ উচ্ছেদকাৰ্য্য চলাব ধৰে। আবেলি ৪ মান বজাত লামডিং সমষ্টিৰ সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ঘটনাস্থলীত উপস্থিত হয় আৰু উপপ্ৰতি সমহৰ্ত্তাক উচ্ছেদকাৰ্য্য বন্ধ কৰিবলৈ দাবী জনায়। সেই সময়ত শ্ৰীদে গিৰিমেডিকেল হল নামৰ ফাৰ্ম্মাচীখনত বহি আছিল আৰু উচ্ছেদকাৰ্য্য চলোৱা দেখি উচ্ছেদকাৰ্য্য বন্ধ কৰিবলৈ দাবী জনায়। এনে উচ্ছেদকাৰ্য্যৰ বাবে উপপ্ৰতি সমহৰ্ত্তাৰ কতৃত্ব ক'ত বুলি তেখেতে প্ৰশ্ন তোলে তদুপৰি উচ্ছেদকাৰ্য্য সম্পৰ্কীয় নথিপত্ৰ চিথামেপ ইত্যাদি দেখাবলৈ আৰু সময় নিৰ্দ্ধাৰণ কৰিবলৈ তেখেতে দাবী কৰে।

ইতিমধ্যে ঘটনাস্থলীত বহুতো মানুহ গোট খায়। সদস্যগৰাকী অতি উত্তেজিত ভাবত থাকে। গোটখোৱা লোক সকলো উত্তেজিত হৈ পৰে।

শান্তি ভঙ্গৰ আশংকা কৰি আৰু বিপদৰ সম্ভাবনা দেখি উপপ্ৰতি সমহৰ্ত্তাই উচ্ছেদকাৰ্য্য স্থগিত ৰাখে আৰু মাননীয় সদস্যগৰাকীক তেওঁৰ কাৰ্য্যালয়লৈ যাবলৈ অনুৰোধ জনায় যাতে উচ্ছেদ কাৰ্য্যৰ আইনত দিশৰ বিষয়ত আলোচনা কৰিব পাৰে। প্ৰথমতে যদিও সদস্যগৰাকী যাবলৈ অমান্তি হয়, পিছত উপপ্ৰতি সমহৰ্ত্তাৰ অনুৰোধক্ৰমে উপপ্ৰতি সমহৰ্ত্তাও তেখেতৰ কৰ্ম্মীসকলে ব্যৱহাৰ কৰা ট্ৰাক্‌খনত উঠে। ট্ৰাকখনত উঠাৰ সময়ত মাননীয় সদস্য গৰাকী পিচলখাই আৰু বাওঁ বাহুত আচোৰখাই সামান্যভাবে আঘাটপ্ৰাপ্ত হয় বুলি প্ৰকাশ। এই সময়তে মানুহবিলাকে শিলগুটি দলিয়াবলৈ আৰম্ভ কৰে। গিৰিমেডিকেল হলৰ সন্মুখৰপৰা শিলগুটি দলিওৱা আৰম্ভ হয় আৰু তিনিজন আৰক্ষী আৰু দুজন মজদুৰ আঘাটপ্ৰাপ্ত হয়। উপপ্ৰতি সমহৰ্ত্তাই মাননীয় সদস্যগৰাকীৰ সৈতে ট্ৰাকখনত তেখতৰ কাৰ্য্যালয়লৈ যায় কিন্তু কাৰ্য্যালয় বন্ধ হোৱাত থানালৈ যায়। থানাত চৰকাৰী চিকিৎসকে মাননীয় সদস্যগৰাকীক আৰু বাকী সকলক প্ৰাথমিক চিকিৎসা সাহায্য দিয়ে। উক্ত ঘটনা নগাওঁ জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধিক্ষকে যুটীয়াভাবে তদন্ত কৰে। আৰু এই সম্পৰ্কত আৰক্ষী অধিক্ষকে লিখিত প্ৰতিবেদন ২০।৫।৮৬ তাৰিখে দিয়ে। মাননীয় সদদ্য গৰাকীক আৰক্ষী-থানাৰ পৰা বিদায় দিয়া হয়। সেই সময়ত হোজাই আৰক্ষীথানাৰ সন্মুখত অনেক লোক জমা হৈছিল কিন্তু মাননীয় সদস্যগৰাকী থানাৰ পৰা যোৱাৰ পাছতে অনুসন্ধিতসু জনতা আতৰি যায়। এই সম্পৰ্কত দুটা গোচৰ হোজাই থানাত ৰজু কৰে। এটা হোজাই উপপ্ৰতি সমহৰ্ত্তা শ্ৰীনাথে আৰু আনটো মাননীয় সদস্য গৰাকীয়ে ৰজু কৰে। গোচৰ দুটা ক্ৰমান্বয়ে (১) ১২৪।৮৬ ইউ/এচ ১৪৭/৩৩৭/৩৩২ আই পি চি, (২) ১২৫/৮৬ ইউ/এচ ৩৪২/৩২৩ আই পি চি। গতিকে দেখা যায় যে মাননীয় সদস্য গৰাকীক কৰায়ত্ব কৰা হোৱা নাছিল আৰু তেখেতক থানালৈ উপপ্ৰতি সমহৰ্ত্তাই আলোচনাৰ বাবেহে লৈ গৈছিল। এই বিষয়ে অধ্যক্ষ মহোদয়ক ৰাজনৈতিক বিভাগৰ ১২/৬/৮৬ তাৰিখৰ পিএলএ ৪৭/৮৫/৮৬ নং পত্ৰযোগে জনোৱা হৈছিল।

স্বাঃ ভৃগু ফুকন
গৃহ মন্ত্ৰী

Since the Hon'ble Member was not arrested by the police, therefore, the Rule 177 has no application. I therefore disallow the motion of privilege.

The House stands adjourned till 10 a. m. of 13th Aug/86.

## ADJOURNMENT

The House then rose and stood adjourned till 10 A.M. on 13th August, 1986.

DISPUR :
The 12th August, 1986.

Dr. P.N HAZARIKA,
Secretary
Assam Legislative Assembly.

# ERRATA

| কাৰ্য্যবিৱৰণীৰ তাৰিখ | ছপাহৈছে | পৃষ্ঠা | ছপা হব লাগে |
|---|---|---|---|
| 12-8-86 | কৰিছে | 3 | কৰি |
| | RAGILEI | 9 | RAGIBI |
| | জলিল ৰাগিলে | 10 | জলিল ৰাগিবী |
| | মন্নহে | 17 | মান্নহে |
| | Comtemplating | 37 | Contemplating |
| | পূজীৰ | 40 | পুঁজিৰ |
| | It not why | 42 | If not why |
| | Sch | 62 | SCH. |
| | শ্ৰীগোলক | 205 | শ্ৰীগোলোক |